www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

❐ PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

শ্ৰেষ্ঠ আৰু আটাইতকৈ সুন্দৰ বস্তু আমি চাবও নোৱাৰো আৰু স্পৰ্শও কৰিব নোৱাৰো; ইয়াক অনুভৱ কৰিব লাগে। — হেলেন কেলাৰ

# অসম বাৰ্তা

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❐ প্ৰথম বছৰ ❐ সংখ্যা- ১৬০ ❐ বৃহস্পতিবাৰ ❐ ২ এপ্ৰিল, ২০২৬ চন ❐ Volume/Year- I ❐ Issue- 160 ❐ Thursday ❐ 2nd April, 2026 ❐ Asom Barta, Majuli ❐ PRGI Reg. No.- ASASS/25/A2361 ❐ Price- Rs. 10 ❐ Total Page- 10

■ গোগামুখ, বিহালীত নিৰ্বাচনী ৰণডংকা বজাই NDAৰ বিজয় নিশ্চিত ঘোষণা প্ৰধানমন্ত্ৰীৰ ■

# এইবাৰ নিৰ্বাচনত জয়ৰ হেট্ৰিক হ'ব বিজেপিৰ !

## অসমত বান নিয়ন্ত্ৰণৰ বাবে ১৮ হাজাৰ কোটি টকা খৰচ কৰা হ'ব ঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী

পৰাজয়ৰ চেম্পুৰী হ'ব কংগ্ৰেছৰ যুৱৰাজৰ



**অসম বাৰ্তা, বিহালী, ১ এপ্ৰিল ঃ** স্বাধীন ভাৰতৰ দুৰ্নীতিগ্ৰস্ত দল কংগ্ৰেছ হ'ল জননী। স্বাধীন ভাৰতত কংগ্ৰেছে ইমানেই দুৰ্নীতি ভ্ৰষ্টাচাৰ কৰিলে তাৰ সীমা সংখ্যা নাই। অবৈধ নাগৰিকক অসমত সংস্থাপিত কৰা দলটোৱেই হ'ল কংগ্ৰেছ। কেৱল ভোটবেংকৰ স্বাৰ্থতে দলটোৱে অবৈধ নাগৰিকক সংস্থাপন দি সমস্যাৰ সৃষ্টি কৰিছে। যাৰ বাবে উন্নয়ন বাধাগ্ৰস্ত হৈছে। ভাৰতীয় জনতা পাৰ্টি হৈছে উন্নয়ন আৰু বিকাশত অগ্ৰাধিকাৰ দিয়া দল। সেই বাবেই অসম ৰাজ্যখন ইংৰাজী বৰ্ণমালাৰ এ ফৰ আছাম বুলি অভিহিত হৈছে। আগন্তোক দিনত অসমৰ বান আৰু গৰাখহনীয়া প্ৰতিৰোধৰ ৰোধৰ বাবে কেন্দ্ৰীয় চৰকাৰে ১৮ হাজাৰ কোটি টকা আবণ্টন দিব। এই ধন ৰাশিৰেই অসমৰ বান আৰু গৰাখহনীয়া প্ৰতিৰোধৰ স্থায়ী সামাধান হ'ব। কংগ্ৰেছৰ দিনত বিশ্বৰ ঐতিহ্য এশিঙিয়া গড়োঁ সুৰক্ষিত নাছিল। কংগ্ৰেছৰ শাসনত প্ৰতিদিনেই গড়ঁ হত্যাৰ বাতৰিয়ে শিৰোনাম দখল কৰিছিল। বিজেপিৰ লক্ষ্য অসমক আত্মনিৰ্ভৰশীল কৰা। কংগ্ৰেছ বিকাশৰ বিৰোধী, কংগ্ৰেছে অসমৰ আত্মাৰ ❐ ৬ পৃষ্ঠাত

৬০ দিনৰ ভিতৰত জুবিন গাৰ্গক ন্যায় দিব কংগ্ৰেছ চৰকাৰে

## আজি বোকাজান, তিতাবৰত ৰণডংকা বজাব ৰাহুল গান্ধীয়ে

**নিউজ ডেস্ক, অসম বাৰ্তা, ২ এপ্ৰিল ঃ** নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, সাংসদ তথা জ্যেষ্ঠ কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধী আৰু কৰ্ণাটকৰ উপ-মুখ্যমন্ত্ৰী ডি.কে. শিৱকুমাৰৰ দৰে কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বই অসমত নিৰ্বাচনী প্ৰচাৰ অভিযান তীব্ৰ কৰি তোলাৰ মাজতে, আজি অসমলৈ আহিব লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধী। এদিনীয়া ❐ ৬ পৃষ্ঠাত




❐ উজনিত একত্ৰিত হৈ নিৰ্বাচনী যাত্ৰা আৰম্ভ তিনি গগৈৰ ❐

## প্ৰতিকূল বতৰকো নেওচি নাজিৰাত প্ৰিয়ংকা গান্ধীৰ বৃহৎ জনসভা সম্বোধন

ৰাইজৰ পইচা কাঢ়ি লৈ সম্পত্তিৰ পাহাৰ গঢ়িছে অসমৰ মুখ্যমন্ত্ৰীয়ে



**অসম বাৰ্তা, গেলেকী, ১ এপ্ৰিল ঃ** নাজিৰা গেলেকীত কংগ্ৰেছৰ বিশাল নিৰ্বাচনী সভা। সভাত উপস্থিত আছিল কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধী। প্ৰতিকূল বতৰকো নেওচি হাজাৰ হাজাৰ লোকৰ সমাগম ঘটে সভাত। সভাত উপস্থিত প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ ❐ ৬ পৃষ্ঠাত

■ নিৰ্বাচনী বতৰাৰ মাজতে বৃদ্ধি পালে টোলটেক্স ■

## ৰাজ্যৰ ৭ খনকৈ টোলগেটত ৩৫ টকা পৰ্যন্ত বৃদ্ধি পালে টোলকৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ১ এপ্ৰিল ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ প্ৰচাৰৰ ধুমুহা বতাহ বলি থকাৰ মাজতে সাধাৰণ ৰাইজৰ বাবে আহিল এক অত্যন্ত বিৰূপ খবৰ। আজি ১ এপ্ৰিল, ২০২৬ৰ পৰা ৰাজ্যৰ ৰাষ্ট্ৰীয় ঘাইপথসমূহত টোল টেক্সৰ হাৰ ❐ ৬ পৃষ্ঠাত

## খোৱাঙত লুৰীণজ্যোতি গগৈৰ হৈ প্ৰিয়ংকা গান্ধীৰ বিশাল ৰণসভা

হাতত হাত থৈ বিজেপিক উৎখাতৰ পণ ল'লে গৌৰৱ গগৈ, অখিল গগৈ আৰু লুৰীণজ্যোতি গগৈয়ে

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১ এপ্ৰিল ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ প্ৰচাৰ অভিযানত উজনি অসমৰ ৰাজনৈতিক পৰিৱেশ অতি উত্তপ্ত হৈ পৰিছে। বিশেষকৈ নৱগঠিত ❐ ৬ পৃষ্ঠাত

## নুমলীগড় শোধনাগাৰত অভিলেখ উৎপাদন

পেট্ৰ'লিয়াম মন্ত্ৰী হৰদীপ সিং পুৰীৰ অভিনন্দন

**নিউজ ডেস্ক, অসম বাৰ্তা, ১ এপ্ৰিল ঃ** নুমলীগড় শোধনাগাৰ লিমিটেডে (এন আৰ এল) ২০২৫-২৬ বিত্তীয় বৰ্ষত অভিলেখগত উৎপাদন কৰাৰ বাবে কেন্দ্ৰীয় ❐ ৬ পৃষ্ঠাত

কাইলৈ গোলকগঞ্জ, দুধনৈ, বকো-ছয়গাঁৱত জনসভা সম্বোধন

## আজি অসমলৈ আহিব গৃহমন্ত্ৰী অমিত শ্বাহ



**নিউজ ডেস্ক, অসম বাৰ্তা, ১ এপ্ৰিল ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ ভোটগ্ৰহণৰ মাত্ৰ কেইদিনমান বাকী থকা অৱস্থাত নিৰ্বাচনী প্ৰচাৰৰ ধুমুহা বতাহে ৰাজ্যজুৰি বৈছে। বিজেপিৰ জ্যেষ্ঠ নেতাসকলে একেৰাহে অসমত নিৰ্বাচনী সভা সম্বোধন কৰি ৰাইজক আকৃষ্ট কৰাৰ চেষ্টা চলাইছে। তাৰেই অংশ হিচাপে আজি (২ এপ্ৰিল) পুনৰ অসমলৈ আহিব কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ। বিয়লি দুই বজাত ❐ ২ পৃষ্ঠাত

কংগ্ৰেছক শিপাহীন আখ্যা দি ধিঙকে ধৰি কেইবাটাও সমষ্টিত ৰাইজৰ দল ফ্ৰণ্টফুটত থকাৰ দাবী

## ৯০ খনতকৈও অধিক আসনতে জয়ী হ'ব NDA; মুখ্যমন্ত্ৰীৰ দাবী



বিটিচিত ১৫খন আসনতে এনডিএৰ প্ৰাৰ্থী জিকিব ঃ হাগ্ৰামা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টৰ, টংলা, ১ এপ্ৰিল ঃ** এনডিএই নৱৈখনতকৈ অধিক আসন লাভ কৰি চৰকাৰ গঠন কৰিম। টংলা সমষ্টিত বিকন চন্দ্ৰ ডেকা জিকিব। সমাগত বিধানসভা ❐ ৬ পৃষ্ঠাত

❐ ৫ এপ্ৰিললৈকে চলিব গৃহ ভোটদান প্ৰক্ৰিয়া ❐

## ঘৰৰ পৰাই ভোট দিব পাৰিব জ্যেষ্ঠ আৰু দিব্যাংগ ভোটাৰে

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১ এপ্ৰিল ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ ভোটগ্ৰহণ অহা ৯ এপ্ৰিলত ৰাজ্যৰ ১২৬টা সমষ্টিত একেলগে অনুষ্ঠিত হ'ব। নিৰ্বাচন সুস্থ আৰু সকলোৰে অংশগ্ৰহণ নিশ্চিত কৰিবলৈ নিৰ্বাচন আয়োগে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। ❐ ৬ পৃষ্ঠাত

আমাক চুকাফা-শংকৰদেৱে সৃষ্টি কৰা বৰ অসমহে লাগে ঃ মুখ্যমন্ত্ৰী

## ৰহাত বিজয় সংকল্প যাত্ৰাৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্বাচনী ৰণডংকা



❐ গৌৰৱ গগৈৰ দৰে নেতাৰ বৰ অসমৰ কোনো প্ৰয়োজন নাই ❐

**অসম বাৰ্তা, ৰহা, ১ এপ্ৰিল ঃ** ৬১ নং ৰহা বিধানসভা সমষ্টিতো নিৰ্বচনী ৰণগডংকা বজালে মুখমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। আজি ৰহা ক্ৰীড়াসস্থাৰ খেলপথাৰত আয়োজিত বিজেপিৰ প্ৰাৰ্থী শশীকান্ত দাসৰ হৈ বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰি ৰাজ্যৰ মুখ্যমন্ত্ৰীগৰাকীয়ে বিৰোধীক দিলে সকীয়নি। সভাত ৰহাৰ বিজেপি প্ৰাৰ্থী শশীকান্ত দাসে মুখ্যমন্ত্ৰী গৰাকীক গামোচা, ❐ ৬ পৃষ্ঠাত

■ টিহুত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ভৱিষ্যদ্বাণী ■

## ৰাইজৰ দলৰ এখন, অজাপৰ শূন্য, কংগ্ৰেছৰ ১৬-১৭, এ.আই.ইউ.ডি.এফ.ৰ ৫-৬

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১ এপ্ৰিল ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ ভোটগ্ৰহণৰ আগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এক আত্মবিশ্বাসী ভৱিষ্যদ্বাণী কৰি কয় যে এইবাৰ বিজেপি নেতৃত্বাধীন এন ডি এ মিত্ৰজোঁটে ৯০খন আসন পাব হৈ যাব আৰু এশৰ ওচৰে-পাজৰে আহি পাব। ❐ ৬ পৃষ্ঠাত



চমন অৱহেলাৰ গোচৰত EDৰ আবেদন গ্ৰহণ

## দিল্লী উচ্চ ন্যায়ালয়ৰ অৰবিন্দ কেজৰিৱাললৈ জাননী

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১ এপ্ৰিল ঃ** দিল্লীৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক লৈ আইনী জটিলতা পুনৰ বৃদ্ধি ❐ ৬ পৃষ্ঠাত



□ ১, ৯৪, ৩৪৪ গৰাকী ভোটাৰে নিৰ্ণয় কৰিব তিনি প্ৰাৰ্থীৰ ভাগ্য □

# কলিয়াবৰৰ ৰাজনৈতিক অংকত আউল লগাব পাৰে সংখ্যালঘু ভোটাৰে

## প্ৰতিষ্ঠান বিৰোধী ঢৌৰ বাবে প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব কেশৱ মহন্ত

**অসম বাৰ্তা, কলিয়াবৰ, ৩১ মাৰ্চ** ঃ বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজ্যৰ আন সমষ্টিসমূহৰ লগতে কলিয়াবৰ ৫৭নং কলিয়াবৰ সমষ্টিৰ নিৰ্বাচনী যুঁজখন ক্ৰমশঃ আকৰ্ষণীয় হৈ পৰিছে। এজিপিৰ দখলত থকা সমষ্টিটোৰ পুনৰ নিৰ্ধাৰণৰ পিচত ইয়াৰ জনগাঁথনিৰ ব্যাপক পৰিৱৰ্তন হৈছে। সমষ্টিটোত এইবাৰ মুঠ ভোটাৰৰ সংখ্যা ১, ৯৪, ৩৩৪ গৰাকী। সমষ্টিটোত হিন্দু বেঙ্গলী ভোটাৰৰ সংখ্যা- ৪৯, ০৪৪ গৰাকী আৰু দ্বিতীয় স্থানত থকা চাহ বাগিচা ভোটাৰৰ সংখ্যা- ৪৬, ৫৬৭ গৰাকী। অন্যহাতেদি সংখ্যালঘু ভোটাৰৰ সংখ্যা- ৪১, ১৩২ গৰাকী আৰু অসমীয়া ভোটাৰৰ সংখ্যা- ৩৬, ৭৫৩ গৰাকী। সেই হিচাপলৈ চাই কলিয়াবৰ সমষ্টিত এইবাৰ ভোট চেয়াৰিঙৰ কাৰবাৰটো এক লক্ষণীয় হৈ পৰিব। বিশেষকৈ ৰাইজৰ দলৰ প্ৰক্ষেপিত প্ৰাৰ্থী প্ৰদীপ বৰুৱাৰ পক্ষত যদি সংখ্যালঘু ভোটাৰে ভোট প্ৰদান কৰে তেনে পৰিপ্ৰেক্ষিতত নিশ্চিত ভাৱে কলিয়াবৰৰ ৰাজনৈতিক অংকত আউল লগাটো একপ্ৰকাৰৰ খাটাং। কলিয়াবৰ আঞ্চলিক পঞ্চায়তৰ প্ৰাক্তন সভাপতি, এগৰাকী জেষ্ঠ কংগ্ৰেছী নেতা প্ৰদীপ বৰুৱা এইবাৰ কংগ্ৰেছ দলৰ টিকটৰ দাবীদাৰ আছিল যদিও মুৰকত কলিয়াবৰ সমষ্টিৰ আসনখন ৰাইজৰ দলক এৰি দিয়াৰ বাবে ৰাতিটোৰ ভিতৰতে কংগ্ৰেছ দল ত্যাগ কৰি ৰাইজৰ দলত যোগদান কৰি টিকট আজুৰি আনিবলৈ সক্ষম হয় প্ৰদীপ বৰুৱাই। বিশেষকৈ কলিয়াবৰত ৰাইজৰ দলৰ সাংগঠনিক ভেটি নথকাৰ সত্বেও কি ধৰণে নিৰ্বাচনত অৱতীৰ্ণ হৈ জয়ী হ'ব এই লৈ ৰাজনৈতিক মহলত চৰ্চা হয়। ইয়াৰ বিপৰীতে কংগ্ৰেছ মিত্ৰজোঁটৰ অংশিদাৰী দল ৰাইজৰ দলৰ সভাপতি অখিল গগৈৰ জনপ্ৰিয়তা সংখ্যালঘু লোকৰ মাজত যথেষ্ট আছে আৰু এই লৈ ৰাইজৰ দলৰ প্ৰাৰ্থী গৰাকীয়ে সংখ্যালঘু ভোটাৰৰ মাজত বিশেষ প্ৰভাৱ পেলাবলৈ সক্ষম হ'ব বুলি চৰ্চা অব্যাহত আছে। আনহাতে অধিক হাৰত প্ৰদীপ বৰুৱা কলিয়াবৰৰ সমাজ জীৱনৰ সৈতেও জড়িত হৈ কাম কৰি অহা এগৰাকী জনপ্ৰিয় ব্যক্তি আৰু তেওঁ কি ধৰণে অসমীয়া ভোটাৰ আৰু সংখ্যালঘু ভোটাৰৰ মাজত সোমাই ভোটাৰ ৰাইজৰ মন জয় কৰিবলৈ সক্ষম হয় সেয়া সময়ত হে দেখা পোৱা যাব। ইপিনে বিজেপি মিত্ৰজোঁটৰ অসম গণ পৰিষদৰ প্ৰাৰ্থী কেশৱ মহন্তৰ বিৰুদ্ধে প্ৰতিষ্ঠানবিৰোধী ঢৌ ব্যাপক হোৱাৰ লগতে মিত্ৰদল বিজেপি শিবিৰৰ পৰা এইবাৰ প্ৰাৰ্থীগৰাকীৰ তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ সম্ভাৱনা প্ৰকট। কাৰণ বিজেপিৰ কৰ্মীসকলক বিগত সময়চোৱাত কেশৱ মহন্তই কোনোধৰণৰ গুৰুত্ব নিদিয়াৰ অভিযোগ আজি বহু বছৰ ধৰি উত্থাপন হৈ আহিছে আৰু ইয়াৰ বহিৰ্প্ৰকাশ কলিয়াবৰৰ নিৰ্বাচনত এইবাৰ দেখিবলৈ পোৱা গৈছে। জিলা পৰিষদৰ সদস্য তথা বিজেপি জিলা সম্পাদক জীতেন গৌড়ে এইবাৰ নিৰ্দলীয় প্ৰাৰ্থী হিচাপে প্ৰাৰ্থীত্ব আগবঢ়ায় এক প্ৰকাৰৰ নিদ্ৰা হৰণ কৰিছে বিশ বছৰে বিধায়ক তথা কেবিনেট মন্ত্ৰী হিচাপে দপদপায় থকা কেশৱ মহন্তৰ। বিশেষকৈ কলিয়াবৰৰ দ্বিতীয় সৰ্ববৃহৎ চাহ জনগোষ্ঠীৰপৰা প্ৰতিনিধিত্ব কৰা জীতেন গৌড়ে জনগোষ্ঠীটোৰ পৰা সমাদৰ বুটলিবলৈ সক্ষম হৈছে। ইফালে কলিয়াবৰ বিজেপিৰ সিংহ ভাগ সদস্যই দলৰ পৰা পদত্যাগ কৰি দিন-ৰাতিক একাকাৰ কৰি জীতেন গৌড়ৰ সমৰ্থনত কাম কৰি থকা দৃষ্টিগোচৰ হৈছে। বিগত দুটা দশক কেশৱ মহন্তই কলিয়াবৰৰ উন্নয়নৰ নামত অকল পৰিয়াল তথা কেইগৰাকীমান সাংগু পাংগুৰ উন্নয়নৰ বাদে কলিয়াবৰত একো নকৰিলে বুলি অভিযোগ উত্থাপন কৰি ৰাইজৰ মাজলৈ গৈ জীতেন গৌড় তথা তেওঁৰ সমৰ্থক সকলে প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। কলিয়াবৰত হৈ যোৱা বানপানীৰ বাবে ২০ কোটি টকা মোকলাই দিয়া হৈছে বুলি ৰাজহুৱা ঘোষণা কৰিছিল যদিও আজি পৰ্যন্ত বহু লোকৰ একাউণ্টত সেই ধন নোসোমোৱাৰ বাবে ভোটাৰ ৰাইজ ক্ষোভিত হোৱা দেখা গৈছে। ইফালে অসমৰ একমাত্ৰ সমবায় ভিত্তিত শিলঘাট মৰাপাট কল আজি দুমাহ ধৰি বন্ধ হৈ আছে আৰু ইয়াৰ কৰ্মচাৰীয়ে পেটৰ তাৰণাত হোটেলকে ধৰি বিভিন্ন ঠাইত দিন হাজিৰা কৰি জীৱন নিৰ্বাহ কৰিব লগা হৈছে। যিহেতু কলটোৰ পৰিচালনা সমিতিৰ সভাপতিৰ দায়িত্বত খোদ মন্ত্ৰী কেশৱ মহন্ত থকাৰ পাছতো মিলটোৰ এনে অৱস্থাক মিলটোৰ কৰ্মচাৰী সকলে তীব্ৰ ক্ষোভিত হৈ আছে আৰু ইয়াৰ প্ৰভাৱ এইবাৰ নিৰ্বাচনত পৰিব বুলি সচেতন মহলত চৰ্চা হোৱা দেখা গৈছে। ইফালে কলিয়াবৰ তিনিআলিৰ পৰা নুমলীগড়ৰলৈ নিৰ্মাণ হ'ব লগা ফ'ৰলাইন জখলাবন্ধা চহৰৰ মাজেৰে যাব লগে বুলি আজি তিনিবছৰ ধৰি কুঁৱৰীটোল, চতিয়াল, হাটবৰ, সৰুভগীয়া, জখলাবন্ধা, বাঘজানকে ধৰি এই অঞ্চলৰ লোকসকলে সংগ্ৰাম কৰি আহিছে যদিও এইক্ষেত্ৰত বিধায়ক কেশৱ মহন্তৰ ভূমিকা সন্দেহজনক আখ্যা দিয়াৰ লগতে ৰাইজে তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰা আমাৰ দৃষ্টিগোচৰ হৈছে। এনেধৰণৰ বিভিন্ন প্ৰত্যাহ্বানক নেওচি কিদৰে কলিয়াবৰত বিজয় ধ্বজা উৰোৱাই ৰাখিবলৈ সক্ষম হ'ব সময়ত দেখিবলৈ পোৱা যাব। ইফালে ৰাইজৰ দলৰ প্ৰাৰ্থী প্ৰদীপ বৰুৱাই সংখ্যালঘু ভোটাৰৰ মন জয় কৰি কেনেধৰণে বিজয় সাব্যস্ত কৰিব পাৰে সেয়াও এক লক্ষণীয় হ'ব। কলিয়াবৰৰ সমষ্টিৰ দুটা দশক ধৰি দপদপায় থকা কেশৱ মহন্তৰ দৰে বৃহৎ শক্তিৰ ওচৰত নিৰ্দলীয় প্ৰাৰ্থী জীতেন গৌড়ে কেনেধৰণৰ প্ৰত্যাহ্বান খাড়া কৰিব পাৰিব সেয়া অনাগত দিনত সকলোৰে দৃষ্টি নিবদ্ধ হৈ থাকিব। উল্লেখ্য যে মুঠ ১,৯৪,৩৪৪জন ভোটাৰে এইবাৰ সমষ্টিটোৰ পৰা মুঠ তিনিগৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব।

অসম গৰিয়া পৰিষদ - সদৌ অসম অন্যান্য অতি পিছপৰা মৰিয়া (মুছলমান) সন্থাৰ সংবাদমেল

# "অসম গণ পৰিষদৰ জৰিয়তেহে সংখ্যালঘুৰ সম অধিকাৰ-সমউন্নয়ন সম্ভৱ"

**অসম বাৰ্তা, গৌৰীমাৰী, ৩১ মাৰ্চ** ঃ অসমৰ সংখ্যালঘু জনসাধাৰণৰ সম উন্নয়ন আৰু সমঅধিকাৰৰ কথা চিন্তা কৰা একমাত্ৰ দলটো হৈছে অসম গণ পৰিষদ। অসম গণ পৰিষদৰ জৰিয়তেহে সংখ্যালঘুৰ উন্নয়ন সম্ভৱ। আজি গৌৰীমাৰীস্থিত ছমৰীয়া সমষ্টিৰ অগপৰ মুখ্য কাৰ্যালয়ত আয়োজিত এক সংবাদমেল যোগে এই কথা সদৰি কৰে অসম গৰিয়া পৰিষদৰ সাধাৰণ সম্পাদক মইনুল হকে। আজি আয়োজিত এক সংবাদমেলত পৰিষদৰ নেতৃত্বই কয় যে অসমৰ বিভিন্ন জাতি-গোষ্ঠীৰ সমান্তৰালকৈ সংখ্যালঘুৰ সমউন্নয়ন আৰু সমঅধিকাৰৰ কথা চিন্তা কৰি অসম গণ পৰিষদে ১৯৯৮ চনত অসম সংখ্যালঘু পৰিক্ৰমা বিভাগ এটা গঠন কৰিছিল। যাৰ জৰিয়তে সংখ্যালঘু ৰাইজক বিভিন্ন সা-সুবিধা প্ৰদান কৰিছিল। এই বিভাগটোৰ অধীনত সংখ্যালঘু উন্নয়ন বৰ্ড, সংখ্যালঘু বিত্ত নিগম, সংখ্যালঘু আয়োগ, চৰ উন্নয়ন সঞ্চালকালয় গঠন কৰি সংখ্যালঘু লোকসকলৰ উন্নয়ন কথা চিন্তা কৰিছিল। এই বিভাগটো গঠন কৰাৰ ক্ষেত্ৰত হাজো সমষ্টিৰ সেই সময়ৰ বিধায়ক তথা অসম চৰকাৰৰ মন্ত্ৰী নুৰুল হুছেইনৰ অৰিহণা উল্লেখযোগ্য। অসম গণ পৰিষদ দলৰ দলগাঁও বিধানসভা সমষ্টিৰ বিধায়ক আব্দুল জবুৰক অসমৰ প্ৰথমজন সংখ্যালঘু মন্ত্ৰী হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল। সংখ্যালঘু বিভাগটোৰ জৰিয়তে এ.এন.এম., জি.এন.এম., বিউটিচিয়ান, লেব টেকনিচিয়ান আদি বিভিন্ন পাঠ্যক্ৰমৰ বিনামূলীয়া সুবিধা দি সংখ্যালঘু লোকসকলক বিভিন্ন ক্ষেত্ৰত আগুৱাই লৈ যোৱাৰ এক পদক্ষেপ গ্ৰহণ কৰিছিল। একেদৰে সংখ্যালঘু বিত্ত নিগমটোৰ জৰিয়তে নিবনুৱা যুৱক-যুৱতীসকলক আৰ্থিক অনুদানৰ জৰিয়তে ব্যৱসায় বাণিজ্য কৰাৰ সুবিধা কৰি দিছিল। ইয়াৰ উপৰিও সংখ্যালঘু পৰিক্ৰমা বিভাগে জিলা আয়ুক্তসকলৰ জৰিয়তে এম.এছ.ডি.পি.আঁচনিৰ যোগেদি বিভিন্ন বিদ্যালয়ৰ আন্তঃগাঁথনি, অংগনবাড়ী কেন্দ্ৰ, ৰাজহুৱা প্ৰেক্ষাগৃহ, খোৱাপানীৰ ব্যৱস্থা, ৰাজহুৱা শৌচালয় আদি নিৰ্মাণ কৰাটো আমাৰ দৃষ্টিগোচৰ হৈছে। যি সকল ব্যক্তিয়ে এই বিভাগটোৰ নিগম আৰু বৰ্ড, আয়োগত অধ্যক্ষ হৈ কাৰ্যনিৰ্বাহ কৰিছিল বা বৰ্তমানেও কাৰ্য্যনিৰ্বাহ কৰি আছে এয়া অসম গণ পৰিষদ দলৰে অৱদান বুলি দোহাৰে পৰিষদৰ নেতাজনে। আনহাতে চৰ উন্নয়ন সঞ্চালকৰ জৰিয়তেও সংখ্যালঘু ৰাইজক বিভিন্ন প্ৰকাৰে সা-সুবিধা প্ৰদান কৰা বুলি উল্লেখ কৰি তেওঁ কয় যে এই বিভাগটোৰ জৰিয়তে চৰ অঞ্চলৰ যুৱতী-যুৱতীসকলক আত্মনিৰ্ভৰশীল হ'ব পৰাকৈ এ.এন.এম., জি.এন.এম., বিউটিচিয়ান, লেব টেকনিচিয়ান আদিৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছিলি। উল্লেখ্য যে চৰত বসবাস কৰা লোকসকলক বানপানীৰ পৰা পৰিত্ৰাণ দিবলৈ গৰু-ম'হ আৰু মানুহ থকাৰ বাবে ওখ ভেটি নিৰ্মাণ কৰাৰ উপৰিও কৃষকসকলক বিভিন্ন সা-সুবিধা প্ৰদান কৰিছিল। প্ৰণিধানযোগ্য যে ১৯৮৮-১৯৮৯ চনত ভূমি আইনৰ অধীনত অসম গণ পৰিষদে ভূমিহীন সংখ্যালঘু লোকৰ মাজত বসতি আৰু খেতিবাতি কৰাৰ বাবে ৮ বিঘাকৈ ভূমি দিছিল। কিন্তু পৰৱৰ্তী সময়ত কংগ্ৰেছ চৰকাৰে এই আইনৰ সংশোধনী ঘটোৱাৰ ফলত এই লোকসকল উচ্ছেদৰ সন্মুখীন হ'বলগীয়া হৈছে। আনহাতে আজিৰ সংবাদমেলত উপস্থিত থকা সদৌ অসম অন্যান্য অতি পিছপৰা মৰিয়া (মুছলমান) সন্থাৰ কাৰ্য্যকৰী সভাপতি তৌফিকুল ইছলামে অগপৰ প্ৰতি কৃতজ্ঞতা স্বীকাৰ কৰি কয় যে অগপৰ বৰ্তমানৰ মন্ত্ৰী কেশৱ মহন্তৰ বাবেই মৰিয়া উন্নয়ন পৰিষদ গঠন হৈছিল। মৰিয়া উন্নয়ন পৰিষদৰ জৰিয়তে মৰিয়াসকলেও বিভিন্ন চৰকাৰী আঁচনিৰ জৰিয়তে উপকৃত হৈছে। সেয়েহে অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ সমান্তৰালভাৱে সংখ্যালঘুৰ সমঅধিকাৰ আৰু সমউন্নয়নৰ বাবে চিন্তা কৰা দলটো অসম গণ পৰিষদ বুলি পৰিষদে দোহাৰে। আজিৰ সংবাদমেলত পৰিষদৰ সভাপতি আব্দুল হামিদ, উপ-সভাপতি কলিমুদ্দিন আহমেদ, গৰিয়া উন্নয়ন পৰিষদৰ সদস্য গহেৰ আলী, সদৌ অসম অন্যান্য অতি পিছপৰা মৰিয়া (মুছলমান) সন্থাৰ তথ্য প্ৰযুক্তি সম্পাদক আলিমুদ্দিন আহমেদ উপস্থিত থাকে।

# অসম চাহ জনগোষ্ঠী জাতীয় মহাসভাৰ ২৪ তম্ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসৰ লাইখুঁটা স্থাপন

**মাকুম, ৩১ মাৰ্চ** ঃ অসমীয়া জাতিৰ এক বৃহৎ অংগ চাহ জনগোষ্ঠী লোক সকলৰ জাতীয় সমস্যা সমূহ সমাধান, জনগোষ্ঠীৰ জাতি- সমাজৰ মাজত সমতা স্থাপন, সামাজিক, ৰাজনৈতিক, শৈক্ষিক, সাংস্কৃতিক, অৰ্থনৈতিক সচেতনতা জাগ্ৰত কৰি কু-সংস্কাৰ, অন্ধবিশ্বাস দূৰীকৰণৰ জৰিয়তে বিজ্ঞসনসন্মত সমাজ প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্যে ২০০৩ চনত ৬ এপ্ৰিলত অসম চাহ জনগোষ্ঠী জাতীয় মহাসভাই জন্ম লাভ কৰিছিল। জন্ম লগ্নৰে পৰাই জাতীয় মহা সভাই প্ৰত্যেক জিলাতে উক্ত দিনটো প্ৰতিষ্ঠা দিৱস পালন কৰি আহিছে। বিগত বৰ্ষ সমূহৰ দৰে অহা ৬ এপ্ৰিল তাৰিখে অসম চাহ জনগোষ্ঠী জাতীয় মহাসভা তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত তথা মাকুম আঞ্চলিক আৰু উদ্‌যাপন সমিতিৰ সহযোগত আৰু শুকানপুখুৰী চাহ বাগিচা সমূহ ৰাইজৰ আতিথ্যত মাকুম শুকান পুখুৰী চাহ বাগিচাৰ প্ৰেক্ষাগৃহত দিনজোৰা বিস্তৃত কাৰ্যসূচীৰে ২৪ তম কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস অনুষ্ঠিত কৰা হ'ব। আজি উক্ত প্ৰতিষ্ঠা দিৱসৰ লাইখুঁটা ধৰ্মীয় ৰীতি-নীতিৰে সকলো বিষয়ববীয়া সকলৰ উপস্থিতিত স্থাপন কৰা হয়। লাইখুঁটা স্থাপন কৰা স্থানৰ পৰা প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীসমূহ সাফল্য মণ্ডিত কৰি তুলিবলৈ উদ্যোগতা সমিতিৰ হৈ সংবাদ মাধ্যমৰ জৰিয়তে চাহ জনগোষ্ঠীৰ সকলো জাতি-সমাজ তথা শুভাকাংক্ষী ৰাইজৰ উপস্থিতি আৰু সহায়-সহযোগিতাৰ কামনা কৰিছে অসম চাহ জনগোষ্ঠীৰ জাতীয় মহাসভা তিনিচুকীয়া জিলাৰ তথা উদ্‌যাপনৰ সমিতিৰ সভাপতি বাবলু কুলদ্বীপে।

## মঙলদৈত দিন দুপৰতে মহিলাৰ পৰা কাঢ়ি নিলে লক্ষাধিক টকা

**অসম বাৰ্তা, মঙলদৈ, ৩১ মাৰ্চ** ঃ নিৰ্বাচনৰ গৰম বতাহৰ মাজতে মঙ্গলবাৰে মঙলদৈ শান্তিপুৰত দিন দুপৰতে কলা ৰঙৰ বাইকত অহা দুটা দুৰ্বৃত্তই কাঢ়ি নিলে এক লাখ চাৰিশ হাজাৰ টকা। CCTV ত বন্দী সমগ্ৰ দৃশ্য। মঙলদৈ ষ্টেট বেংকৰ পৰা ধনখিনি উলিয়াই ঘৰমুৱা হোৱাৰ সময়ত পৰিয়ালটোৰ মহিলা গৰাকীৰ হাতৰ পৰা মোনা সহিতে কাঢ়ি নিয়ে নগদ ধন খিনি। LICৰ বীমাৰ মেচিয়ৰটি আছিল ধন খিনি। ধনখিনি হেৰুৱাই শোকত ভাগি পৰিছে মঙলদৈ চমুৱা পাৰা নিবাসী তিলক ডেকাৰ পৰিয়ালটি। উল্লেখযোগ্য যে তিলক ডেকাৰ পত্নী লাবণ্য ডেকাৰ হাতৰ পৰা কাঢ়ি নিয়ে ধন খিনি। প্ৰায়ে এনেধৰণৰ ঘটনা চহৰ খনত ঘটি আছে যদিও মঙলদৈ আৰক্ষীয়ে ৰোধ কৰিব পৰা নাই। এই ঘটনা সংক্ৰান্তত মঙলদৈ আৰক্ষীয়ে ইতিমধ্যে তদন্ত আৰম্ভ কৰিছে।

**NAME CORRECTION**

Swarn before Notary Public at Garamur, Majuli, dated on 03-12-2025, that in my mother's Assam Gramin Vikash Bank Passbook bearing, A/C No.- 7209029000455, Branch- Nayabazar, Majuli her name has been wrongly recorded as PESON SAIKIA instead of SMTI. BINUMAI SAIKIA. But her actual name is SMTI. BINUMAI SAIKIA, which is recorded in her Aadhar Card bearing Aadhar No. 7731 1549 6541. Both SMTI. BINUMAI SAIKIA and PESON SAIKIA is the same name and i.e. my mother. Applying for correction at the appropriate authority.

SRI. BIREN SAIKIA
S/O- Gunaram Saikia
R.O.- Kathamia Gaon
P.O.- Bhakatiduar
P.S.- Jengraimukh
Dist - Majuli, Assam

মোৰ মাৰ অসম গ্ৰামীণ বিকাশ বেংকৰ, নয়াবজাৰ(মাজুলী) শাখাৰ বেংক একাউণ্টৰ পাচবুকত (একাউণ্ট নং 7209029000455) মাৰ নামটো ভুলবশত বিনুমাই শইকীয়াৰ পৰিৱৰ্তে পেচন শইকীয়া হৈ আছে। গড়মূৰ, মাজুলীত নটাৰী-যোগে জনাও যে বিনুমাই শইকীয়া আৰু পেচন শইকীয়া একেগৰাকী ব্যক্তি অৰ্থাৎ মোৰ মা।

AB-39/2026

**NAME CORRECTION**

Swarn before Notary Public at Bilasipara on 09-03-2026, that in my Bank passbook of Assam Gramin Vikash Bank vide A/C no.- 7150010006732, Lakhiganj Branch my name has been wrongly recorded as RUPESHORI BALA DEVI instead of RUPESHWARI NATH. But my actual name is RUPESHWARI NATH, which is recorded in my all relevant papers and documents including in Aadhaar card vide no. 9510 1470 7313, PAN Card vide no. BJBPN0601F. Both RUPESHWARI NATH and RUPESHORI BALA DEVI is the same name and i.e. myself. Applying for correction at the appropriate authority.

RUPESHWARI NATH
W.O.- Naresh Chandra Nath
R.O.- Udmari pt 3
P.O.- Lakhiganj
P.S.- Bilasipara
Dist- Dhubri, Assam

AB-38/2026

## আজি অসমলৈ আহিব

কলিয়াবৰৰ মিছা হাইস্কুল খেলপথাৰত অমিত শ্বাহে এখন বিশাল জনসভাত ভাষণ দিব। এই সভাত অগপ প্ৰাৰ্থী তথা বৰ্তমানৰ বিধায়ক কেশৱ মহন্তৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে। মিছাত অমিত শ্বাহক আদৰিবলৈ ইতিমধ্যে বিস্তৃত প্ৰস্তুতি চলোৱা হৈছে। কেশৱ মহন্তই সংবাদ মাধ্যমৰ আগত কয়, "আমি গৌৰৱান্বিত যে ভাৰতৰ গৃহমন্ত্ৰী অমিত শ্বাহ কলিয়াবৰলৈ আহিব। মিছা হাইস্কুলৰ খেলপথাৰত বিয়লি দুই বজাত তেওঁ উপস্থিত হ'ব। কলিয়াবৰবাসীয়ে তেওঁক আন্তৰিক আদৰণি জনাব। তেওঁৰ উপস্থিতিয়ে আমাক অধিক শক্তিশালী কৰিব আৰু ৰাইজক উৎসাহিত কৰিব। সভাত বিশ হাজাৰৰো অধিক লোকৰ সমাগম হ'ব বুলি আশা কৰা হৈছে।" মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কলিয়াবৰত প্ৰচাৰ চলাব নেকি বুলি সোধা প্ৰশ্নৰ উত্তৰত কেশৱ মহন্তই কয় যে মুখ্যমন্ত্ৰীৰ এইকেইদিন ব্যস্ততাপূৰ্ণ কাৰ্যসূচী আছে। প্ৰতিকূল বতৰৰ বাবে কিছুমান অনুষ্ঠান এৰা ধৰা কৰিবলগীয়া হৈছে যদিও শেষ মুহূৰ্তত মুখ্যমন্ত্ৰী আহিব বুলি আশা কৰা হৈছে। অমিত শ্বাহে ২ আৰু ৩ এপ্ৰিল দুদিনীয়া কাৰ্যসূচীৰে অসম ভ্ৰমণ কৰিব। বৃহস্পতিবাৰে দুপৰীয়া ২ বজাত তেওঁ লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমানবন্দৰত উপস্থিত হ'ব। তাৰ পৰা হেলিকপ্টাৰযোগে পোনে পোনে মিছালৈ যাব। মিছাত সভাৰ পাছত হেলিকপ্টাৰযোগে খানাপাৰালৈ আহি নিশাটো কইনাধৰাস্থিত ৰাজ্যিক অতিথিশালাত কটাব। ৩ এপ্ৰিলত দিনৰ ১১ বজাত তেওঁ হেলিকপ্টাৰযোগে ৰাতিয়াদহত উপস্থিত হ'ব আৰু গোলকগঞ্জ সমষ্টিৰ প্ৰাৰ্থী অশ্বিনী ৰয় সৰকাৰৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব। তাৰ পাছত দুধনৈ সমষ্টিৰ প্ৰাৰ্থী টংকেশ্বৰ ৰাভাৰ হৈ জনসভাত ভাষণ দিব। দুধনৈৰ পাছত পলাশবাৰী সমষ্টিৰ বিজেপি প্ৰাৰ্থী হিমাংশু শেখৰ বৈশ্যৰ হৈ ছয়গাঁৱত এখন নিৰ্বাচনী সভাত জনতাক সম্বোধন কৰিব। সভাৰ অন্তত তেওঁ পুনৰ নতুন দিল্লীলৈ উভতি যাব। অসমত নিৰ্বাচনী প্ৰচাৰৰ শেষ পৰ্যায়ত অমিত শ্বাহৰ এই দুদিনীয়া ভ্ৰমণে বিজেপিৰ প্ৰচাৰক অধিক জোৰদাৰ কৰি তুলিব বুলি দলীয় নেতৃত্বই আশা কৰিছে।

## বিন্নাকান্দিত আজমলৰ প্ৰাৰ্থীত্বৰ মাজতে এআইইউডিএফত ভাঙোন

**অসম বাৰ্তা, ডবকা, ৩১ মাৰ্চ** ঃ হোজাই জিলাৰ সংখ্যালঘু অধ্যুষিত বিন্নাকান্দি সমষ্টিত নিৰ্বাচনী পৰিস্থিতি দিনক দিনে অধিক উত্তেজনাপূৰ্ণ হৈ উঠিছে। এইবাৰ সমষ্টিটোত এআইইউডিএফ দলৰ মুৰব্বী বদৰুদ্দিন আজমল নিজে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ পাছতেই ৰাজনীতিত বিশেষ চাঞ্চল্যৰ সৃষ্টি হৈছে। ইয়াৰ মাজতে এআইইউডিএফ দলৰ ভিতৰত অসন্তোষৰ সুৰ অধিক প্ৰবল হৈ উঠা দেখা গৈছে। অভিযোগ অনুসৰি বিগত সময়ছোৱাত সমষ্টিটোত উন্নয়নমূলক কাম-কাজ সঠিকভাৱে সম্পন্ন নোহোৱাৰ ফলত বহু দলীয় নেতা-কৰ্মীৰ মাজত অসন্তুষ্টি বৃদ্ধি পাইছে। এই অসন্তুষ্টিৰ ফলস্বৰূপে দল ত্যাগৰ জোৱাৰো দেখা গৈছে। সোমবাৰে এআইইউডিএফৰ যুৱ মৰ্চাৰ সম্পাদক ৰাজা মৰাদ চৌধুৰীয়ে এআইইউডিএফ দল ত্যাগ কৰে। তাৰ পিছত তেওঁ ডবকা নগৰৰ দুই শতাধিক যুৱকক লগত লৈ ডবকাস্থিত অসম গণ পৰিষদ (AGP)ৰ কাৰ্যালয়ত আনুষ্ঠানিকভাৱে অসম গণ পৰিষদ দলত যোগদান কৰে। উক্ত যোগদান অনুষ্ঠানত অসম গণ পৰিষদ দলৰ হোজাই জিলা সভাপতি মোহাম্মদ আলী সহ আন কেইজনমান স্থানীয় নেতৃত্ব উপস্থিত থাকি নতুনকৈ যোগদান কৰা কৰ্মীসকলক উষ্ম আদৰণি জনায়। ৰাজা মৰাদ চৌধুৰীয়ে কয় যে, জনসাধাৰণৰ স্বাৰ্থত কাম কৰাৰ লক্ষ্যৰে তেওঁলোকে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ লগতে আগন্তুক বিধানসভা নিৰ্বাচনৰ পূৰ্বে এই ধৰণৰ দল-বদল ঘটনাই বিন্নাকান্দি সমষ্টিৰ ৰাজনৈতিক সমীকৰণত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাব।

নিৰ্বাচনৰ দিনটোলৈ কংগ্ৰেছত কেৱল প্ৰাৰ্থীগৰাকীহে থাকিবগৈ ঃ ৰূপেশ গোৱালা

# নিৰ্বাচনৰ পূৰ্বে ডুমডুমাৰ কংগ্ৰেছ শিবিৰত মোক্ষম আঘাত

## অৱসৰপ্ৰাপ্ত শিক্ষক, নাট্যকৰ্মী, সমাজকৰ্মী সহ ডেৰ সহস্ৰাধিক নেতা-কৰ্মীৰ বিজেপিত যোগদান



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৩১ মাৰ্চ** ঃ অসম বিধানসভাৰ নিৰ্বাচনলৈ মাজত মাত্ৰ আঠটা দিন বাকী থকা অৱস্থাত আজি ৮২ নং ডুমডুমা বিধানসভা সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী তথা সমষ্টিটোৰ দুটা কাৰ্যকালৰ বিধায়ক, বৰ্তমান তিনিচুকীয়া জিলা কংগ্ৰেছ কমিটিৰ সভাপতি দুৰ্গা ভূমিজৰ শিবিৰত মোক্ষম আঘাত হানি দলটোৰ কেইবাজনো আগশাৰীৰ নেতাৰ সৈতে ডেৰ সহস্ৰাধিক দলীয় কৰ্মীয়ে আনুষ্ঠানিকভাৱে ভাৰতীয় জনতা পাৰ্টিত যোগদান কৰে। বিজেপিৰ ডুমডুমা বিধানসভা সমষ্টিৰ প্ৰাৰ্থী তথা বৰ্তমানৰ বিধায়ক, অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালা আৰু আন আন দলীয় নেতৃবৃন্দৰ উপস্থিতিত বিজেপিৰ ডুমডুমা সমষ্টিৰ কাৰ্যালয়ত অনুষ্ঠিত এক বৃহৎ যোগদান সমাৰোহত কংগ্ৰেছ দলৰ পৰা অহা এইসকল নেতা-কৰ্মীয়ে বিজেপি দলত আনুষ্ঠানিকভাৱে যোগদান কৰে। তেওঁলোকৰ উপৰিও ডুমডুমা বিধানসভা সমষ্টিৰ অন্তৰ্গত বহুকেই গৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক, সমাজকৰ্মী তথা নাট্যকৰ্মীয়েও আজি বিজেপি দলত আনুষ্ঠানিকভাৱে যোগদান কৰে। আজি কংগ্ৰেছ দলত যোগদান কৰা কেইগৰাকীমান উল্লেখযোগ্য নেতা হ'ল তিনিচুকীয়া জিলা কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক তথা ডুমডুমা বিধানসভা সমষ্টিৰ নিৰ্বাচনী প্ৰচাৰ কমিটিৰ সম্পাদক সন্তোষ শ্বাহ, তিনিচুকীয়া জিলা কংগ্ৰেছ কমিটিৰ সহকাৰী সাধাৰণ সম্পাদক তথা ডুমডুমা বিধানসভা সমষ্টিৰ নিৰ্বাচনী প্ৰচাৰ কমিটিৰ সহকাৰী সম্পাদক পৰশুৰাম তাঁতী, তিনিচুকীয়া জিলা কংগ্ৰেছ কমিটিৰ কাৰ্যনিৰ্বাহক সদস্য তথা ডুমডুমা বিধানসভা সমষ্টিৰ নিৰ্বাচনী প্ৰচাৰ কমিটিৰ সহকাৰী সম্পাদক প্ৰদীপ চক্ৰৱৰ্তী, তিনিচুকীয়া জিলা কংগ্ৰেছ কমিটিৰ সামাজিক মাধ্যম কোষৰ প্ৰভাৰী ৰাম কুমাৰ গুপ্তা, ডুমডুমা মণ্ডল কংগ্ৰেছ কমিটিৰ ভাষিক সংখ্যালঘু কোষৰ সভাপতি প্ৰতাপ নন্দী। তদুপৰি কেই বাখনো গাঁও পঞ্চায়তৰ ৱাৰ্ড সদস্য, প্ৰাক্তন ৱাৰ্ড সদস্য, আঞ্চলিক পঞ্চায়তৰ প্ৰাক্তন সদস্য, জিলা পৰিষদৰ প্ৰাক্তন সদস্য, বুথ কমিটিৰ সভাপতি, সম্পাদক আদিয়েও আজি বিজেপিত যোগদান কৰে। ইয়াৰ লগতে বিশিষ্ট নাট্যকাৰ, পৰিচালক আৰু অভিনেতা জয়সূৰ্য বৰা, ফিল'বাৰী অঞ্চলৰ অৱসৰপ্ৰাপ্ত শিক্ষক তথা সমাজকৰ্মী জ্যোতিষ মেধি, যুৱ নেতা ৰাজীৱ বৰুৱা প্ৰমুখ্যে আন কেই বাজনো অৱসৰপ্ৰাপ্ত শিক্ষক, সমাজকৰ্মী, আদিয়ে এই অনুষ্ঠানতেই বিজেপিত আনুষ্ঠানিকভাৱে যোগদান কৰে। এই নৱাগত সদস্যসকলক দললৈ আদৰণি জনাই বিজেপি দলৰ প্ৰাৰ্থী তথা বৰ্তমানৰ বিধায়ক আৰু মন্ত্ৰী ৰূপেশ গোৱালাই কংগ্ৰেছ দলক তীব্ৰ সমালোচনা কৰি কয় যে কংগ্ৰেছৰ নেতাসকলে সদায় নিজৰ ব্যক্তিগত উন্নতিক আগস্থান দি আহিছে। তাৰ বিপৰীতে বিজেপিয়ে সদায় ৰাষ্ট্ৰক প্ৰথম, দলক দ্বিতীয় আৰু নেতাক তৃতীয় স্থান দিয়ে। সেয়ে আজি সমগ্ৰ দেশতে ৰাইজে কংগ্ৰেছক প্ৰত্যাখ্যান কৰি বিজেপি দলক আকোঁৱালি লৈছে। কংগ্ৰেছ প্ৰাৰ্থী দুৰ্গা ভূমিজৰ নাম উল্লেখ নকৰাকৈ ৰূপেশ গোৱালাই আৰু কয় যে কংগ্ৰেছৰ নেতা-কৰ্মীসকলে এইদৰে দল ত্যাগ কৰি থাকিলে নিৰ্বাচনৰ দিনটোলৈ কংগ্ৰেছত কেৱল প্ৰাৰ্থীগৰাকীহে থাকি বগৈ। তেওঁৰ পুলিং এজেণ্ট কৰিবলৈও কোনো কৰ্মী দলটোত নাথাকিব বুলি তেওঁ কটাক্ষ কৰে। তেওঁ নৱাগত সদস্যসকলক দলে বিভিন্ন সময়ত অনুষ্ঠিত কৰা দলীয় প্ৰশিক্ষণ কাৰ্যসূচীসমূহত অংশগ্ৰহণ কৰি বিজেপি দলৰ নীতি আদৰ্শৰ বিষয়ে ভালদৰে বুজি লৈ ৰাষ্ট্ৰ, সমাজ আৰু দলৰ বাবে কাম কৰিবলৈ আহ্বান জনায়। এই যোগদান কাৰ্যসূচীত উপস্থিত থকা মধ্য প্ৰদেশ বিজেপিৰ জ্যেষ্ঠ নেতা তথা ডুমডুমা বিধানসভা সমষ্টিৰ প্ৰবাসী প্ৰভাৰী বিনোদ গটিয়াইও নৱাগত সদস্যসকলক দলৰ সংগঠন আৰু অধিক শক্তিশালী কৰাৰ লগতে আগন্তুক বিধানসভা নিৰ্বাচনৰ বাবে নিজ নিজ অঞ্চলত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী ৰূপেশ গোৱালাৰ হৈ প্ৰচাৰ চলাবলৈ আহ্বান জনায়। আনহাতে, কংগ্ৰেছ ত্যাগী নেতা-কৰ্মীসকলে দুৰ্গা ভূমিজৰ কাম কাজত অসন্তুষ্ট হৈ দল ত্যাগ কৰা বুলি সংবাদ মাধ্যমৰ আগত ব্যক্ত কৰে। তদুপৰি বিগত সময়ছোৱাত ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক হিচাপে ৰূপেশ গোৱালাই সমষ্টিটোত কৰা উন্নয়নমূলক কাম-কাজৰ লগতে বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ কাম কাজৰ প্ৰতি আকৰ্ষিত হৈ বিজেপি দলত যোগদান কৰা বুলি কয়। আজিৰ এই যোগদান কাৰ্যসূচীয়ে সমষ্টিটোত বিজেপিৰ প্ৰাৰ্থী ৰূপেশ গোৱালাৰ বিজয় সুনিশ্চিত কৰিলে বুলি দলটোৰ নেতা কৰ্মীসকলে কয়। ইপিনে যোৱা নিশা পৰ্যন্ত কংগ্ৰেছ দলৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই থকা এইসকল নেতা-কৰ্মীৰ বিজেপি গমন দুৰ্গা ভূমিজৰ শিবিৰৰ বাবে এক মোক্ষম আঘাত হিচাপে বিবেচিত হৈছে। দলৰ নেতা-কৰ্মীসকলক বিশেষ গুৰুত্ব নিদি নিজৰ মতেৰে দল পৰিচালনা কৰা বুলি দুৰ্গা ভূমিজৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰিছে আন বহুতো কংগ্ৰেছ কৰ্মীয়েও। বিশেষকৈ নিৰ্বাচনৰ কামত হোৱা প্ৰয়োজনীয় খা-খৰচৰ বাবেও কৰ্মীসকলক ধন মোকলাই নিদিয়াৰো অভিযোগ উত্থাপন কৰিছে কৰ্মীসকলে। এনে পৰিস্থিতিত নিষ্ঠাবান কংগ্ৰেছ কৰ্মীসকলো হতাশাত ভুগি দল ত্যাগ কৰিবলৈ বাধ্য হৈছে বুলি দলৰে একাংশ নেতা কৰ্মীয়ে মত প্ৰকাশ কৰিছে। এইদৰে চলি থাকিলে ডুমডুমা সমষ্টিত নিৰ্বাচনী যুঁজখন একপক্ষীয় হোৱাৰ সম্ভাৱনাই অধিক।

▫ একেখন মঞ্চত হাগ্ৰামা মহিলাৰী আৰু জয়ন্ত মল্লবৰুৱা ▫

# দুধনৈত টংকেশ্বৰ ৰাভাৰ সমৰ্থনত বিশাল নিৰ্বাচনী সভা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ৩১ মাৰ্চ ঃ** নিৰ্বাচনী ৰণশিঙা বাজি উঠাৰ লগে লগে এতিয়া দুধনৈ সমষ্টিত বিজেপিৰ ব্যাপক তৎপৰতা দেখিবলৈ পোৱা গৈছে। আজি দুধনৈৰ ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত “বিজয় সংকল্প সভা”ত ১৫নং দুধনৈ অনুসুচিত জনজাতি বিধানসভা সমষ্টিৰ এনডিএ সমৰ্থিত প্ৰাৰ্থী টংকেশ্বৰ ৰাভাৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাবলৈ আকাশীপথেৰে উপস্থিত হয় বিপিএফ (BPF) প্ৰধান হাগ্ৰামা মহিলাৰী আৰু ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী জয়ন্ত মল্লবৰুৱা। শাসকীয় মিত্ৰজোঁটৰ সমৰ্থিত প্ৰাৰ্থীগৰাকীৰ জয় নিশ্চিত কৰিবলৈ আজি দুয়োগৰাকী নেতাই ঐক্যবদ্ধ শক্তি প্ৰদৰ্শন কৰে। সভাত ভাষণ প্ৰদান কৰি মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই কয় যে ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ এলেকাত উন্নয়নৰ ধাৰা অব্যাহত ৰাখিবলৈ টংকেশ্বৰ ৰাভাক পুনৰ জয়ী কৰোৱাটো অতি প্ৰয়োজনীয়। তেওঁ চৰকাৰৰ বিভিন্ন জনহিতকৰ আঁচনিৰ কথা উল্লেখ কৰি বিৰোধী পক্ষক তীব্ৰ সমালোচনা কৰে। আনহাতে, বিপিএফ প্ৰধান হাগ্ৰামা মহিলাৰীয়ে নিজৰ ভাষণত কয় যে অঞ্চলটোৰ শান্তি আৰু সম্প্ৰীতি বৰ্তাই ৰাখিবলৈ টংকেশ্বৰ ৰাভাৰ কোনো বিকল্প নাই। সেয়েহে এই বিশাল জনসভাত তেওঁ সকলো জাতি জনগোষ্ঠীৰ ভোটাৰ ৰাইজক পদুমফুলৰ ছবিত ভোট দি জয়ী কৰাবলৈ আহ্বান জনোৱাৰ লগতে ৰাভা হাছং আৰু বিটিআৰ (BTR) এলেকাৰ মাজত সমন্বয় ৰক্ষা কৰি চলিবলৈ জনসাধাৰণক আহ্বান জনায়। দুধনৈৰ ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত এই সভাত হাজাৰ হাজাৰ সমৰ্থকৰ সমাগম ঘটে। বিপিএফ আৰু বিজেপি এজিপিৰ এই যুটীয়া প্ৰচাৰে সমষ্টিটোত এক নতুন মাত্ৰা প্ৰদান কৰিছে। মিত্ৰজোঁটৰ প্ৰচাৰৰ বিপৰীতে বিৰোধী কংগ্ৰেছে প্ৰচাৰৰ ক্ষেত্ৰত কোনোধৰণৰ চমক সৃষ্টি কৰিব পৰা নাই। আজিৰ সভাত আধুনিক নৃত্যৰে এনডিএ প্ৰাৰ্থীগৰাকীক উষ্ম আদৰণি জনোৱা হয়। আনহাতে প্ৰাৰ্থী টংকেশ্বৰ ৰাভাই তেওঁৰ ভাষণত ৰাইজৰ মৰম আৰু আশীৰ্বাদ বিচাৰি কয়, “বিগত সময়ছোৱাত মই যি উন্নয়নৰ কাম কৰিছোঁ, তাৰ ওপৰত ভিত্তি কৰিয়েই ৰাইজে মোক পুনৰ সেৱা কৰাৰ সুযোগ দিব বুলি মোৰ বিশ্বাস। তেওঁ পুনৰ কয়, মই ৰাইজৰ মাজত থাকি সেৱা আগবঢ়াব বিচাৰো। মোৰ লক্ষ্য দুধনৈ বিধানসভা সমষ্টিক ৰাজ্যৰ ১২৬টা সমষ্টিৰ ভিতৰত পাঁচ নম্বৰ স্থানত উপনীত কৰোৱা। টংকেশ্বৰ ৰাভাই আধ্যাত্মিকৰ শৰণাপন্ন হৈ সোমবাৰৰ দিনটোত উত্তৰাখণ্ডৰ কেদাৰনাথ ধামৰ পৰা লৈ অহা প্ৰভু মহাদেৱৰ আশীৰ্বাদপুষ্ট এটা টুপী পিন্ধি নিৰ্বাচনী প্ৰচাৰ চলায়। কেৱল আধ্যাত্মিকতাই নহয়, উন্নয়নৰ দোহাই দি টংকেশ্বৰ ৰাভাই আজিৰ সভাত ৰাইজক উদ্দেশ্যি ঘোষণা কৰে তিনিটাকৈ গুৰুত্বপূৰ্ণ ‘গেৰাণ্টি’। সমষ্টিটোৰ সৰ্বাংগীণ বিকাশৰ স্বাৰ্থত তেওঁ আগবঢ়োৱা এই তিনিটা প্ৰতিশ্ৰুতিয়ে এতিয়া বিশেষ চৰ্চা লাভ কৰিছে। এই তিনিটা প্ৰতিশ্ৰুতি হ'ল ক্ৰমে, ১২৬টা বিধানসভা সমষ্টিৰ ভিতৰত দুধনৈক শীৰ্ষ ৫টা সমষ্টিৰ ভিতৰত স্থান দিয়াৰ লক্ষ্যই এক উচ্চাকাংক্ষী আৰু ইতিবাচক মানসিকতা প্ৰকাশ কৰে। আনহাতে মধ্যভোগী বা ‘দালাল’ৰাজৰ অৱসান ঘটাই ৰাইজৰ সৈতে প্ৰত্যক্ষ সংযোগ স্থাপন কৰাটোৱে শাসন ব্যৱস্থাত স্বচ্ছতা নিশ্চিত কৰিব। ইয়াৰ ফলত চৰকাৰী আঁচনিৰ সুবিধা প্ৰকৃত হিতাধিকাৰীয়ে কোনো বাধা নোহোৱাকৈ লাভ কৰিব পাৰিব। ইয়াৰ উপৰিও ৰাইজৰ মাজত থাকি সমষ্টিবাসীৰ বিভিন্ন সমস্যা সমূহ দূৰৰ পৰা নহয়, বৰঞ্চ ৰাইজৰ মাজত উপস্থিত থাকি সমাধান কৰাৰ যি প্ৰতিশ্ৰুতি আগবঢ়াইছে, সেয়া এজন আদৰ্শ নেতাৰ লক্ষণ বুলি ৰাজনৈতিক মহলত চৰ্চা হৈছে। আনহাতে, বৰ্তমানৰ বিধায়ক যাদৱ স্বৰ্গীয়াৰীয়ে বিজেপিৰ বিৰুদ্ধে যি “টকা দি ভোট কিনা” বা “টকাৰে প্ৰচাৰ চলোৱা”ৰ অভিযোগ একে আশাৰে নস্যাত কৰে টংকেশ্বৰ ৰাভাই। তেওঁ কয় যে, বিজেপি চৰকাৰৰ উন্নয়নমুলক আঁচনিৰ প্ৰতি আকৃষ্ট হৈ ৰাইজৰ স্বতঃস্ফূৰ্ত সমৰ্থন। এয়া প্ৰলোভনৰ ফল নহয়। বিৰোধীয়ে হতাশাত ভুগি এনেবোৰ ভীত্তিহীন অভিযোগ আনিছে। সোমবাৰৰ দিনটোত কাৰিপাৰাত অনুষ্ঠিত এক জনসভাত বহু ভোটাৰ ৰাইজৰ বিজেপিত যোগদান। গণতন্ত্ৰত অভিযোগ আৰু প্ৰতি-অভিযোগ চলি থাকে, কিন্তু শেষ সিদ্ধান্ত ভোটাৰ ৰাইজৰ হাতত থাকে। দুধনৈ সমষ্টিৰ উন্নয়নৰ বাবে এনে স্পষ্ট গেৰাণ্টিয়ে ভোটাৰৰ মনত এক নতুন আশাৰ সঞ্চাৰ কৰিব পাৰে। কেইটামান দিনত দুধনৈ সমষ্টিত নিৰ্বাচনী যুঁজখন অধিক আমোদজনক হৈ পৰিব বুলি ৰাজনৈতিক বিশ্লেষক সকলে মত পোষণ কৰিছে।

প্ৰাক্তন কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালাৰ গৃহ সমষ্টিত পথৰ দুৰৱস্থা

# ডুমডুমাত আধাৰশিলা স্থাপনৰ দুমাহৰ পাছতো নপৰিল এচটা ইটা

## নিৰ্বাচনী চমক নে ৰাইজক প্ৰতাৰণা ?

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ৩১ মাৰ্চ ঃ** ৰাজ্যত চৌদিশে এতিয়া বলিছে নিৰ্বাচনী গৰম বতাহ। কোন সমষ্টিত কোন কাক হৰুৱাব পাৰে, কোনে শেষ হাঁহি মাৰিব পাৰে তাক লৈ এতিয়া ভীষণ ন্যস্ত প্ৰতিগৰাকী প্ৰাৰ্থী। শাসক-বিৰোধী সকলো ব্যস্ত হৈ পৰিছে নিৰ্বাচনত। ৰাজ্যত নিৰ্বাচনী আচৰণ বিধি বলৱৎ হোৱাৰ আগৰলৈকে প্ৰতিগৰাকী প্ৰাৰ্থীয়ে নিজ নিজ সমষ্টিত উন্নয়নমূলক কামৰ আধাৰশিলা স্থাপনত ব্যস্ত হৈ পৰিছিল। চলিছিল আধাৰশিলা স্থাপনৰ অঘোষিত প্ৰতিযোগিতা। এই ক্ষেত্ৰত ব্যতিক্ৰম নাছিল ৮২ নং ডুমডুমা বিধানসভা সমষ্টিও। সমষ্টিটোৰ শাসকীয় বিজেপি দলৰ বিধায়ক তথা শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ বিভাগ (কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা)ৰ মন্ত্ৰী ৰূপেশ গোৱালাই যোৱা ১২ ফেব্ৰুৱাৰীত ২০২৫-২৬ বৰ্ষৰ SOPD-G শিতানত প্ৰায় ৫৮ লাখ টকাৰ ব্যয়েৰে পকীকৰণ হ'বলগীয়া লোক নিৰ্মাণ বিভাগৰ তিনিচুকীয়া, ডুমডুমা, মাকুম আৰু শদিয়া ক্ষেত্ৰীয় পথ সংমণ্ডলৰ অধীনস্থ ছৈখোৱাঘাট অভিমুখী ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা ৰূপাই হাইস্কুল সংযোগী ০.৭৫ কি: মি: দৈৰ্ঘ্যৰ পথচোৱাৰ আধাৰশিলা স্থাপন কৰাৰ আজি প্ৰায় দুমাহৰ পাছতো এচপৰা ইটাও নপৰা কাৰ্যত অঞ্চলটোৰ সচেতন মহলে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰা পৰিলক্ষিত হৈছে। পথচোৱাৰ পকীকৰণৰ বাবে স্থানীয় বিধায়ক তথা কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালাই নিজে ফিতা কাটি আধাৰশিলা স্থাপন কৰিছিল যদিও আজি প্ৰায় দুমাহৰ পাছতো পথচোৱাৰ পকীকৰণৰ কাম আৰম্ভ নোহোৱাত স্থানীয় ৰাইজে অসন্তুষ্টি প্ৰকাশ কৰিছে। উল্লেখ্য যে, বহু প্ৰতীক্ষিত উক্ত পথচোৱাৰ পকীকৰণৰ নামত পূৰ্বতে কেৱল ভেঁকোভাওনা চলাত পথচোৱাই অজি পৰ্য্যন্ত পকীকৰণৰ মুখ নেদেখিলে। পথচোৱাৰ পকীকৰণৰ বাবে স্থানীয় ৰাইজে মন্ত্ৰী-বিধায়কক বহুকেইবাৰ আবেদন-নিবেদন কৰাৰ পিছতো কোনো সুফল পোৱা নাছিল। জৰাজীৰ্ণ পথচোৱাৰ নিৰ্মাণৰ নামত বিগত সময়ত পঞ্চায়তৰ লাখে লাখে টকা শৰাধ হয় যদিও পথচোৱাৰহে কোনো উন্নতি সাধন নহ'ল। অৱশেষত স্থানীয় বিধায়ক তথা কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালাই পথচোৱাৰ পকীকৰণৰ উদ্দেশ্যেৰে আধাৰশিলা স্থাপন কৰাত ৰাইজে এক আশাৰ ৰেঙণি দেখিছিল। পথচোৱাৰ আধাৰশিলা স্থাপন অনুষ্ঠানত ভাষণ প্ৰদান কৰি কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালাই বিধায়ক নিৰ্বাচিত হোৱাৰে পৰা ডুমডুমা সমষ্টিৰ বিভিন্ন সমস্যা সমাধানৰ হকে পদক্ষেপ গ্ৰহণ কৰি অহাৰ লগতে সমষ্টিটোৰ বিভিন্ন ৰাস্তা-ঘাট নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰি আহিছে বুলি উল্লেখ কৰা লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমক সকলো দিশৰ পৰা আগুৱাই নিবলৈ দিনে-নিশাই কাম কৰি অহা বুলি উল্লেখ কৰিছিল। ভাষণ প্ৰসংগত প্ৰাক্তন মন্ত্ৰী ৰূপেশ গোৱালাই ৬৪ কোটি টকা ব্যয়েৰে মাকুম অভাৰব্ৰীজৰ পৰা ডুমডুমা সমষ্টিৰ শেষ সীমা টিপুক দলঙলৈকে জৰাজীৰ্ণ ৰাষ্ট্ৰীয় ঘাইপথচোৱাৰ পুনঃনিৰ্মাণৰ কাম দ্ৰুতগতিত চলি থকা বুলি উল্লেখ কৰা লগতে শান্তিপুৰ গাঁৱৰ এই পথচোৱাৰ নিৰ্মাণৰ কামো অতিশীঘ্ৰেই আৰম্ভ হ'ব বুলিও ৰাজহুৱাভাৱে ঘোষণা কৰিছিল। কিন্তু বিধায়ক তথা প্ৰাক্তন কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালাই ৰাজহুৱাকৈ ঘোষণা কৰিলেও আজি দুমাহৰ পাছতো উক্ত পথচোৱাৰ নিৰ্মাণৰ কাম আৰম্ভ নোহোৱাত অঞ্চলটোৰ ৰাইজে এতিয়া পথচোৱাৰ নিৰ্মাণক লৈ সন্দেহ ব্যক্ত কৰিছে। কাৰণ পূৰ্বেও পথচোৱাৰ নিৰ্মাণৰ বাবে দুই-এবাৰ অনুৰূপ আধাৰশিলা স্থাপন হোৱা বুলিও একাংশ স্থানীয় ৰাইজে জানিবলৈ দিছে। প্ৰাক্তন বিধায়ক তথা কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালাই নিৰ্বাচনৰ পূৰ্বেই পথচোৱাৰ পকীকৰণৰ কাম আৰম্ভ হ'ব বুলি ঘোষণা কৰিলেও আজিৰ তাৰিখত সেই ঘোষণা কেৱল ঘোষণা হৈয়েই ৰ'ল। এতিয়া প্ৰশ্ন হৈছে প্ৰাক্তন কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালাই কেৱল নিৰ্বাচনী চমক সৃষ্টি কৰিবলৈকে পথচোৱাৰ আধাৰশিলা স্থাপন কৰিছিল নেকি? ডুমডুমাত সঁচাকৈয়ে আধাৰশিলাৰ ৰাজনীতি আৰম্ভণি হৈছে নেকি? নিৰ্বাচনৰ পূৰ্বে ৰাইজক এনে আভুৱা-ভৰা কাৰ্যক অঞ্চলটোৰ সচেতন ৰাইজে সহজভাৱে ল'ব পৰা নাই। প্ৰাক্তন কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালাৰ এনে আধাৰশিলা ৰাজনীতিক অহা ৯ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া ভোটগ্ৰহণৰ দিনাই ইভিএম যোগে দিব বুলিও স্থানীয় ৰাইজে সকীয়াই দিছে।

**ডুমডুমা মহিলা সমিতিৰ সভানেত্ৰীক সামাজিকভাৱে ‘বয়কট’ কৰাৰ নিকৃষ্ট ষড়যন্ত্ৰৰ বিৰুদ্ধে উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হ'ব ববী বড়া**

# ছমাহে ন্যায়িক যুঁজ অব্যাহত কবি-সাহিত্যিক ববী বড়াৰ; ১৬ ব্যক্তিৰ বিৰুদ্ধে আদালতত গোচৰ ৰুজু

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ৩১ মাৰ্চ ঃ** অসম সাহিত্য সভাৰ আজীৱন সদস্য, কবি-সাহিত্যিক, সমাজসেৱিকা তথা ডুমডুমা মহিলা সমিতিৰ সভানেত্ৰী ববী বড়াক সামাজিকভাৱে ‘বয়কট’ কৰাৰ দৰে এক অতি নিকৃষ্ট ষড়যন্ত্ৰত লিপ্ত হ'ল ডুমডুমা শতদল শাখা সাহিত্য সভাৰ নেতৃত্বত চাহ নগৰী ডুমডুমাৰ প্ৰায় বিশটাকৈ সংগঠন তথা অনুষ্ঠান। মানৱ সৰবৰাহ, ধৰ্ষণ, ড্ৰাগ্‌চ তথা অসামাজিক কাম-কাজত জড়িত সকলৰ বিৰুদ্ধে কঠোৰ স্থিতি লৈ এটা সামাজিক আন্দোলনৰ নেতৃত্ব লোৱাৰ বাবে ডুমডুমা মহিলা সমিতিৰ সভানেত্ৰী ববী বড়াক ‘বয়কট’ কৰাৰ দৰে এক অতি নিকৃষ্টমানৰ ষড়যন্ত্ৰ ৰচনা কৰা হ'ল বুলি অতি সম্প্ৰতি ডুমডুমাৰ একাংশ সচেতন ৰাইজৰ মাজত চৰ্চা চলা পৰিলক্ষিত হৈছে। উল্লেখ্য যে, ইয়াৰ আগতেও ববী বড়াৰ দ্বাৰা স্থাপিত বিদ্যালয়খনত দুৰ্বৃত্তই জুই লগাই ভস্মীভূত কৰি ববী বড়াক ব্লেকমেইলিং তথা হত্যাৰ ষড়যন্ত্ৰৰ বাবে ধাৰা ১০৭ ইতিমধ্যেই ডুমডুমাৰ তিনিগৰাকী লোকৰ বিৰুদ্ধে আৰোপিত হৈছিল। তাৰ পিছতে দুগৰাকী যুৱতীক বিক্ৰীৰ বাবে নিওঁতে বিশেষ সূত্ৰত কথাবোৰ গম পাই ডুমডুমা মহিলা সমিতিৰ সভানেত্ৰী ববী বড়াই আৰক্ষীক অৱগত কৰা লগতে সংবাদ মাধ্যমৰ লগতো যোগাযোগ কৰি সমগ্ৰ ঘটনা তথ্যসহকাৰে ফাদিল কৰি জনসাধাৰণক সজাগ কৰাত দিন-ৰাতি লাগি পৰা কথা ডুমডুমাৰ প্ৰতিগৰাকী লোকৰে জ্ঞাত। মানুহ বিক্ৰীৰ লগত জড়িত এটা কুচক্ৰক আৰক্ষীয়ে ডুমডুমা মহিলা সমিতিৰ সক্ৰিয়তাৰ বাবেই উৎখাত কৰি জেললৈ পঠিওৱাত সফলো হয়। তৎসত্ত্বেও সিদিনাই কিহৰ বাবে অসম সাহিত্য সভাৰ যুৱ সংসদৰ কেন্দ্ৰীয় সমিতিৰ এগৰাকী সদস্যা, লেখক, কবি, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী তথা ডুমডুমা মহিলা সমিতিৰ সভানেত্ৰী ববী বড়াক প্ৰায় বিশটাকৈ সংগঠন আৰু অনুষ্ঠানে সমাজৰপৰা বয়কট কৰাৰ দৰে সিদ্ধান্ত ঘোষণা কৰিলে তাক লৈ হতভম্ব হৈ পৰিছে সচেতন ৰাইজ। মহিলা সমিতিৰ এগৰাকী সভানেত্ৰীকে যদি এনে তালিবানি অত্যাচাৰ কৰে তেনেহ'লে এখন শিক্ষিত সমাজৰ আনসকল মহিলাৰ অৱস্থা কি হ'ব তাক কল্পনা কৰিবলৈকো ভয় হৈছে বুলি বুবু-বাবা চলিছে। ভয়-ভাবুকি, হত্যাৰ ষড়যন্ত্ৰৰ সন্মুখীন হৈও শিৰ নত নকৰা ববী বড়াই এইসকল ষড়যন্ত্ৰকাৰীৰ বিৰুদ্ধে আদালতৰ দ্বাৰস্থ হোৱাৰ কথা জানিব পৰা গৈছে। তদুপৰি মিছা কথা কৈ মিটিঙত মাতি নিয়াৰ বাবে ডুমডুমাৰ একাংশ মহিলায়ো ডুমডুমা আৰক্ষী থানাত অভিযোগ দাখিল কৰাৰ বুলিও জানিব পৰা গৈছে। উল্লেখ্য যে, ডুমডুমা শতদল শাখা সাহিত্য সভাৰ একাংশ বিষয়ববীয়া/সদস্য-সদস্যাকে ধৰি লেখিকা সমাৰোহৰ কেন্দ্ৰীয় সমিতিৰ এগৰাকী বিষয়ববীয়া, জিলা সমিতিৰ এগৰাকী বিষয়ববীয়া, ডুমডুমা শাখা সমিতিৰ এগৰাকী বিষয়ববীয়াকে ধৰি ডুমডুমাৰ মুঠ ১৬গৰাকী ব্যক্তিৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ ৩৫১, ৩৫১(২), ৩৫২, ৭৯, ৩৫৩, ৩৫৬ আৰু ৭৬ ধাৰাৰ গোচৰ তিনিচুকীয়া আদালতত চলি আছে। ববী বড়াই ন্যায়ালয়ৰ বিচাৰত অটুট বিশ্বাস ৰাখি মহিলাৰ ওপৰত হোৱা এনেধৰণৰ পৈশাচিক অন্যায় পুনৰ যাতে কোনো মহিলাৰ সৈতে নহয় তাৰ বাবে সমাজত এক জাগৰণ অনাৰ পোষকতা কৰিছে। ববী বড়াৰ ঘটনাৰে ‘ডাইনী হত্যা’ৰ দৰে ঘটনা এটা যে সিদিনাখন সংঘটিত নহ'লহেঁতেন তাক নুই কৰিব নোৱাৰি বুলিও ডুমডুমাত চৰ্চা চলা দেখিবলৈ পোৱা গৈছে। ভৱিষ্যৎ প্ৰজন্মক অন্ধকাৰ পথত পৰিচালিত কৰি বিপথগামী কৰি নৈতিক দায়িত্বৰ পৰাও বিচলিত হোৱাৰ লগতে অসম সাহিত্য সভাৰ দৰে পৱিত্ৰ অনুষ্ঠান এটাৰ সভাগৃহ আইন বিৰুদ্ধ কৰ্মৰ বাবে ব্যৱহাৰ কৰি কাললৈকে কুখ্যাতি ৰাখিলে বুলিও ডুমডুমাৰ একাংশ সাহিত্যসেৱীয়ে কোৱা-কুই কৰিছে। আটাইতকৈ ডাঙৰ কথা অসম সাহিত্য সভা আৰু লেখিকা সমাৰোহ সমিতিকে মুখ্য কৰি একাংশ ছাত্ৰ সংগঠনে কেতিয়াৰপৰা মহিলা নিৰ্যাতনৰ গুৰি ধৰোঁতা হৈ কোনো কবিতাৰ বা সাহিত্যৰ অনুষ্ঠানলৈ নামাতিবলৈ তালিবানি ‘ফটোৱা’ জাৰি কৰিবলৈ ল'লৈ এয়াও এক ডাঙৰ প্ৰশ্ন। যাৰ বাবে বিভিন্ন সাহিত্য আৰু কবি সন্মিলনে এতিয়া ববী বড়াক সাহিত্যৰ অনুষ্ঠানলৈ আমন্ত্ৰণ কৰিবলৈ এতিয়া আতংকিত তথা ভীতিগ্ৰস্ত হৈ পৰিছে। এয়াই নেকি স্বাভিমানী অসমীয়াৰ প্ৰকৃত চৰিত্ৰ? এক কথাত সমাজৰ এচাম মুখাপিন্ধা, স্বাৰ্থপৰ, ভণ্ড তথা সুবিধাবাদী লোকৰ বাবে বাৰুকৈয়ে লজ্জানত হৈছে আজিৰ বিদ্বৎ সমাজ। এইক্ষেত্ৰত সময় থাকোঁতেই আমি এনে দুষ্কৰ্মৰ বিৰুদ্ধে মাৰ বান্ধি থিয় নিদিলে এখন সমাজ কেতিয়াও উন্নতিৰ শিখৰত উপনীত হ'ব নোৱাৰে, উন্নতিৰ জখলাত বগাব নোৱাৰে। এনেলোক সদায় সমাজ তথা জাতিৰ উন্নতিৰ অন্তৰায় হৈ থিয় দিয়ে। ডুমডুমা নগৰ সমিতিৰ সভানেত্ৰী তথা বিশিষ্ট কবি-সাহিত্যিক, শিক্ষয়িত্ৰী, সমাজসেৱিকা ববী বড়াই ন্যায় নোপোৱা পৰ্য্যন্ত ন্যায়িক যুঁজ অব্যাহত ৰখাৰ কথা জানিবলৈ দিছে। প্ৰয়োজনত উচ্চ ন্যায়ালয়ৰ কাষ চপাৰো হুংকাৰ প্ৰদান কৰিছে ডুমডুমা মহিলা সমিতিৰ সভানেত্ৰী তথা বিশিষ্ট সমাজসেৱিকা তথা কবি-সাহিত্যিক, শিক্ষয়িত্ৰী ববী বড়াই।

জাকিৰ হুছেইন শিকদাৰৰ প্ৰৱেশ নিষিদ্ধ সাধাৰণ জনতাৰ

# বৰপেটাৰ পাকাবেতবাৰী বিধানসভা সমষ্টিত নিৰ্বাচনী হিংসা

## AIUDFৰ বেনাৰ, পোষ্টাৰ ফালিলে কংগ্ৰেছ কৰ্মীয়ে

**অসম বাৰ্তা, বৰপেটা সদৰ, ৩১ মাৰ্চ ঃ** নিৰ্বাচনৰ দিনলৈ মাজত মাত্ৰ ৮টা দিন বাকী থকা সময়তে ৰাজ্যৰ বিভিন্ন প্ৰান্তত বৃদ্ধি পাইছে নিৰ্বাচনী হিংসা। কেতিয়াবা যদি কংগ্ৰেছ-বিজেপিৰ কৰ্মীৰ মাজত, আকৌ কেতিয়াবা অজাপ-বিজেপি, অগপৰ মাজত কিছু হিংসাত্মক ঘটনা সংঘটিত হৈছে। বৰপেটাৰ পাকাবেতবাৰী বিধানসভা সমষ্টিতো কংগ্ৰেছৰ কৰ্মীয়ে এ আই ইউ ডি এফৰ বেনাৰ, পোষ্টাৰ ফালি অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি কৰিব বিচাৰিছে বুলি অভিযোগ উঠিছে। এ আই ইউ ডি এফৰ প্ৰাৰ্থী মিনাক্ষী ৰহমানৰ বেনাৰ, পোষ্টাৰ কংগ্ৰেছ প্ৰাৰ্থী জাকিৰ হুছেইন শিকদাৰৰ দালাল, গুণ্ডাবাহিনীয়ে ফালি পেলোৱাৰ অভিযোগ। জাকিৰ হুছেইন শিকদাৰৰ দালালৰাজ, চামছাগিৰি, অহংকাৰ, কমিচনৰাজৰ অন্ত পেলাবলৈ পাকাবেতবাৰী সমষ্টিৰ ভোটাৰ ঢাল খাইছে এ আই ইউ ডি এফ, অগপলৈ। বিশেষকৈ এ আই ইউ ডি এফৰ প্ৰাৰ্থী মিনাক্ষী ৰহমানৰ উত্থানত শংকিত হৈ জাকিৰ হুছেইন শিকদাৰে দিকবিদিক হেৰুৱাই পেলাইছে। এতিয়া অস্থিৰ, উত্ৰাৱল হৈ একাংশ গুণ্ডাবাহিনীৰ দ্বাৰা পাকাবেতবাৰী সমষ্টিত এমূৰৰ এ আই ইউ ডি এফৰ বেনাৰ, পোষ্টাৰ ফালি পেলোৱাত লাগি গৈছে কংগ্ৰেছৰ দালাল, মধ্যাভোগী তথা গুণ্ডাবাহিনীয়ে। পাকাবেতবাৰীত কংগ্ৰেছ কৰ্মী, জাকিৰৰ দালালৰ উদ্ভগুালিত অতিষ্ঠ পাকাবেতবাৰী সমষ্টিৰ ৰাইজে ঠাইয়ে ঠাইয়ে জাকিৰ হুছেইন শিকদাৰ গ' বেক ধ্বনিৰে উত্তাল প্ৰতিবাদ কৰে। কয়াকুছিৰ নলীৰপাম জানেস বজাৰত একাংশ কংগ্ৰেছ কৰ্মীয়ে AIUDFৰ বেনাৰ পোষ্টাৰ ছিঙি পেলাই দিয়াৰ অভিযোগ ৰাইজৰ। যাৰ বাবে জাকিৰ হুছেইন শিকদাৰক উক্ত অঞ্চলত প্ৰৱেশ নিষিদ্ধ কৰিছে। জাকিৰ হুছেইন শিকদাৰে উক্ত অঞ্চলত নিৰ্বাচনী সভা, সমিতি অনুষ্ঠিত কৰাত নিষিদ্ধ কৰিছে ৰাইজে। দুবাৰকৈ বিধায়ক হৈ নিজৰ চামচা, দালাৰৰ বাদে সমষ্টিটোৰ সাধাৰণ জনতাৰ মংগল, উন্নয়ন কৰিব নোৱাৰাত জনতাই এইবাৰ ভাবি চিন্তি পৰিবৰ্তন বিচৰাটো জাকিৰ হুছেইন শিকদাৰৰ মূৰৰ কামোৰণি হৈ পৰিছে। বিভিন্ন ঠাইত অনুষ্ঠিত সভা ফ্লপ শ্ব' হৈছে। ঠাইয়ে ঠাইয়ে ৰাইজৰ সমৰ্থন নোপোৱাত মুল প্ৰতিদ্বন্দ্বী বুলি বিবেচনা কৰি এ আই ইউ ডি এফৰ পোষ্টাৰ, বেনাৰ ফলাৰ দৰে কুকৰ্মত জড়িত হৈ পৰিছে কংগ্ৰেছ কৰ্মী। এই কাৰ্যত অতিষ্ঠ হৈ সাধাৰণ জনতাই বিধায়ক জাকিৰ হুছেইন শিকদাৰক কয়াকুছিৰ নলীৰপাম জানেস বজাৰত প্ৰৱেশ নিষিদ্ধ ঘোষণা কৰে। ৰাইজৰ আস্থা, বিশ্বাস হেৰুৱাই পেলাইছে পূৰ্বৰ সৰুক্ষেত্ৰী সমষ্টি আৰু এতিয়াৰ পাকাবেতবাৰী সমষ্টিৰ বিধায়ক জাকিৰ হুছেইন শিকদাৰে! ৰাইজেও জাকিৰ হুছেইন শিকদাৰক পৰিবৰ্তন কৰি কৰি নতুন মুখক বিধায়ক বনাবলৈ প্ৰস্তুতি চলোৱাত অস্বস্তিত ভুগিছে। একেজন নেতাকে বাৰে বাৰে বিধায়ক বনাই প্ৰবঞ্চিত হৈছে বুলি ৰাইজে কয়।

# হোজাইত খোলা পাত্ৰত পেট্ৰ'ল-ডিজেল বিক্ৰী নিষিদ্ধ

**অসম বাৰ্তা, লংকা, ৩১ মাৰ্চ ঃ** অসম চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ, গ্ৰাহক পৰিক্ৰমা আৰু বৈধ পৰিমাপ বিভাগৰ নিৰ্দেশনা অনুসৰি হোজাই জিলা প্ৰশাসনে পেট্ৰ'ল আৰু ডিজেলৰ খোলা পাত্ৰত বিক্ৰী সম্পূৰ্ণৰূপে নিষিদ্ধ কৰি এক গুৰুত্বপূৰ্ণ আদেশ জাৰি কৰিছে। এই সিদ্ধান্তৰ জৰিয়তে জিলাখনত সুৰক্ষা ব্যৱস্থা অধিক শক্তিশালী কৰাৰ লক্ষ্য লোৱা হৈছে। জানিব পৰা মতে, যোৱা কেইবছৰ ধৰি বিভিন্ন ঠাইত পেট্ৰ'ল আৰু ডিজেল খোলা পাত্ৰত সংৰক্ষণ আৰু বিক্ৰীৰ ফলত অগ্নিকাণ্ড, বিস্ফোৰণ আৰু গুৰুতৰ দুৰ্ঘটনা সংঘটিত হোৱা ঘটনাই প্ৰশাসনক উদ্বিগ্ন কৰি তুলিছিল। বিশেষকৈ প্লাষ্টিক বটল বা অননুমোদিত কণ্টেইনাৰত তেল বিক্ৰী কৰাৰ ফলত জনসাধাৰণৰ জীৱন আৰু সম্পত্তি বিপদাপন্ন হোৱাৰ আশংকা বৃদ্ধি পাই আহিছিল। এই পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি এই কঠোৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। আদেশ অনুসৰি, হোজাই জিলাৰ অন্তৰ্গত সকলো পেট্ৰ'ল পাম্পৰ স্বত্বাধিকাৰী, পৰিচালক আৰু কৰ্মচাৰীসকলক খোলা পাত্ৰত পেট্ৰ'ল বা ডিজেল বিক্ৰী নকৰিবলৈ স্পষ্টভাৱে নিৰ্দেশ দিয়া হৈছে। কোনো ব্যক্তিয়ে বা ব্যৱসায়ীয়ে এই নিৰ্দেশ অমান্য কৰিলে তেওঁৰ বিৰুদ্ধে প্ৰযোজ্য আইনৰ অধীনত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি স্পষ্টকৈ জনোৱা হৈছে। ইয়াৰ উপৰি, খাদ্য, ৰাজহুৱা বিতৰণ, গ্ৰাহক পৰিক্ৰমা আৰু বৈধ পৰিমাপ বিভাগৰ লগতে সংশ্লিষ্ট বিভাগসমূহৰ বিষয়াসকলক এই নিৰ্দেশ কঠোৰভাৱে ৰূপায়ণ কৰাৰ বাবে দায়িত্ব অৰ্পণ কৰা হৈছে। জিলাৰ বিভিন্ন অঞ্চলত নিয়মীয়াকৈ তদাৰকি অভিযান চলোৱা হ'ব আৰু নিয়ম ভংগ কৰা ক্ষেত্ৰত তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জাননী দিয়া হৈছে। জিলা প্ৰশাসনে জনসাধাৰণকো এই ক্ষেত্ৰত সচেতন হ'বলৈ আহ্বান জনাইছে। কোনো ঠাইত খোলা পাত্ৰত পেট্ৰ'ল বা ডিজেল বিক্ৰী বা সংৰক্ষণ কৰা দেখা পালে তৎক্ষণাত সংশ্লিষ্ট কৰ্তৃপক্ষক অৱগত কৰিবলৈ কোৱা হৈছে। এই সহযোগিতাই সম্ভাব্য দুৰ্ঘটনা প্ৰতিৰোধত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে। উল্লেখ্য যে, সমাগত অসম বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি এই ধৰণৰ সুৰক্ষা আৰু নিয়ন্ত্ৰণমূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি প্ৰশাসনীয় সূত্ৰে জানিবলৈ দিয়া হৈছে। নিৰ্বাচনৰ সময়ছোৱাত কোনো ধৰণৰ অপ্ৰত্যাশিত ঘটনা বা অপব্যৱহাৰ ৰোধ কৰাৰ বাবেও এই নিৰ্দেশনা গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। উল্লেখযোগ্য যে, এই ব্যৱস্থাৰ জৰিয়তে জিলাখনত অগ্নিকাণ্ড আৰু বিস্ফোৰণজনিত দুৰ্ঘটনা হ্ৰাস কৰাৰ লগতে পেট্ৰ'লিয়াম সামগ্ৰীৰ সুৰক্ষিত ব্যৱহাৰ নিশ্চিত কৰাৰ প্ৰচেষ্টা চলোৱা হৈছে। প্ৰশাসনৰ মতে, জনসাধাৰণৰ সুৰক্ষা নিশ্চিত কৰাটোৱেই এই পদক্ষেপৰ মূল উদ্দেশ্য। সচেতন মহলে জিলা প্ৰশাসনৰ এই পদক্ষেপক এক ইতিবাচক আৰু সময়োপযোগী পদক্ষেপ হিচাপে অভিহিত কৰিছে।

# বাক্সা জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ভূষণ চন্দ্ৰ শৰ্মাৰ বিদায় সম্বৰ্ধনা অনুষ্ঠান

## ভাল-কৰ্মৰে খ্যাতি অৰ্জন কৰা ব্যক্তিয়ে সমাজত সুকীয়া পৰিচয় লাভ কৰে ঃ নাগেশ নাৰ্জা বড়ো



**অসম বাৰ্তা, বাগানপাৰা, ৩১ মাৰ্চ ঃ** কৰ্মই মানুহৰ জীৱন চহকী কৰে। ভাল কৰ্মৰ যোগেদি মানুহে সমাজত খ্যাতি অৰ্জন কৰে। এই খ্যাতিৰ জৰিয়তে মানুহে সমাজত এক সুকীয়া পৰিচয় লাভ কৰে। শিক্ষকসকল সমাজৰ মেৰুদণ্ড, জাতিৰ ভৱিষ্যত। যিসকল শিক্ষকে ত্যাগ আৰু সেৱাৰ মানসিকতাৰে শিক্ষকতা কৰি মানৱ সম্পদ গঢ়াত ব্ৰতী হয় আৰু সমাজখনক আগবঢ়াই নিবলৈ প্ৰয়াস কৰে সেই শিক্ষকসকল সমাজখনৰ বাবে এক আদৰ্শবান ব্যক্তি হৈ পৰে। তেনে শিক্ষক সমাজৰ বাবে সদায় শ্ৰদ্ধা পাত্ৰ হৈ থাকে। এই মন্তব্য বাক্সা স্নাতক মহাবিদ্যালযৰ অধ্যক্ষ নাগেশ নাৰ্জা বড়োৰ। আজি বাগানপাৰাৰ বাক্সা জ্যেষ্ঠ মাধ্যমিক বিদ্যালয় (কনিষ্ঠ মহাবিদ্যালয়)ৰ অধ্যক্ষ ভূষণ চন্দ্ৰ শৰ্মাৰ অৱসৰকালীন বিদায় অনুষ্ঠানত অংশগ্ৰহণ কৰি বাক্সা স্নাতক মহাবিদ্যালযৰ অধ্যক্ষ নাগেশ নাৰ্জা বড়োৱে এইদৰে কয়। বাক্সা জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ স্নাতকোত্তৰ শিক্ষক ৰঞ্জিত কলিতাৰ সঞ্চালনাত অনুষ্ঠিত বিদায়ী অনুষ্ঠানটোত বাক্সা স্নাতক মহাবিদ্যালয়ৰ অধ্যক্ষ নাগেশ নাৰ্জা বড়োৱে সুদীৰ্ঘ বছৰ ধৰি বাগানপাৰাৰ শৈক্ষিক ক্ষেত্ৰখনৰ হকে ভূষণ চন্দ্ৰ শৰ্মাই যথেষ্ট অৱদান আগবঢ়োৱা বুলি মন্তব্য কৰে। অনুষ্ঠানটোত বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি ধৰ্মেশ্বৰ বড়ো, প্ৰাক্তন সভাপতি দীনেশ মুছাহাৰী আৰু খৰ্গেশ্বৰ বড়ো আৰু অৱসৰী শিক্ষক শ্ৰীকান্ত স্বৰ্গীয়াৰীয়ে বিদায়ী অধ্যক্ষগৰাকীৰ কৰ্মময় জীৱনৰ ওপৰত বক্তব্য দাঙি ধৰি বিগত ৩৩ বছৰে বাগানপাৰা অঞ্চলত নিষ্ঠাৰে শিক্ষকতা কৰি অঞ্চলটোৰ সমাজ জীৱনক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত অধ্যক্ষ ভূষণ চন্দ্ৰ শৰ্মাই যথেষ্ট অৰিহণা আগবঢ়োৱা বুলি মন্তব্য কৰে। বাক্সা জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ জ্যেষ্ঠ স্নাতকোত্তৰ শিক্ষক পবিত্ৰ তালুকদাৰ, অৱসৰ গ্ৰহণ কৰা অধ্যক্ষ ভূষণ চন্দ্ৰ শৰ্মাৰ সহধৰ্মিনী হিমাঞ্জলী দেৱী, ভগ্নী ডম্বানীভাৰাণী দেৱী আৰু প্ৰণীতা দেৱীয়েও বিদায়ী অধ্যক্ষগৰাকীৰ কৰ্ম জীৱনৰ ওপৰত বক্তব্য দাঙি ধৰে। অনুষ্ঠানত আজি কৰ্মজীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰা বিদ্যালয়খনৰ অধ্যক্ষ ভূষণ চন্দ্ৰ শৰ্মাই সুদীৰ্ঘ ৩৩ বছৰৰ কৰ্মজীৱনৰ আলোকপাত কৰে। অনুষ্ঠানত বাক্সা জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক কৰ্মচাৰী গোটে অধ্যক্ষগৰাকীক গামোচা, আৰনাই, শৰাই, ফুলাম জাপি, ধৰ্মগ্ৰন্থ, ছাতি, সম্বৰ্ধনা পত্ৰ, স্মাৰক, ফুলৰ থোপা আদিৰে বিদায় সম্বৰ্ধনা জনোৱাৰ লগতে বিদ্যালয়খনৰ ছাত্ৰ একতা সভা, বাক্সা স্নাতক মহাবিদ্যালয়, বাগানপাৰা হাইস্কুল, বাগানপাৰাৰ এক্সচিলেণ্ট একাডেমী, বাগানপাৰা আঞ্চলিক এবছু আদিকে ধৰি ভালেমান অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ছাত্ৰ-ছাত্ৰীয়ে সম্বৰ্ধনা জ্ঞাপন কৰে।

## সম্পাদকীয়

# নক্সালবাদ প্ৰতিৰোধত সফলতা আৰু সাধাৰণ মানুহৰ মনৰ প্ৰশ্ন

**লো**কসভাত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সম্প্ৰতি ঘোষণা কৰিছে যে দেশত নক্সালবাদ কাৰ্যতঃ শেষ হোৱাৰ দিশত আগবাঢ়িছে আৰু অহা ২০২৬ চনৰ ৩১ মাৰ্চৰ ভিতৰত দেশ নক্সালমুক্ত হ'ব। ২০১৪ চনৰ পৰা কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা কঠোৰ নিৰাপত্তা নীতি, সক্ৰিয় অভিযান আৰু উন্নয়নমূলক কাৰ্যসূচীৰ ফলত বাঁওপন্থী চৰমপন্থা দমনত যথেষ্ট সফলতা লাভ কৰা বুলি তেওঁ দাবী কৰে। গৃহমন্ত্ৰীৰ মতে, নক্সালবাদী সংগঠনৰ কেন্দ্ৰীয় নেতৃত্ব প্ৰায় ধ্বংস হৈ গৈছে, বহুতো নক্সালবাদী নিহত বা আত্মসমৰ্পণ কৰিছে, আৰু ছত্তীশগড়, তেলেংগানা, ওড়িশাৰ বহু অঞ্চল নক্সাল প্ৰভাৱৰ পৰা মুক্ত হৈছে।


চৰকাৰৰ এই পদক্ষেপ আৰু সফলতা অৱশ্যে প্ৰশংসনীয়। নিৰাপত্তা বাহিনীৰ সাহসী ভূমিকা আৰু উন্নয়নৰ গতি বৃদ্ধিয়ে নক্সাল প্ৰভাৱিত অঞ্চলত অস্ত্ৰৰ শব্দ কিছু পৰিমাণে কমাই আনিছে। তথাপি সাধাৰণ মানুহৰ মনত কিছুমান প্ৰশ্ন জাগে। প্ৰথম প্ৰশ্ন — যিসকল নক্সালবাদীয়ে আত্মসমৰ্পণ কৰিছে বা ধৰা পৰিছে, তেওঁলোকৰ পুনৰ্বাসনৰ ব্যৱস্থা কি? কেৱল নিৰ্মূল কৰাৰ নীতিৰ পৰিৱৰ্তে যদি তেওঁলোকক মূল সোঁতত লৈ অহাৰ কাৰ্যসূচী থাকে, তেন্তে দীৰ্ঘম্যাদী শান্তি সম্ভৱ।

দ্বিতীয় প্ৰশ্ন — উন্নয়নৰ নামত গৃহমন্ত্ৰীয়ে যি কথা কৈছে, সেই উন্নয়ন প্ৰকৃততে নক্সাল অঞ্চলৰ আটাইতকৈ পিছপৰা, বঞ্চিত জনজাতীয় আৰু দৰিদ্ৰ মানুহৰ ঘৰদুৱৰলৈ গৈছে নে? চৰকাৰী পৰিসংখ্যা অনুসৰি বহু অঞ্চলত বিদ্যালয়, স্বাস্থ্য কেন্দ্ৰ, পথ, বিদ্যুৎ পোৱা গৈছে, কিন্তু স্থানীয় লোকৰ অভিজ্ঞতা আৰু অধিকাৰ সন্মান কৰা হৈছে নে? নক্সালবাদৰ উত্থানৰ মূল কাৰণ আছিল সামন্তীয় শোষণ, জমিৰ অনিয়ম, উন্নয়নৰ অভাৱ। যেতিয়ালৈকে জমিৰ অধিকাৰ, বন অধিকাৰ, ন্যায্য মজুৰি আদিৰ দৰে মৌলিক প্ৰশ্নৰ সমাধান নহয়, তেতিয়ালৈকে নক্সালবাদ সম্পূৰ্ণৰূপে নিৰ্মূল হৈ যোৱা বুলি ক'ব পাৰি নে?

তৃতীয় প্ৰশ্ন — নিৰাপত্তা অভিযানৰ নামত কেতিয়াবা নিৰীহ আৰু সন্দেহযুক্ত লোকৰ ওপৰত অত্যাচাৰ, গ্ৰেপ্তাৰ, আৰু ভুৱা মোকৰ্দমা সৃষ্টি হোৱাৰ সম্ভাৱনা থাকে। গৃহমন্ত্ৰীয়ে 'থাণ্ডাৰষ্টৰ্ম', 'ব্লাক ফৰেষ্ট' যেনে বৃহৎ অভিযানৰ কথা উল্লেখ কৰিলেও, এই অভিযানসমূহত মানৱ অধিকাৰৰ উলংঘা হৈছে নেকি — সেই বিষয়ে স্বাধীন অনুসন্ধান আৰু স্বচ্ছতাৰ প্ৰয়োজন। সাধাৰণ মানুহে জানে যে নক্সালবাদীৰ দমন অতি প্ৰয়োজনীয়, কিন্তু সেই দমন প্ৰক্ৰিয়াত যাতে শান্তিপ্ৰিয় গাঁওবাসী ভুক্তভোগী নহয়, তাৰ প্ৰতি চকু দিয়াটো চৰকাৰৰ দায়িত্ব।

চতুৰ্থ প্ৰশ্ন — অমিত শ্বাহে কংগ্ৰেছ আৰু কিছুমান সংগঠনক নক্সাল সমৰ্থক বুলি অভিযোগ কৰিছে। কিন্তু ৰাজনৈতিক দলসমূহে নক্সালবাদী সমস্যাক কেন্দ্ৰ কৰি ভোটৰ ৰাজনীতি কৰাটো সঠিক নে? নক্সালমুক্তিৰ লক্ষ্য জাতীয় স্বাৰ্থৰ প্ৰশ্ন, ইয়াক ৰাজনৈতিক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিলে প্ৰকৃত সমাধানৰ পথ আৰু দীঘলীয়া হয়।

শেষত, চৰকাৰৰ প্ৰচেষ্টাক স্বীকৃতি দিয়াৰ লগতে আমি সতৰ্ক থাকিব লাগিব। কেৱল সেনা অভিযান আৰু ঘোষণাত নক্সালবাদ শেষ নহয়। উন্নয়নক জন-কেন্দ্ৰিক কৰি, স্থানীয় জনজাতীয় আৰু বঞ্চিত শ্ৰেণীৰ বিশ্বাস অৰ্জন কৰি, তেওঁলোকৰ প্ৰতি হোৱা ঐতিহাসিক অন্যায়ৰ সংশোধন ঘটালেহে নক্সালবাদৰ বীজ সম্পূৰ্ণৰূপে ধ্বংস হ'ব। গৃহমন্ত্ৰীৰ বক্তব্যে আশাৰ সৃষ্টি কৰিলেও সাধাৰণ মানুহৰ মনৰ এই প্ৰশ্নবোৰৰ উত্তৰো চৰকাৰে দিয়াটো প্ৰয়োজন।



অসমত এপ্ৰিল ফুল উদযাপন কৰাৰ প্ৰচলন মূলতঃ পশ্চিমীয়া সংস্কৃতিৰ প্ৰভাৱত আৰম্ভ হৈছিল। ইয়াৰ প্ৰকৃত সময় আৰু সূচনাৰ তাৰিখ সম্পৰ্কে সঠিক তথ্য নাথকিলেও, ব্ৰিটিছ শাসনকালত পাশ্চাত্যৰ শিক্ষা আৰু জীৱনশৈলীৰ লগতে এই প্ৰথাও আমাৰ মাজত সোমাই পৰিছিল। তাৰ লগে-লগে এই দিনটোৰ ধাৰণাইও আমাৰ সমাজত পোখা মেলিছিল। তেতিয়াৰ পৰা এতিয়ালৈকে অসমত এই দিনটো বিশেষকৈ যুৱ প্ৰজন্মৰ মাজত এক জনপ্ৰিয় তথা আনন্দৰ হকে আনক ঠগোৱাৰ এক উপলক্ষ্য হৈ পৰিছে। এই দিনটোত স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বন্ধু বান্ধৱীক মিছা কথাৰে বোকা বনোৱাৰ প্ৰতিযোগিতা চলাই এক আনন্দৰ বিশেষ দিন হিচাপে উদযাপন কৰে। এপ্ৰিল ফুল উদযাপন আমাৰ ব্যক্তিগত জীৱনৰ লগতো জড়িত।

# এক নিৰ্দোষ হাঁহিৰ গোলকীয় পৰম্পৰা



নলিনী ৰঞ্জন ভূঞা

**এ**ক এপ্ৰিল—বিশ্বজুৰি হাঁহি, ধেমালি আৰু সৰু সৰু কৌতুকৰে ভৰা এটা বিশেষ দিন। যাক 'এপ্ৰিল ফুল' বোলা হয়। এপ্ৰিল ফুল বুলিলে মনটো ৰসাল হৈ আনন্দময় অনুভৱেৰে ভৰি উঠে। মানুহে এই দিনটোত ইজনে সিজনক কোনো ক্ষতি নকৰাকৈ, সম্পূৰ্ণ নিৰ্দোষভাৱে ধেমালি কৰে, সৰু সৰু মিছা কথা কৈ আচৰিত কৰিবলৈ চেষ্টা কৰে আৰু সেই মুহূৰ্তবোৰ উপভোগ কৰে।

এপ্ৰিল ফুলৰ মূল ভাবটো হ'ল আনন্দ আৰু ভুৱন ভুলোৱা হাঁহি। এই দিনটোত মানুহে অলপ নিঃসংকোচে আনক ঠগাবলৈ চেষ্টা কৰে যদিও তাৰ আঁৰত কেতিয়াও বেয়া উদ্দেশ্য নাথাকে। বৰঞ্চ, সৃষ্টিশীল কৌশলৰে কোনোবাজনক অলপ সময়ৰ বাবে লাজত পেলাই একেলগে হাঁহি-তামাচা কৰাটোৱেই ইয়াৰ মূল আনন্দ। এই বিশেষ দিনটোত বিশ্বৰ বিভিন্ন ঠাইত মানুহে বিভিন্ন ধৰণে আনন্দ-ধেমালি কৰে। কোনোবাই বন্ধুক সৰু সৰু ফাঁকি দিয়ে, কোনোবাই অদ্ভুত কাহিনী সাজি কয়, আকৌ কোনোবাই আচৰিত কৰা পৰিকল্পনা কৰি সকলোকে হাঁহিবলৈ বাধ্য কৰে। যদিও এই পৰম্পৰাৰ উৎপত্তি সম্পৰ্কে বহু ধৰণৰ কাহিনী আৰু বিশ্বাস আছে, তথাপিও ইয়াৰ সঠিক উৎস আজিও স্পষ্টকৈ জনা হোৱা নাই।

বহুতৰ মতে, এই পৰম্পৰাৰ জন্ম হৈছিল ১৬ শতিকাত ফ্ৰান্সত। ১৫৮২ চনত গ্ৰেগৰিয়ান কেলেণ্ডাৰ প্ৰৱৰ্তনৰ পিছত নৱবৰ্ষৰ আৰম্ভণি ১ জানুৱাৰীলৈ স্থানান্তৰিত হয়। পোপ অষ্টম গ্ৰেগৰীয়ে পূৰ্বৰ জুলিয়ান কেলেণ্ডাৰৰ ঠাইত এখন নতুন ইংৰাজী কেলেণ্ডাৰ প্ৰৱৰ্তন কৰাৰ নিৰ্দেশ দিছিল সেই বছৰটোত। সেই কেলেণ্ডাৰ খনক গ্ৰেগৰীয়ান কেলেণ্ডাৰ বোলা হৈছিল যিখন কেলেণ্ডাৰ আজিও প্ৰচলিত হৈ আছে। এই কেলেণ্ডাৰৰ মতে ১ জানুৱাৰী দিনটো হ'ল নতুন বছৰৰ আৰম্ভণি। ইয়াৰ আগলৈকে ইউৰোপৰ কিছু অঞ্চলত নৱবৰ্ষ পালন কৰা হৈছিল মাৰ্চৰ শেষত অৰ্থাৎ ১ এপ্ৰিলত। এই নতুন পৰিৱৰ্তনৰ কথা কিছুমানে নাজানিছিল আৰু বহুতে পুৰণি পৰম্পৰা এৰিবলৈ মন কৰা নাছিল। গতিকে তেওঁলোকে পুৰণি তাৰিখতে এক এপ্ৰিলৰ দিনা নৱ বৰ্ষৰ উৎসৱ পালন কৰিছিল। গতিকে এক এপ্ৰিলত নৱ বৰ্ষ পালন কৰা লোক সকল আন সকলৰ হাঁহি-ধেমালিৰ পাত্ৰ হৈ পৰিছিল। এনে ভাৱেই এটা সময়ত ঠাট্টা মস্কৰা কৰাৰ মাজেদিয়েই এপ্ৰিল ফুলৰ পৰম্পৰা আৰম্ভ হ'ল বুলি বিশ্বাস কৰা হয়। আন কিছুমানৰ মতে, এই পৰম্পৰাৰ শিপা আৰু পুৰণি—প্ৰাচীন ৰোমৰ "হিলাৰিয়া" উৎসৱৰ সৈতে জড়িত। বসন্তৰ আগমনত পালন কৰা এই উৎসৱত মানুহে মুখা পিন্ধি, ধেমালি কৰি, আনন্দত ডুব গৈছিল। সময়ৰ সোঁতত এই উৎসৱৰ ৰূপ সলনি হৈ, বিভিন্ন সংস্কৃতিৰ মাজেৰে প্ৰৱাহিত হৈ বৰ্তমানৰ বিশ্বত ই 'এপ্ৰিল ফুল' হিচাপে পৰিগণিত হৈছে। আনহাতে বষ্টন বিশ্ববিদ্যালয়ৰ অধ্যাপক জোছেফ বছকিনে এপ্ৰিল ফুল সম্পৰ্কে নতুন তথ্য দাঙি ধৰি মত প্ৰকাশ কৰিছিল যে - কনষ্টেনটাইনৰ শাসন কালতে এপ্ৰিল ফুল নামৰ এই উৎসৱটোৰ আৰম্ভণি ঘটিছিল। তেখেতে দাঙি ধৰা যুক্তি মতে - কনষ্টেনটাইনৰ মন্ত্ৰী কুগেল আৰু তেওঁৰ কেইগৰাকীমান সহযোগীয়ে ৰজাক তেওঁলোকেও ৰাজকাৰ্য ভালদৰে চলাব জানে বুলি কোৱাত ৰজা কনষ্টেনটাইনে এদিন কুগেলক ৰজা পাতি দিলে। ৰাজ সিংহাসনত বহিয়েই কুগেলে এখন ঘোষণা পত্ৰ গৃহীত কৰিলে, যিখন ঘোষণা পত্ৰক কোৱা হৈছিল - 'ইডি" অৱ এবছাৰডিটি' অৰ্থাৎ অৰ্থহীনতাৰ ঘোষণাপত্ৰ। সেই দিনটো আছিল এপ্ৰিলৰ এক তাৰিখ। তেতিয়াৰ পৰাই আৰম্ভ হৈছিল এক এপ্ৰিলৰ দিনটোত অৰ্থহীনতাৰ এটা দিন। হাঁহি ফুৰ্তিৰে যাতে ৰাজ্যৰ প্ৰজাসকলে এটা দিন উপভোগ কৰিব পাৰে তাৰ উদ্দেশ্যেৰেই কুগেল আৰু সহযোগী সকলে এই পৰিকল্পনা গ্ৰহণ কৰিছিল বুলি অধ্যাপক বছকিনে তেখেতৰ গৱেষণাত প্ৰকাশ কৰিছিল। এপ্ৰিল ফুলৰ উৎপত্তিৰ কাৰণ যিয়েই নহওক, এই দিনটোৱে হাঁহিৰ এক সৰ্বজনীন ভাষাৰ সৃষ্টি কৰিছে, যি ভাষাই জাতি-ধৰ্ম আৰু সংস্কৃতিৰ সীমা অতিক্ৰম কৰি সকলোকে হাঁহি মস্কৰাৰ মাধ্যমেদি একত্ৰিত কৰাত সফলকাম হৈছে।

সময়ৰ সোঁতত এই উৎসৱে বিভিন্ন দেশত বিভিন্ন ৰূপ লৈছে। ফ্ৰান্সত ইয়াক 'এপ্ৰিল ফিছ' বুলি কোৱা হয়। ফ্ৰান্সৰ ছাত্ৰ-ছাত্ৰী সকলে কাগজেৰে বনোৱা মাছ বা কাগজত মাছৰ ছবি আকি আনৰ পিঠিত লগাই দি 'এপ্ৰিল ফিছ' বুলি চিঞৰি হাঁহি-ধেমালি কৰে। স্কটলেণ্ডত এই উৎসৱ দুদিনলৈকে পালন কৰা হয় আৰু ইয়াক 'গাউক বিচৰা দিন' বুলি কোৱা হয়। কানাডা, নিউজিলেণ্ড, গ্ৰেটবৃটেইন, অষ্ট্ৰেলিয়া, চাইপ্ৰাছ, দক্ষিণ আফ্ৰিকা আদি দেশত দিনৰ বাৰ বজাৰ আগতেই মানুহক মিছা কথাৰে মুৰ্খ বনোৱাৰ কাৰ্য কৰিব লাগে বুলি বিশ্বাস কৰা হয়। এই দেশ সমূহত বাৰ বজাৰ পিছত যি সকলে আনক মুৰ্খ বনোৱাৰ চেষ্টা কৰে তেওঁলোকক হে মুৰ্খ বুলি কোৱা হয়। আনহাতে ফ্ৰান্স, ইটালী, দক্ষিণ কোৰিয়া, জাপান, ৰাচিয়া আদি বহু সংখ্যক দেশত গোটেই দিনটোয়েই মিছা কথাৰে আনক বুৰ্বক বনোৱাৰ প্ৰচেষ্টা চলাই আনন্দ উপভোগ কৰে। আমাৰ ভাৰত বৰ্ষত এই দিনটোত কিশোৰ আৰু যুৱ সমাজে নানা ধৰণৰ ধেমালি কৰে। আজিকালি ফোনৰ জৰিয়তে মিছা বাতৰি প্ৰচাৰ কৰা, ছ'চিয়েল মিডিয়াত ভুৱা খবৰ শ্বেয়াৰ কৰা আদিৰে এই দিনটো বিশেষ ভাৱে উপভোগ কৰে। বিশ্বৰ প্ৰত্যেকখন দেশতে এপ্ৰিল ফুল উদযাপনৰ ধৰণো বেলেগ বেলেগ। কোনোবাই বন্ধুক মনেসজা মিছা কথাবোৰ বিশ্বাস কৰাবলৈ চেষ্টা কৰে, কোনোবাই আকৌ সাধাৰণ ধৰণৰ ক্ষতি নোহোৱা কৌশলৰে আনজনক বিভ্ৰান্ত কৰিবলৈ চেষ্টা কৰে। এই দিনটোত সংবাদ মাধ্যম সমূহেও সৃষ্টিশীল ফাঁকিৰে মানুহক বুৰ্বক বনাই দিয়ে, যিবোৰ কেতিয়াবা মানুহে বিশ্বাস কৰি লয়, আৰু পিছত যেতিয়া বুজি উঠে তেতিয়া হাঁহি-ধেমালিৰ পৰিৱেশৰ সৃষ্টি হয়। উদাহৰণ স্বৰূপে- এবাৰ বিখ্যাত ব্ৰিটিছ সংবাদ মাধ্যম বি বি চিয়ে এটা বিশেষ প্ৰতিবেদন প্ৰচাৰ কৰিছিল, য'ত কোৱা হৈছিল যে- ছুইজাৰলেণ্ডত গছত স্পাঘেট্টি ফুলিছে। (স্পাঘেট্টি (Spaghetti) হ'ল -এক প্ৰকাৰৰ নুডলচ জাতীয় ইটালিয়ান খাদ্য) বহুতো দৰ্শকে এই খবৰ বিশ্বাস কৰি ফোন কৰি স্পাঘেট্টি গছৰ অনুসন্ধানত লাগি গৈছিল। পিছত ময়দাৰে তৈয়াৰ কৰা এই স্পাঘেট্টি কেনেকৈ গছত লাগিব পাৰে বুলি যেতিয়া মনলৈ ভাৱ আহিল আৰু এক এপ্ৰিলৰ কথা যেতিয়া মনত পৰিল তেতিয়াহে সকলোৰে বাবে হাঁহিৰ খোৰাকৰ সৃষ্টি হ'ল।

অসমত এপ্ৰিল ফুল উদযাপন কৰাৰ প্ৰচলন মূলতঃ পশ্চিমীয়া সংস্কৃতিৰ প্ৰভাৱত আৰম্ভ হৈছিল। ইয়াৰ প্ৰকৃত সময় আৰু সূচনাৰ তাৰিখ সম্পৰ্কে সঠিক তথ্য নাথকিলেও, ব্ৰিটিছ শাসনকালত পাশ্চাত্যৰ শিক্ষা আৰু জীৱনশৈলীৰ লগতে এই প্ৰথাও আমাৰ মাজত সোমাই পৰিছিল। তাৰ লগে-লগে এই দিনটোৰ ধাৰণাইও আমাৰ সমাজত পোখা মেলিছিল। তেতিয়াৰ পৰা এতিয়ালৈকে অসমত এই দিনটো বিশেষকৈ যুৱ প্ৰজন্মৰ মাজত এক জনপ্ৰিয় তথা আনন্দৰ হকে আনক ঠগোৱাৰ এক উপলক্ষ্য হৈ পৰিছে। এই দিনটোত স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বন্ধু বান্ধৱীক মিছা কথাৰে বোকা বনোৱাৰ প্ৰতিযোগিতা চলাই এক আনন্দৰ বিশেষ দিন হিচাপে উদযাপন কৰে। এপ্ৰিল ফুল উদযাপন আমাৰ ব্যক্তিগত জীৱনৰ লগতো জড়িত। একেটা পৰিয়ালৰ ভিতৰতে এই দিনটোত নানা ধৰণৰ মজাৰ কাণ্ড-কাৰখানা ঘটাও পৰিলক্ষিত হয়। কেতিয়াবা সন্তানৰ মিছা কান্দোনত মাতৃ বিভ্ৰান্ত হয়, আকৌ কেতিয়াবা পত্নীয়ে স্বামীক মিছা কথাৰে নাকনি কাননি কৰি হাঁহি-ধেমালি কৰে। এই ধেমালি নিৰ্দোষ বিনোদনৰ অন্তৰ্ভুক্ত।

বৰ্তমান সামাজিক মাধ্যমৰ যুগত, এপ্ৰিল ফুলৰ পৰম্পৰা অধিক সৃষ্টিশীল ৰূপত প্ৰকাশ পাবলৈ লৈছে। বিশ্বৰ বিভিন্ন দেশত বিভিন্ন কোম্পানীয়ে অদ্ভুত ঘোষণা দিয়ে। যেনে -কোনো ইলেক্ট্ৰনিক কোম্পানীয়ে কয় যে, তেওঁলোকে এটা বিশেষ ধৰণৰ 'স্বচ্ছ মোবাইল' (স্বচ্ছ মোবাইল হ'ল -যিটোৰ দ্বাৰা পিছফালৰ বস্তুও দেখা পোৱা যাব) উলিয়াইছে, বা কোনো গাড়ী কোম্পানীয়ে কয় যে, তেওঁলোকে এখন নতুন গাড়ী উলিয়াইছে যিখন পানীতো চলিব পাৰে। এইবোৰ কথাত মানুহ বিভ্ৰান্ত হয়, কিন্তু পিছত যেতিয়া জানিব পাৰে যে সেইটো এপ্ৰিল ফুলহে কৰা হৈছে তেতিয়া হাঁহি ৰাখিব নোৱাৰা হয়।

এপ্ৰিল ফুল উদযাপন কৰোঁতে লক্ষ্য ৰাখিব লাগে যাতে - ই আনন্দময় হওক, কিন্তু ক্ষতিকৰ হ'ব নালাগে। কিছুমান ক্ষেত্ৰত ঠাট্টা বা মিছা কথা অতিৰিক্ত হোৱাত মানুহ মানসিক বা শাৰীৰিকভাৱে ক্ষতিগ্ৰস্ত হয়। উদাহৰণস্বৰূপে-যদি কোনোবাই মিছা কৈ কিবা দুৰ্ঘটনা ঘটিছে বুলি বা কিবা গুৰুত্বপূৰ্ণ বস্তু হেৰাইছে বুলি প্ৰচাৰ কৰে, তেন্তে ই অনৈতিক কাৰ্য হৈ পৰে। তেনে ক্ষেত্ৰত, এপ্ৰিল ফুল উদযাপন কৰাৰ প্ৰকৃত উদ্দেশ্য বিঘ্নিত হয়। এপ্ৰিল ফুলে মানুহক হাঁহিবলৈ আৰু অলপ সময়ৰ বাবে সকলো চিন্তা পাহৰাত আৰু মন মুক্ত কৰাত সহায় কৰে। সমাজ জীৱনত, ব্যস্ততাৰ মাজত অকমান সঁকাহ পাবলৈ এনে বিনোদনৰ প্ৰয়োজন, কিয়নো হাঁহিয়ে মানুহৰ মন-প্ৰাণক সজীৱ কৰি তোলে।

পৰিশেষত ক'ব পাৰি যে - এপ্ৰিল ফুল উদ্‌যাপন মানেই হ'ল নিৰ্দোষ আনন্দ, য'ত মানুহে পৰস্পৰক মিছা কথাৰে বুৰ্বক বনোৱাৰ মাজেৰেও সৌজন্য বজাই ৰাখে। শুদ্ধ ধৰণৰ ঠাট্টা-বিদ্ৰূপে জীৱনক সৌন্দৰ্যময় আৰু সুখ-সমৃদ্ধিৰে ভৰাই তুলি এটা দিনৰ বাবে জীৱনটোক উপভোগ কৰে। সেয়ে, যেতিয়াই এপ্ৰিল ফুল আহে, তেতিয়াই যেন সেই দিনটো আনন্দ-উল্লাসেৰে পাৰ কৰি, সকলোৰে মুখত হাঁহি বিৰিঙি উঠি দিনটোক স্মৰণীয় কৰি তুলিব পাৰে। এপ্ৰিল ফুল আনন্দৰ হওক, হাঁহিৰ হওক। মুঠতে, এপ্ৰিল ফুল হৈছে এনে এটা দিন যিয়ে আমাৰ জীৱনটোক অলপ মজাৰ দৃষ্টিৰে চাবলৈ শিক্ষা দিয়ে।

# নিবনুৱা সমস্যা সমাধানত বৰ্তমানৰ শিক্ষা ব্যৱস্থাৰ ভূমিকা

দৰ্শনা দত্ত

**মা**নুহ সমাজপ্ৰিয় প্ৰাণী। উপযুক্ত সন্মান তথা মৰ্যাদা সহকাৰে সমাজত জীয়াই থাকিব বিচাৰে। সকলো মানুহে নিজৰ জীৱনৰ মানদণ্ড উন্নত কৰিবলৈ অহৰহ চেষ্টা কৰে। অথচ বহু কাৰণত মানুহে নিজৰ জ্ঞান, অভিজ্ঞতা, শক্তিৰ সঠিক প্ৰয়োগ কৰিব নোৱাৰি কেতিয়াবা কৰ্মহীন হৈ পৰে। যাক আমি আখ্যা দিওঁ... 'নিবনুৱা'। অৰ্থাৎ যি ব্যক্তি কাম কৰিবলৈ সক্ষম, কাম কৰিবলৈ ইচ্ছুক, কিন্তু উপযুক্ত কাম বা সংস্থাপন নাপায়, তেওঁক নিবনুৱা বুলি কোৱা হয়। এক অৰ্থত এই ব্যক্তিসকলৰ কাম কৰাৰ বয়স আছে, যোগ্যতা আছে, ইচ্ছা আছে কিন্তু কাম নাই। সময়, পৰিস্থিতি অনুযায়ী নিবনুৱা সকলক ভিন্ন ভাগত ভাগ কৰা হৈছে। যেনে- ঋতুগত নিবনুৱা, যাৰ হাতত এটা সময়ত কাম থাকে কিন্তু তাৰ পৰৱৰ্তীসময় চোৱাত কামৰ অভাৱ হয়। উদাহৰণস্বৰূপে কৃষিক্ষেত্ৰত কাম কৰা লোকসকল খেতি নোহোৱা সময়ত কাম নাপায়। আকৌ, শিক্ষিত নিবনুৱাত সেইসকল ব্যক্তি আহে যিসকল শিক্ষিত ব্যক্তি ডিগ্ৰী বা যোগ্যতা থকাৰ পিছতো উপযুক্ত সংস্থাপন নাপায়। অৰ্থনীতিৰ গঠন বা প্ৰযুক্তিৰ পৰিৱৰ্তনৰ বাবে কিছুমান কাম বন্ধ হৈ যোৱা অৱস্থা হয় ফলত গাঁঠনিক নিবনুৱাৰ সৃষ্টি হয়।

আকৌ, দেশত অৰ্থনৈতিক মন্দা বা মন্দাৱস্থাৰ সময়ত উদ্যোগ-প্ৰতিষ্ঠান বন্ধ বা সংকুচিত হোৱাৰ ফলত সৃষ্টি হোৱা নিবনুৱা সকল হৈছে চক্ৰীয় নিবনুৱা। ইত্যাদি।



নিবনুৱা সমস্যা বৰ্তমান সময়ৰ এক গুৰুত্বপূৰ্ণ সামাজিক আৰু অৰ্থনৈতিক সমস্যা। বিশেষকৈ ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল ৰাষ্ট্ৰত এই সমস্যাই অধিক ভয়াবহ ৰূপ লৈ আহিছে। নিবনুৱা সমস্যাৰ ফলত আয়ৰ উৎস বন্ধ হৈ যায়। ফলত বহু লোক দৰিদ্ৰতাৰ সন্মুখীন হয় আৰু জীৱনযাত্ৰাৰ মান নিম্নগামী হয়।

নিবনুৱা সমস্যাই যুৱসমাজক হতাশ, উদ্বিগ্ন আৰু অসন্তুষ্ট কৰি তোলে। ইয়াৰ ফলত চুৰি, দুৰ্নীতি, অপৰাধ আদি বৃদ্ধি পাব পাৰে। শিক্ষিত আৰু দক্ষ লোকসকলে উপযুক্ত কাম নাপালে তেওঁলোকৰ মেধা আৰু যোগ্যতাৰ অপচয় হয়। ই দেশৰ উন্নয়নতো বাধা দিয়ে। মানৱ সম্পদৰ সঠিক ব্যৱহাৰ নোহোৱাত উৎপাদন হ্ৰাস পায়। দেশৰ সামগ্ৰিক উন্নয়ন প্ৰক্ৰিয়া মন্থৰ হয়। দীৰ্ঘদিন নিবনুৱা সমস্যাই পৰিয়ালত মানসিক চাপ, বিবাদ আৰু অশান্তি সৃষ্টি হয়।

শিক্ষাৰ দিশত এক অভিনৱ পৰিৱৰ্তনৰ চেষ্টা আগত ৰাখি আমাৰ দেশত ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ উত্থাপন কৰা হয়। ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ (NEP 2020)এ পুৰণি শিক্ষা ব্যৱস্থাৰ ১০+২ ব্যৱস্থাৰ ঠাইত নতুন ৫+৩+৩+৪ গঠন প্ৰৱৰ্তন কৰিছে—

ইয়াৰে প্ৰথম স্তৰ যাক ভেঁটি নিৰ্মাণ স্তৰ বা Foundational Stage বুলি কোৱা হয়, এই স্তৰত ৩-৫ বছৰলৈ খেলৰ জৰিয়তে শিক্ষাদান ভাষা বিকাশ, সংখ্যা জ্ঞান, মৌলিক দক্ষতা ইত্যাদিত গুৰুত্ব প্ৰদান কৰা হয়।

দ্বিতীয় স্তৰ(Preparatory Stage)ত ৮-১১ বছৰলৈ পাঠ, লিখা, গণিত, বিজ্ঞান, কলা আদি বিষয়ত বুনিয়াদি জ্ঞান শক্তিশালী কৰাত গুৰুত্ব দিয়া হয়।

(Middle Stage)ত১১-১৪ বয়সলৈ বিষয়ভিত্তিক শিক্ষা আৰম্ভ, সমালোচনামূলক চিন্তা কাৰিকৰী/বৃত্তিমূলক শিক্ষাৰ জ্ঞান দিয়া হয়। লগতে এইবোৰৰ ব্যৱহাৰিক প্ৰয়োগ শিকোৱা হয়।

Secondary Stage ( ১৪ৰ্ পৰা ১৮ বছৰলৈ) বিষয় বাছনিৰ স্বাধীনতা (Science, Arts, Commerce ভাগ নাথাকে), দক্ষতা, বিশ্লেষণাত্মক চিন্তা, জীৱন দক্ষতাক অন্তৰ্ভুক্ত কৰিছে।

সাম্প্ৰতিক শিক্ষাই বৃত্তিমূলক জ্ঞান, ব্যৱহাৰিকতা, কৌশল বিকাশৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। ভৱিষ্যতে যাতে সকলোৱে নিজৰ কৌশল অনুসাৰে বিভিন্ন দিশত কৰ্ম কৰি নিজৰ জীৱিকা অৰ্জন কৰিব পাৰে তাত গুৰুত্ব প্ৰদান কৰিছে।

NEP 2020-ৰ লক্ষ্য হৈছে শিক্ষাক আধুনিক, নমনীয় আৰু সময়োপযোগী কৰি শিক্ষাৰ্থীক সবাংগীন শিক্ষা প্ৰদান কৰি ভৱিষ্যতৰ বাবে প্ৰস্তুত কৰা।

ইয়াৰোপৰি চৰকাৰে বিভিন্ন আচনি প্ৰদানেৰে শিক্ষাৰ ক্ষেত্ৰত যুৱচামক আগুৱাই নিয়াৰ সমান্তৰালভাৱে নিবনুৱা সমস্যা সমাধানত গুৰুত্ব দিছে। বিভিন্ন জলপানি, মাহিলী পঢ়াৰ খৰচ প্ৰদান কৰিছে। উচ্চ প্ৰযুক্তি সম্পন্ন পৰীক্ষাগাৰ, ডিজিটেল শিক্ষাৰ ব্যৱস্থা কৰিছে।

ইমানৰ পিছতো আমাৰ দেশত নিবনুৱা সমস্যাৰ ভয়াবহতা কমা নাই। ইয়াৰ কাৰণসমূহৰ ভিতৰত এটি কাৰণ হ'ল আমাৰ মানসিকতা। চৰকাৰী চাকৰিৰ প্ৰতি আমাৰ সমাজখনৰ এটি দুৰ্বলতা আছে। আমাৰ যুৱচামে চাকৰি ল'ব লাগিব, কিন্তু চাকৰিয়েই শেষ আশ্ৰয় হ'ব নালাগে। চৰকাৰে চাকৰি প্ৰদান কৰি আছে কিন্তু সকলোৰে বাবে একেলগে চাকৰিৰ যোগান ধৰাতো সহজ নহয়। সেয়েহে যুৱচামে বিভিন্ন ব্যৱসায়ী, হস্তকলা, বৃত্তিমূলক শিক্ষাৰ দিশত আগবাঢ়িব লাগে। অভিভাৱক তথা সমাজেও তেওঁলোকক উৎসাহ প্ৰদান কৰিব লাগে। যুৱশক্তি হৈছে আমাৰ দেশৰ চালিকা শক্তি। তেওঁলোকেও শিক্ষাগ্ৰহণৰ সময়ত নিজৰ আগ্ৰহ অনুসাৰে বিষয় বাছনি কৰি সেই বিষয়ত নিজৰ দক্ষতা বৃদ্ধি কৰিব লাগে। নিজৰ বন্ধুক দেখি বা আনক দেখি আগ্ৰহ নোহোৱা দিশত আগবাঢ়িব নালাগে।

চৰকাৰে বহুখিনি কাম হাতত লৈ নিবনুৱা সমস্যা হ্ৰাস কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে যদিও ইয়াৰ সফল ৰূপায়ণ হৈছেনে নাই তাত তদাৰক কৰিব লাগে। বৰ্তমানো বহু শিশু শিক্ষাৰ পৰা বঞ্চিত হৈ আছে। চৰকাৰে সকলোৰে প্ৰয়োজন আগত ৰাখি শিক্ষা সকলোৰে বাবে সহজ কৰি তুলিব লাগে। প্ৰতিখন ৰাজ্যৰে যুৱচামে যাতে কামৰ সন্ধানত বাহিৰৰ ৰাজ্যত যাব লগা নহয় বা দুপইচা বেছি পোৱাৰ আশাত জীৱন মৰণ এক কৰিব লগা নহয় তাৰবাবে চৰকাৰে নিজৰ নিজৰ ৰাজ্যত বিভিন্ন কামৰ বাবে নিজৰ যুৱচামক কৌশলী কৰি তুলিব লাগে। চৰকাৰ, প্ৰশাসন, বেচৰকাৰী সংস্থা, সমাজ, অভিভাৱক সকলোৱে মিলি নিবনুৱা সমস্যা হ্ৰাসকৰাত যৌথ অৰিহণা যোগাব লাগিব। যুৱচামক হতাশা, অপৰাধৰ কালগহ্বৰৰ পৰা উলিয়াই আনিব।

# নিৰ্বাচন, প্ৰতিনিধি আৰু জনতা

হিমাশ্ৰী বৰুৱা

**নি**ৰ্বাচন বুলিলেই দেশত তোল-পাৰ লাগে। কি এক উথপথপ পৰিৱেশ: যেন পৰিয়ালৰ কোনোবা এজনৰ এটা সংস্থাপন হ'ব, ঘৰখনৰ আৰু পৰিয়ালৰ বাকী সদস্যসকলৰ উন্নতি হ'ব, সকাহ হ'ব। সেয়ে ইমান উখল-মাখল। যিগৰাকী নেতাই ৰাইজৰ বিশ্বাসত নিৰ্বাচন খেলে, সেই নেতা গৰাকীও দেশৰ, ৰাজ্যৰ অথবা কোনো এটা সমষ্টিৰ বাবে পৰিয়াল এটাৰ সংস্থাপন হোৱা সেই সদস্যজনৰ দৰেই।

ঘৰৰ পৰা দূৰৈত পঢ়ি থকা ছোৱালীজনীও ভোটদানৰ দিনা ভোটটো দিবলৈ ততাতৈয়াকৈ আহে। তাইৰ মনত এটা সপোনৰ বীজ গঁজে: মানুহজন জিকিলে হয়তো সিহঁতৰ ঠাইখিনিতেই উন্নত শিক্ষা গ্ৰহণৰ সুবিধা হ'ব। তাইৰ দৰে তাইৰ ভায়েক-ভনীয়েক অথবা চুবুৰীয়াৰ ল'ৰা ছোৱালীয়ে পৰিয়ালৰ পৰা আঁতৰত অচিন ঠাইত গৈ পঢ়িব নালাগিব।

মহানগৰীত কৰ্পৰেট চাকৰি কৰি থকা ল'ৰা জনেও এটা দিনৰ ছুটী লৈ ভোট দিবলৈ ঢাপলি মেলে। ভোটটো দি উভতিবই লাগিব। পিছদিনা পুৱা ৯ টাত পোৱাকৈ যাবলৈ তাৰ গাঁওখনৰ যাতায়ত আৰু ৰাস্তা-ঘাট একেবাৰে বেয়া। সেয়ে ভোটটো দিয়েই আবেলিৰ বাছখনত উভতি যাব। যাওঁতে লগতে সি লৈ গৈছে এটা বিশ্বাস: মানুহজন জিকিলে অন্ততঃ গাঁওখনৰ ৰাস্তা পদূলিবোৰ ভাল হ'ব।

বয়সে কোঙা কৰা, বিষত জুৰুলা মানুহজনেও কাৰোবাক খাটনি ধৰে ভোটটো দিব তেওঁক লৈ যাবলৈ। এটাই আশা: মানুহজন জিকিলে হয়তো পেঞ্চনৰ কামটো হ'ব। ঔষধখিনিৰ যোগাৰ হ'ব। গাঁৱৰ মন্দিৰটোৰ উন্নয়নৰ লগতে নতুন চামৰ বিকাশ হ'ব।

বাৰে বাৰে টেট দি সফল হৈয়ো বিফল হোৱা জেনেৰেল কাষ্টৰ ল'ৰাজনে কোম্পানীত চাকৰি কৰি আছে। উচিত সংস্থাপন নহ'লেও নিবনুৱা হ'ব নোৱাৰি। ভোট দিয়াৰ বাবেই আধা বেলাৰ ছুটী লয় সি।

এনে প্ৰসংগ অনেক আছে। ভোটৰ আঁৰত নিহিত হৈ থাকে নেতাগৰাকীৰ প্ৰতি সাধাৰণ মানুহৰ বিশ্বাস। এজন মানুহ নেতা হ'বলৈ ৰাজনীতিৰ জ্ঞান থকাৰ লগতে মানুহজনৰ হৃদয়ত থাকিব লাগিব তেওঁৰ ওপৰত ভৰসা কৰা মানুহখিনিৰ প্ৰতি কৰ্তব্য। ইমানবোৰ মানুহৰ আস্থাক সাৰথি হিচাপে লৈ ৰাজনৈতিক জীৱনত আগবাঢ়ি যোৱা নেতাসকলে নিৰ্বাচনত জয়ী হৈ নিৰ্বাচনৰ আগৰ কথাবোৰ, প্ৰতিশ্ৰুতিবোৰ মনত ৰাখি সাধ্যানুসাৰে ৰাইজখনক আগবঢ়াই লৈ গ'লেহে মোৰ বোধেৰে এগৰাকী সফল আৰু উপযুক্ত প্ৰতিনিধি বুলিব পাৰি। সামগ্ৰিক উন্নয়ন তথা আৰ্থিক ক্ষেত্ৰখনত দুৰ্বল মানুহখিনিৰ বাবে জনপ্ৰতিনিধিগৰাকী সদায় সচেতন হৈ থকাৰ প্ৰয়োজন।

প্ৰায়ে এনে হয় যে নিৰ্বাচনৰ আগত নিজে আহি আস্থা প্ৰদান কৰি যোৱা নেতাজনে জয়লাভ কৰাৰ পাছত সেই একেজন নেতাকেই জনতাই বিচাৰি হাবাথুৰি খাবলগীয়া হয়। লগ কৰিবলৈ ঘণ্টাৰ পিছত ঘণ্টা তেওঁৰ কাৰ্যালয় অথবা ঘৰত বৈ থাকিবলগীয়া হয়। সভা এখনত তেওঁক এবাৰ লগ পাবলৈও জনতাই সুবিধা নাপায়। কেতিয়াবা তেওঁক বিশেষ কোনো কথা বা কামৰ কথা ক'বলৈ গৈ অথবা গামোচা এখন পিন্ধাবলৈ গৈ উভতি আহে সাধাৰণ জনতা। কাৰণ বাট ভেটি ধৰে তেওঁৰ লগত ঘূৰি ফুৰা একাংশ মানুহে। ৰাইজে নিৰ্বাচন কৰা নেতাজনৰ ওচৰত তেওঁৰ সৈতে সামাজিক সমস্যা তথা প্ৰয়োজনবোৰ আলোচনা কৰিব পৰাকৈ ৰাইজৰ অধিকাৰ থাকে। নেতাসকল ব্যস্ত থাকে সেইকথা ৰাইজেও বুজে কিন্তু ব্যস্ততা আৰু প্ৰয়োজনবোধ নকৰাৰ মাজৰ পাৰ্থক্যটো এটা সময়ত ৰাইজে বুজি উঠে। তেতিয়াই দুখ আৰু ক্ষোভত ক্ষুণ্ণ হয় তেওঁলোকে বিশ্বাস কৰি নেতৃত্ব দিয়াৰ বাবে নিৰ্বাচিত কৰা প্ৰতিনিধি গৰাকীৰ ওপৰত। সেইগৰাকী নেতাই যেতিয়া পুনৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰে তেওঁ ৰাইজৰ মনত নিৰ্বাচনৰ আগতেই পৰাজিত হয়। জননেতা হ'বলৈ অৰ্থবল, সামৰ্থ আৰু ৰাজনৈতিক জ্ঞানে যথেষ্ট নহয়। কেতিয়াবা দেখা যায় যে ৰাইজৰ অত্যন্ত প্ৰিয় নেতাগৰাকীও প্ৰতিদ্বন্দ্বিতাৰ পৰা বঞ্চিত হয়। তথাপিও কিন্তু সেইগৰাকী নেতাক ৰাইজে সদায় থাউকতে পোৱা ঘৰৰ সদস্যজনৰ লেখীয়াকৈ নিজৰ ঠাইখিনিৰ মানুহে তেওঁক বিচাৰি থাকে। এইখিনিতেই তেওঁ আকৌ এবাৰ জয়ী হয় বিনা প্ৰতিদ্বন্দ্বিতাৰে। জনতাৰ বিশ্বাস, আস্থা আৰু ভৰসাক আদৰ কৰা জনহে এগৰাকী সফল আৰু প্ৰকৃত নেতা।

# চামগুৰিত কংগ্ৰেছৰ প্ৰাৰ্থীক লৈ চিন্তিত স্বভিমানী কংগ্ৰেছীসকল, বিবেক ভোটৰ চৰ্চা

**অসম বাৰ্তা, ৰূপহীহাট, ৩০ মাৰ্চ ঃ** নিৰ্বাচনৰ দিন যিমানেই চমু চাপি আহিছে সিমানেই চামগুৰিত স্বভিমানী কংগ্ৰেছী সকলৰ মাজত আৰম্ভ হৈছে দুশ্চিন্তা। চামগুৰিত কংগ্ৰেছৰ প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিছে ৰকিবুল হুছেইনৰ পুত্ৰ তাঞ্জিল হুছেইনক। চামগুৰিত বহু যোগ্য প্ৰাৰ্থীয়ে কংগ্ৰেছৰ টিকটৰ বাবে আবেদন কৰিছিল যদিও সাংসদ ৰকিবুল হুছেইনৰ ওচৰত কংগ্ৰেছৰ হাইকমাণ্ডে মূৰ নত কৰি তাঞ্জিল হুছেইনক চামগুৰিত কংগ্ৰেছৰ প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰে। চামগুৰিত কংগ্ৰেছৰ প্ৰাৰ্থী জনক সমষ্টিটোত শিশু নেতা হিচাপে জনাজাত হৈ পৰিছে। চামগুৰিত শিশু নেতা হিচাপে পৰিচিত তাঞ্জিল হুছেইনৰ কৰ্ম-কাণ্ডই চিন্তিত কৰি তুলিছে কংগ্ৰেছী মহলত। চামগুৰিত তাঞ্জিলে পিতৃৰ অনুপস্থিত কোনো এখন সভা কৰিব নোৱাৰে। সমষ্টিটোত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ সভা সমিতিত ভাষণত প্ৰায়ে তাঞ্জিলৰ জিবা পিছল খায়। তাঞ্জিলৰ ভাষণে ভোটাৰ ৰাইজৰ মন জয় কৰিব পৰা নাই সমষ্টিটোত। যাৰ বাবে সমষ্টিটোত সচেতন ভোটাৰ সকলৰ মাজত এটা চৰ্চাৰ বিষয় হৈ পৰিছে যে যিজন প্ৰাৰ্থীয়ে দুই-তিনিশ মানুহৰ আগত পিতৃ নাথাকিলে ভাষণ দিব নোৱাৰে সেইজনে বিধানসভাৰ মজিয়াত গৈ কি কৰিব। এনে নেতা বিধান সভাৰ মজিয়াত গলে গোটেই অসমে চামগুৰি সমষ্টিক লৈ হাঁহিব। চামগুৰিত তাঞ্জিলক লৈ স্বয়ং স্বভিমানী কংগ্ৰেছীসকলেই চিন্তিত হৈ পৰা দেখা গৈছে। চামগুৰিত এইবাৰ দল চাই নহয় উপযুক্ত ব্যাক্তিক ভোট দিয়াৰ চিন্তা চৰ্চা সমষ্টিজুৰি আৰম্ভ হৈ গৈছে। চামগুৰিৰ পৰা এইবাৰ এজন যোগ্য প্ৰাৰ্থীক নিৰ্বাচিত কৰিবৰ চিন্তা চৰ্চা চলিছে যিয়ে নেকি বিধানসভাৰ মজিয়াত গৈ সমষ্টিৰ সমস্যাৰ কথা সিংহৰ দৰে গৰ্জন দি দাঙি ধৰিব পাৰে। চামগুৰিত এইবাৰ ভোটাৰ ৰাইজে বিবেক ভোট দিয়াৰ চিন্তা চৰ্চা আৰম্ভ কৰিছে। ইপিনে পুত্ৰক টিকট দি পিতৃ তথা কংগ্ৰেছৰ ষ্টাৰ কেম্পেইনাৰ ৰকিবুল হুছেইনো এক প্ৰকাৰ বিপদত পৰিছে। পুত্ৰক অকলে সমষ্টিটোত প্ৰচাৰত দিব নোৱাৰে। ক'ত কি কৈ দিয়ে ঠিক নাই। যাৰ বাবে কংগ্ৰেছৰ ষ্টাৰ কেম্পেইনাৰ ৰকিবুল হুছেইন চামগুৰি এৰি বেলেগ সমষ্টিত কংগ্ৰেছৰ প্ৰচাৰৰ বাবে যাব নোৱাৰা অৱস্থা হৈছে। পুত্ৰৰ লগত সমষ্টিটোত ৰকিবুল হুছেইন জঁপিয়াই পৰাত এইটো সহজেই অনুমান কৰিব পাৰি যে সমষ্টিটো কংগ্ৰেছৰ বাবে সহজ হৈ থকা নাই। বহু কংগ্ৰেছীয়ে প্ৰশ্ন কৰিছে যদি চামগুৰি সমষ্টিটো কংগ্ৰেছৰ দখলত নিবই লাগে তেন্তে ৰকিবুল হুছেইন কিয় নিজে নিৰ্বাচন খেলা নাই। গৌৰৱ গগৈ সাংসদ হৈইও যদি যোৰহাটৰ পৰা নিৰ্বাচন খেলিব পাৰে তেন্তে ৰকিবুল হুছেইনে কিয় নোৱাৰে বুলি সমষ্টিটোত চৰ্চা চলিছে। চামগুৰিত এইবাৰ কংগ্ৰেছী সকলৰ মাজতে এনে বহু খেলিমেলি দেখিবলৈ পোৱা গৈছে। যাৰ বাবে সমষ্টিটো কংগ্ৰেছৰ বাবে সহজ হৈ থকা নাই বুলি ৰকিবুল হুছেইনে নিজেও গম পাই বেলেগ সমষ্টিত প্ৰচাৰ বাদ পুত্ৰ উদ্ধাৰত নামি পৰা বুলি সৰৱ চৰ্চাৰ বিষয় হৈ পৰিছে।

**দুঘণ্টাৰ অন্তৰে-অন্তৰে দিব ভোটদানৰ তথ্য; প্ৰতিগৰাকী প্ৰিজাইডিং বিষয়াৰ লগত থাকিব পোনপোটীয়া যোগাযোগ**

# নিৰ্বাচনৰ বাবে সক্ৰিয় কৰা হৈছে গোৱালপাৰা জিলা প্ৰশাসনৰ তথ্য প্ৰযুক্তি বিজ্ঞান চেল

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ৩০ মাৰ্চ ঃ** বিধানসভাৰ সাধাৰণ নিৰ্বাচন-২০২৬ গোৱালপাৰা জিলাত সুকলমে অনুষ্ঠিত কৰাৰ বাবে ভাৰত নিৰ্বাচন আয়োগৰ নিৰ্দেশনাসমূহৰ ভিত্তিত সকলো দিশত প্ৰস্তুত হৈ আছে গোৱালপাৰা জিলা প্ৰশাসন। তথ্য প্ৰযুক্তি বিজ্ঞানৰ অগ্ৰগতিৰ সমান্তৰালভাৱে ভাৰত নিৰ্বাচন আয়োগে নিৰ্বাচনতো পূৰ্বৰ তুলনাত তথ্য প্ৰযুক্তিবিজ্ঞানৰ প্ৰয়োগ বহু পৰিমাণে বৃদ্ধি কৰিছে। এই পদক্ষেপ সমূহে আমাৰ দেশত অধিক স্বচ্ছ আৰু নিখুঁত কাৰ্য প্ৰণালীৰে নিৰ্বাচন অনুষ্ঠিত কৰাত সহায় কৰিছে আৰু কামৰ গতিও বৃদ্ধি কৰিছে। সেয়ে, গোৱালপাৰা জিলা প্ৰশাসনে নিৰ্বাচনৰ ভোটদানৰ তথ্য আৰু ভোট গণনাৰ ফলাফলৰ তথ্যৰ নিখুঁততা আৰু ক্ষিপ্ৰতৰ সৰবৰাহৰ বাবে তথ্য প্ৰযুক্তিবিজ্ঞান চেল (Information and Technology Cell ) গঠন কৰিছে। ভোটগ্ৰহণৰ আগদিনাখন ভোটগ্ৰহণকাৰী দলে ভোটিং মেচিন সংগ্ৰহ কৰি যাত্ৰা আৰম্ভ কৰাৰ পৰা ভোটগ্ৰহণ সমাপ্ত কৰি ভোটগ্ৰহণৰ সমস্ত সামগ্ৰী জমা দিয়ালৈ - সকলো তথ্য এইবাৰ প্ৰিজাইডিং বিষয়াসকলে ECINET আৰু PRO appৰ জৰিয়তে অনলাইন দি থাকিব আৰু এই প্ৰক্ৰিয়াটো আইটি চেলে তদাৰক কৰি থাকিব। ভোটগ্ৰহণৰ দিনাখন প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰৰ ম'ক পোলৰ ( Mock Poll ) তথ্য, প্ৰতি দুঘণ্টাৰ মূৰে মূৰে ভোটদানৰ তথ্য, ভোটগ্ৰহণ সমাপ্তৰ তথ্য আদি তথ্য প্ৰযুক্তিবিজ্ঞান চেলৰ দ্বাৰা আহৰণ কৰা হ'ব আৰু সকলো তথ্য ৰাজহুৱাকৈ প্ৰকাশ কৰা হ'ব। তদুপৰি ভোটগণনাৰ ফলাফলৰ তথ্য ভাৰত নিৰ্বাচন আয়োগলৈ প্ৰেৰণ কৰা আৰু জনসাধাৰণৰ বাবে বিভিন্ন মাধ্যমত প্ৰচাৰ কৰাৰ ক্ষেত্ৰত আইটি চেলৰ ভূমিকা অপৰিহাৰ্য। আজি আই-টি চেলৰ সদস্য সকলক প্ৰশিক্ষণ প্ৰদান কৰে ৰাষ্ট্ৰীয় তথ্য প্ৰযুক্তি বিজ্ঞান কেন্দ্ৰ, গোৱালপাৰাৰ জিলা প্ৰযুক্তিবিজ্ঞান বিষয়া ভাস্কৰ মালাকাৰ আৰু তেখেতৰ সহযোগী সকলে। গোৱালপাৰা জিলা আয়ুক্ত কাৰ্যালয়ৰ সভা গৃহত হোৱা এই প্ৰশিক্ষণত জিলা নিৰ্বাচনী বিষয়া মহোদয়েও আইটি চেলৰ সদস্যসকলৰ লগত মত বিনিময় কৰে।

**'মাকুম জংচন'ৰ পৰিৱৰ্তে কৰা হ'ল 'মাকুম'**

# সলনি কৰি দিয়া হ'ল ঐতিহাসিক মাকুম জংচন ৰে'লৱে ষ্টেচনৰ নাম




**অসম বাৰ্তা, মাকুম, ৩০ মাৰ্চ ঃ** ১৮৮৩ চনৰ ১৬ জুলাই তাৰিখে বৃটিছ চৰকাৰে মাকুমত স্থাপিত কৰা মাকুম জংচন ৰেলৱে ষ্টেচন। বহু লোকৰ স্মৃতি, বহু ইতিহাস, বহু আন্দোলন-প্ৰতিবাদ, বহু ঘটনা-পৰিঘটনা ইত্যাদিৰে সমৃদ্ধ ঐতিহাসিক মাকুম জংচন ৰে'লৱে ষ্টেচন। সমগ্ৰ ভাৰত বৰ্ষত ১০৩টা ৰে'লৱে ষ্টেচন উন্নীতকৰণৰ বাবে "অমৃত ভাৰত ষ্টেচন" নামৰ আঁচনি প্ৰস্তুত কৰি ২০২৫ বৰ্ষত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰেলৱে ষ্টেচন সমূহৰ উন্নীতকৰণৰ আধাৰশিলা ভাৰ্চুৱেলী উদ্বোন কৰিছিল। ১০৩টা ৰে'লৱে ষ্টেচনৰ ভিতৰত মাকুম জংচন ৰে'লৱে ষ্টেচনৰ উন্নীতকৰণৰ কাম আৰম্ভ হৈছিল। ষ্টেচনটোৰ উন্নীতকৰণ কাম সম্পূৰ্ণ নহওঁতেই আজি তিনিচুকীয়া মণ্ডল ৰে'ল প্ৰবন্ধক কাৰ্যালয়ৰ তৰফৰ পৰা ঐতিহাসিক মাকুম জংচন ৰে'লৱে ষ্টেচনৰ নাম সলনি কৰি মাকুম নামেৰে নামকৰণ কৰা হ'ল। ১৪৩ বছৰীয়া ঐতিহাসিক মাকুম জংচন ৰে'লৱে ষ্টেচনৰ নাম সলনি কৰি মাকুম নামেৰে নামকৰণ কৰাত অসন্তুষ্টি প্ৰকাশ কৰিছে আছুৰ নেতৃবৃন্দকে ধৰি মাকুমৰ স্থানীয় ৰাইজে। মাকুম জংচন ৰে'লৱে ষ্টেচন নামেৰে ইতিহাসৰ পৃষ্ঠাত নাম সন্নিৱিষ্ট থকা ষ্টেচনটোৰ কিহৰ বাবে নাম সলনি কৰিবলগীয়া হ'ল তাকেলৈ বিভিন্ন ধৰণৰ প্ৰশ্ন উত্থাপিত হৈছে।

# গোলকগঞ্জ চিলাৰায় মেলা ময়দানত কেন্দ্ৰীয় গৃহমন্ত্ৰী "অমিত শ্বাহৰ" বৃহৎ জনসভাৰ আয়োজন

**অসম বাৰ্তা, আগমনি, ৩০ মাৰ্চ ঃ** অসমৰ সমষ্টিয়ে সমষ্টিয়ে শাসক-বিৰোধীৰ নিৰ্বাচনী প্ৰচাৰ। দিনে নিশাই ভোটাৰক আকৃষ্ট কৰাৰ চেষ্টা প্ৰাৰ্থীৰ। গোলকগঞ্জ বিধান সভা সমষ্টিত আকৰ্ষণীয় হৈছে নিৰ্বাচনী প্ৰেক্ষাপট। উল্লেখ্য যে উক্ত জনসভাত ধুবুৰী সভাপতি শ্ৰীৰঞ্জিত কুমাৰ ৰায় তথা একাংশ বিজেপিৰ কাৰ্য্যাকৰ্তা ধুবুৰী জিলা বাসী ৰাইজৰ উপস্থিত একান্ত ভাৱে কৰে। নিৰ্বিচনী বতাহ গৰম হোৱাৰ লগে লগে, অসমত আগমন ঘটিছে বিজেপি দলৰ কেন্দ্ৰীয় মন্ত্ৰী আৰু শীৰ্ষ নেতৃত্বৰ। ইয়াৰে লগত সংগতি ৰাখি অহা ০২ এপ্ৰিল, ২০২৬ ইং তাৰিখে, ৰতিয়াদহ চিলাৰায় মেলা মইদানত ভাৰতবৰ্ষৰ কেন্দ্ৰীয় গৃহমন্ত্ৰী "অমিত শ্বাহই" এখন বৃহৎ জনসভাৰ জৰিয়তে গোলকগঞ্জবাসী ৰাইজক সম্বোধন কৰিব। তাৰে প্ৰস্তুতিৰে আজি ৬ নং গোলকগঞ্জ বিধানসভা সমষ্টিৰ অন্তৰ্গত ৰতিয়াদহ চিলাৰায় মেলা মইদানত, বিজেপি ধুবুৰী জিলা সভাপতি ৰঞ্জিত কুমাৰ ৰায়ৰ উপস্থিতিত, গোলকগঞ্জ বিধানসভাৰ নিৰ্বাচন প্ৰবন্ধন কমিটিৰ কাৰ্যকৰ্তাৰ সৈতে এখন অতি গুৰুত্বপূৰ্ন সভা অনুষ্ঠিত হয়। জিলা সভাপতিয়ে অৱগত কৰায় যে, ভাৰতবৰ্ষৰ গৃহমন্ত্ৰী অমিত শ্বাহজীৰ চৰকাৰী ভাৱে ব্যৱস্থা গ্ৰহণ কৰাৰ উপৰিয়ো, বিজেপিৰ দলীয় ভাৱে এই বিশাল জনসভাত উপস্থিত হোৱা প্ৰতিজন ৰাইজক সুন্দৰ ব্যৱস্থা প্ৰদান কৰাৰ দায়িত্ব। ৰাইজৰ বাবে খোৱা পানীৰ ব্যৱস্থা, স্বচ্ছতা, সু-শৃঙ্খলতা ইত্যাদি ব্যৱস্থাত বিজেপিৰ দলীয় কাৰ্যকৰ্তা সকলে সুন্দৰকে পৰিচালনা কৰি, সভাখন সাফল্য মণ্ডিত কৰি তুলিব লাগিব বুলি সভাপতি, গৰাকীয়ে আৰু জনায়, গোলকগঞ্জত বিধানসভাত এইবেলি ভাৰতীয় জনতা পাৰ্টিৰ প্ৰাৰ্থী "অশ্বিনী ৰায় সৰকাৰৰ" জয় প্ৰায় নিশ্চিত হৈ পৰিছে, আৰু যিখিনি আধুৰুৱা হৈ আছিল, সেই খিনিও পূৰন হৈ পৰিব মাননিয় গৃহমন্ত্ৰীৰ আগমনৰ ফলত। এইবাৰ গোলকগঞ্জবাসী ৰাইজৰ আশীৰ্বাদত বিপুল ভোটত জয়যুক্ত হৈ বিজেপি প্ৰাৰ্থী অশ্বিনী ৰায় সৰকাৰ অসম বিধানসভাত বিজেপি মিত্ৰজোট চৰকাৰ অংশ হবলৈহে কেৱল বাকী।

# ডিব্ৰুগড় কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অৱসৰী কৰ্মচাৰী ৰামু মালিৰ মৃত্যু

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৩০ মাৰ্চ ঃ** ডিব্ৰুগড়ৰ কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত চতুৰ্থ বৰ্গৰ কৰ্মচাৰী ৰামু মালিৰ আজি সন্ধিয়া প্ৰায় ৫ বজাত বাৰ্ধক্যজনিত কাৰণত প্ৰায় ৬১ বছৰ বয়সত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুই পুত্ৰ আৰু এগৰাকী কন্যা সন্তানসহ বহু আত্মীয়-স্বজন এৰি যায়। উল্লেখযোগ্য যে, ২০২৫ চনৰ ৩১ ডিচেম্বৰত তেওঁ চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। ২৫ বছৰতকৈও অধিক কাল ধৰি তেওঁ মহাবিদ্যালয়খনত অস্থায়ীভাৱে নিষ্ঠাৰে কৰ্ম সম্পাদন কৰি আহিছিল। পাছলৈ ২০০৮ চনত তেওঁৰ চাকৰি নিয়মীয়াকৰণ হৈছিল। প্ৰথমাৱস্থাত ৰামু মালি মহাবিদ্যালয় প্ৰধান চৌহদত পৰিয়ালসহ বসবাস কৰিছিল। পাছলৈ অৱসৰৰ পিছত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়দেব গগৈয়ে তেওঁক বাণীপুৰস্থিত মহাবিদ্যালয়ৰ তৃতীয় চৌহদত বাসগৃহ নিৰ্মাণ কৰি থাকিবলৈ সুবিধা কৰি দিয়ে। তাতেই তেওঁ সৰু পুত্ৰ জিতেন্দ্ৰ মালি (মহাবিদ্যালয়ৰ কৰ্মচাৰী) আৰু পৰিয়ালৰ সৈতে বসবাস কৰি চৌহদৰ চোৱাচিতা কামত নিয়োজিত আছিল। তেওঁৰ মৃত্যুত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়দেৱ গগৈৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

**বিশ্বনাথ-বিহালী-গহপুৰ বিধানসভা সমষ্টিত ২০টা ভোট গ্ৰহণকাৰী বিষয়াৰ দলে ঘৰে-ঘৰে গৈ কৰিব ভোটগ্ৰহণ**

# বিশ্বনাথ নিৰ্বাচনী জিলাত ৮৫ বছৰ বয়সৰ উৰ্দ্ধৰ আৰু বিশেষভাৱে সক্ষম ভোটাৰক বিশেষ সুবিধা

**অসম বাৰ্তা, বিহালী, ৩০ মাৰ্চ ঃ** বিশ্বনাথ নিৰ্বাচনী জিলাতো সমাগত বিধানসভা নিৰ্বাচন, ২০২৬ৰ বাবে ৮৫ বছৰ বয়সৰ উৰ্দ্ধৰ জ্যেষ্ঠ নাগৰিক আৰু বিশেষভাৱে সক্ষম ব্যক্তিৰ অন্তৰ্ভুক্ত ভোটাৰৰ বাবে ভোটদানৰ বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে। সমাগত ৯ এপ্ৰিলত অনুষ্ঠিত হ'ব লগা এই বিধানসভা নিৰ্বাচনৰ বাবে বেলট পেপাৰৰ জৰিয়তে এই সকল বিশেষ ভোটাৰৰ ঘৰে ঘৰে গৈ ভোটগ্ৰহণ কৰা প্ৰক্ৰিয়া সম্পাদন কৰিব বিশ্বনাথ জিলা প্ৰশাসনৰ পোষ্টেল বেলট কোষে। এই উদ্দেশ্যে নিযুক্ত কৰা ভোটগ্ৰহণকাৰী দলসমূহে কাইলৈৰ পৰা অৰ্থাৎ ৩১ মাৰ্চৰ এনে ভোট গ্ৰহণ প্ৰক্ৰিয়া বিশ্বনাথ জিলাত আৰম্ভ কৰিব। জানিব পৰা মতে ভোট গ্ৰহণকাৰী দল সমূহে ৩১ মাৰ্চৰ পুৱা প্ৰায় ৭ বজাৰ পৰা নিৰ্বাচনী জিলাখনৰ তিনিওটা বিধানসভা সমষ্টি ক্ৰমে ৭০ নং বিশ্বনাথ, ৭১ নং বিহালী (অনুসূচীত জাতি) আৰু ৭২ নং গহপুৰ বিধানসভা সমষ্টিৰ ভোটাৰ সকলৰ ভোট গ্ৰহণ কৰিব। জানিব পৰা মতে মাইক্ৰ অবজাৰভাৰ, পুলিং বিষয়া, দ্বিতীয় পুলিং বিষয়া (পৰ্যবেক্ষক), আৰক্ষী, ফটোগ্ৰাফাৰ, ভিডিঅ'গ্ৰাফাৰ সমন্বিতে গঠন কৰা ভোটগ্ৰহণকাৰী ২০টা দলে বিশ্বনাথ নিৰ্বাচনী জিলাত এনে বিশেষ ভোটাৰৰ ঘৰে ঘৰে গৈ ভোটগ্ৰহণ কৰা প্ৰক্ৰিয়া সম্পন্ন কৰিব। পোষ্টেল বেলট কোষে জানিবলৈ দিয়ামতে ইয়াৰে ৫টা দলে ৭০ নং বিশ্বনাথ বিধানসভা সমষ্টিত, ৪টা দলে ৭১ নং বিহালী (অনুসূচীত জাতি) বিধানসভা সমষ্টিত আৰু ১১টা দলে ৭২ নং গহপুৰ বিধানসভা সমষ্টিত ভোটগ্ৰহণ প্ৰক্ৰিয়া সম্পন্ন কৰিব। উল্লেখযোগ্য যে, বিশ্বনাথ নিৰ্বাচনী জিলাত ৮৫ বছৰ বয়সৰ উৰ্দ্ধৰ ভোটাৰ আৰু বিশেষভাৱে সক্ষম যিসকল ভোটাৰে পোষ্টেল বেলট পেপাৰৰ জৰিয়তে ভোটদানৰ বাবে আবেদন কৰিছিল, সেই সকলৰ ভিতৰত যোগ্য আবেদনকাৰী ভোটাৰৰ ক্ষেত্ৰত ঘৰে-ঘৰে গৈ ভোটদান কৰাৰ এনে সুবিধা প্ৰদান কৰা হয়। তথ্য অনুসৰি বিশ্বনাথ নিৰ্বাচনী জিলাৰ অন্তৰ্গত ৭০ নং বিশ্বনাথ বিধানসভা সমষ্টিত ৮৫ বছৰ বয়সৰ উৰ্দ্ধৰ আৰু বিশেষভাৱে সক্ষম ভোটাৰ মুঠ ১০৭ গৰাকী (৮৫ বছৰ বয়সৰ উৰ্দ্ধৰ ৮২ গৰাকী, বিশেষভাৱে সক্ষম ২৫ গৰাকী), ৭১নং বিহালী(অনুসূচীত জাতি) বিধানসভা সমষ্টিত মুঠ ১০৬ গৰাকী (৮৫ বছৰ বয়সৰ উৰ্দ্ধৰ ৭৩ আৰু বিশেষভাৱে সক্ষম ৩৩ গৰাকী) আৰু ৭২ নং গহপুৰ বিধানসভা সমষ্টিত মুঠ ২৫৬ গৰাকী (৮৫ বছৰ বয়সৰ উৰ্দ্ধৰ ২০৫ আৰু বিশেষভাৱে সক্ষম ৫১ গৰাকী) ভোটাৰক এনে দৰে ভোট দানৰ বাবে নিৰ্বাচন কৰা হৈছে।

**এইবাৰ ৰাইজে পৰিবৰ্তন বিচাৰিছে; বাণিকান্ত দাসৰ পক্ষত সাধাৰণ জনতা**

# মৰিগাঁৱত অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী বাণিকান্ত দাসৰ ব্যাপক নিৰ্বাচনী প্ৰচাৰ সভা



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ৩০ মাৰ্চ ঃ** আগন্তুক ২০২৬ বিধানসভা নিৰ্বাচনক লৈ মৰিগাঁও জিলাৰ মৰিগাঁও সদৰ সমষ্টিত ৰাজনৈতিক পৰিৱেশ দিনক দিনে অধিক উত্তেজনাপূৰ্ণ হৈ উঠিছে। এই ক্ষেত্ৰত অসম জাতীয় পৰিষদ (এজেপি)ৰ প্ৰাৰ্থী বাণিকান্ত দাসৰ ব্যাপক নিৰ্বাচনী প্ৰচাৰ সভাই ৰাইজৰ মাজত যথেষ্ট সঁহাৰি লাভ কৰিছে। মৰিগাঁও সমষ্টিৰ বিভিন্ন অঞ্চলত অনুষ্ঠিত হোৱা এই প্ৰচাৰ সভাসমূহত সহস্ৰাধিক লোকৰ উপস্থিতি দেখা গৈছে। সভাত উপস্থিত সাধাৰণ জনতাই এইবাৰ পৰিবৰ্তনৰ পক্ষে মত প্ৰকাশ কৰে। "দীৰ্ঘদিন ধৰি ৰমাকান্ত দেউৰীৰ প্ৰতি থকা অসন্তুষ্ট ৰাইজে এইবাৰ নতুন বিকল্প বিচাৰিছে। এইদৰে মন্তব্য কৰে একাংশ সচেতন মহলৰ। বিভিন্ন নিৰ্বাছনি সভাত ভাষণ প্ৰদান কৰি প্ৰাৰ্থী বাণিকান্ত দাসে কয় যে, "মই এই মৰিগাঁৱৰ সন্তান। মৰিগাঁও ৰাইজৰ সমস্যা আৰু প্ৰয়োজনীয়তা মই ভালদৰে বুজি পাঁও। দীৰ্ঘদিন ধৰি মৰিগাঁৱত যি ধৰণৰ ৰাজনীতি চলি আহিছে, সেয়া এতিয়া পৰিবৰ্তনৰ প্ৰয়োজন হৈছে। ৰাইজে যদি মোক সুযোগ দিয়ে, তেন্তে মই মৰিগাঁও সমষ্টিৰ উন্নয়নৰ বাবে নিষ্ঠাৰে কাম কৰিম। তেওঁ লগতে স্থানীয় সমস্যা সমাধানৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে।" ৰাষ্টা-ঘাটৰ উন্নয়ন, শিক্ষা আৰু স্বাস্থ্য ব্যৱস্থাৰ উন্নতি, নিবনুৱা সমস্যাৰ সমাধান আদি বিষয়ত স্পষ্ট ভাৱে মন্তব্য প্ৰকাশ কৰে। যাৰ ফলত মৰিগাঁৱত বহু যুৱক-যুৱতী আৰু মহিলা ভোটাৰ তেওঁৰ পক্ষত আগবাঢ়ি আহিছে বুলি লক্ষ্য কৰা গৈছে। প্ৰচাৰ সভাসমূহত স্থানীয় লোকৰ লগতে দলীয় কৰ্মীসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছে। তেওঁলোকে ঘৰেঘৰে গৈ ভোটাৰৰ সৈতে যোগাযোগ স্থাপন কৰি দলৰ নীতি আদৰ্শ আৰু তেওঁলোকৰ উদ্দেশ্য প্ৰকাশ কৰিছে। ইয়াৰ ফলস্বৰূপে বহু স্থানত সাধাৰণ ৰাইজে ইতিবাচক সঁহাৰি প্ৰদান কৰা দেখা গৈছে। এটা উল্লেখযোগ্য দিশ হৈছে যে, এইবাৰ বিশেষকৈ নতুন প্ৰজন্মৰ ভোটাৰসকলৰ মাজত পৰিবৰ্তনৰ দাবী অধিক জোৰাৰ উঠিছে তেওঁলোকে বিকাশ, স্বচ্ছতা আৰু নতুন চিন্তাধাৰাৰ ৰাজনীতি বিচাৰিছে বুলি প্ৰকাশ কৰে। ৰাজনৈতিক সেইসকলৰ মতে, বানিকান্ত দাসৰ এইব্যাপক প্ৰচাৰ আৰু ৰাইজৰ পৰা পোৱা সঁহাৰিয়ে মৰিগাঁও সমষ্টিত এইবাৰ নিৰ্বাচনী প্ৰতিযোগিতাই বাণিকান্ত দাসক সহজ কৰি তুলিছে। বিশেষকৈ গ্ৰাম্য অঞ্চলত তেওঁৰ প্ৰচাৰ প্ৰভাৱে ভোটৰ সমীকৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। সামগ্ৰিকভাৱে ক'বলৈ গ'লে, মৰিগাঁও সমষ্টিত এই বাৰ নিৰ্বাচনী যুঁজ অধিক তীব্ৰ ৰূপ ধাৰণ কৰিছে। পৰিবৰ্তনৰ দাবীত একাংশ ৰাইজ আগবাঢ়ি অহাৰ ফলত আগন্তুক নিৰ্বাচনত অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী তথা মিত্ৰযোটৰ প্ৰাৰ্থীৰ বাণিকান্ত দাস জয়ী হোৱাটো এক প্ৰকাৰে নিশ্চিত বুলি অনুমান কৰিব পাৰি।

**■ ৰমাকান্ত দেউৰীক ৮০ শতাংশতকৈ অধিক ভোটত জিকাম ■**

# হিমন্ত বিশ্ব শৰ্মা আমাৰ বাবে ভগৱান; আমি কংগ্ৰেছক কোনোপধ্যেই ভোট নিদিওঁ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ৩০ মাৰ্চ ঃ** আগন্তুক বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি সমগ্ৰ মৰিগাঁও জিলাত ৰাজনৈতিক পৰিবেশ তুঙ্গত উঠিছে। এই পৰিবেশত এক বিশেষ শব্দ শুনা গৈছে মহিলা ভোটাৰসকলৰ মাজত। বিভিন্ন অঞ্চলত অনুষ্ঠিত হোৱা নিৰ্বাচনী প্ৰচাৰ সভা আৰু ঘৰে-ঘৰে সম্পৰ্ক অভিযানত মহিলা ভোটাৰসকলে প্ৰকাশ কৰিছে নিজৰ মনৰ কথা। "হিমন্ত বিশ্ব শৰ্মা আমাৰ বাবে ভগৱান স্বৰূপ। তেওঁৰ নেতৃত্বত ৰাজ্যখন উন্নয়নৰ নতুন পথত আগবাঢ়িছে। আমি কংগ্ৰেছক কোনোপধ্যে ভোট নিদিও" এইদৰে স্পষ্টভাৱে মত প্ৰকাশ কৰে বহু মহিলা ভোটাৰে। তেওঁলোকে কয় যে বিগত কিছু বছৰত ৰাজ্যত হোৱা পৰিবৰ্তন, বিশেষকৈ মহিলা সুৰক্ষা, স্বাস্থ্য আৰু আৰ্থিক সহায়ৰ ক্ষেত্ৰত চৰকাৰৰ পদক্ষেপে তেওঁলোকক গভীৰভাৱে প্ৰভাৱিত কৰিছে। মহিলা ভোটাৰসকলৰ মাজত বিশেষকৈ জনপ্ৰিয় হৈ উঠিছে বিভিন্ন কল্যাণমূলক আঁচনি। "অৰুণোদয়", নিজুত মাইনা, লাখপতি বাইদেউ আদি আঁচনিৰ লাভ কৰি বহু মহিলা এতিয়া আত্মনিৰ্ভৰশীল হোৱাৰ পথত আগবাঢ়িছে বুলি তেওঁলোকে উল্লেখ কৰে। এই কাৰণেই তেওঁলোকে পুনৰ বাৰ বিজেপিক সমৰ্থন জনোৱাৰ লগতে ভোট দান কৰিবলৈ সংকল্প গ্ৰহণ কৰিছে। ইয়াৰ লগতে মৰিগাঁও সমষ্টিৰ বিজেপি প্ৰাৰ্থী তথা বৰ্তমানৰ বিধায়ক ৰমাকান্ত দেউৰীৰ প্ৰতিও মহিলা ভোটাৰ সকলৰ আস্থা স্পষ্টভাৱে পৰিলক্ষিত হৈছে। তেওঁলোকে কয় যছ "ৰমাকান্ত দেউৰীক এইবাৰ আমি ৮০ শতাংশতকৈ অধিক ভোটত জিকাম। তেওঁ আমাৰ অঞ্চলৰ উন্নয়নৰ বাবে যথেষ্ট কাম কৰিছে। তেওঁলোকে লগতে উল্লেখ কৰে যে পথ-ঘাট, পানী যোগান, শিক্ষা আৰু স্বাস্থ্য খণ্ডত হোৱা উন্নয়নে সাধাৰণ মানুহৰ জীৱনমান উন্নত কৰিছে। ইয়াৰ ফলস্বৰূপে এইবাৰো বিজেপিৰ জয় নিশ্চিত বুলি তেওঁলোকে দাবী কৰে। এই ক্ষেত্ৰত মহিলা ভোটাৰসকলৰ এই ধৰণৰ একত্ৰিত সমৰ্থনে মৰিগাঁও সমষ্টিৰ নিৰ্বাচনী সমীকৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। বিশেষকৈ গ্ৰাম্য অঞ্চলত মহিলা ভোটাৰৰ সক্ৰিয় অংশগ্ৰহণে এই বাৰ



নিৰ্বাচনৰ ফলাফলত উল্লেখযোগ্য প্ৰভাৱ পেলাব বুলি অনুমান কৰা হৈছে। সামগ্ৰিকভাৱে, মৰিগাঁও জিলাত দেখা গৈছে যে মহিলা ভোটাৰসকলে এইবাৰো উন্নয়ন আৰু গতিশীলতা পক্ষত ভোট দান কৰিবলৈ দৃঢ় সংকল্পবদ্ধ। তেওঁলোকৰ এই স্পষ্ট মতামতে আগন্তুক নিৰ্বাচনত যে মৰিগাঁৱত ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাৰ্থী তথা বৰ্তমানৰ বিধায়ক ৰামা কান্ত ডেউৰী যে বিপুল ভোটৰ ব্যৱধানত জয়লাভ কৰিব সেইটো স্পষ্ট হৈ উঠিছে।

# মাকুম সমষ্টিৰ বিজেপি প্ৰাৰ্থী সঞ্জয় কিষাণৰ নিৰ্বাচনী প্ৰচাৰ তুংগত

**অসম বাৰ্তা, মাকুম, ৩০ মাৰ্চ ঃ** দিনে-নিশাই নিৰ্বাচনী প্ৰচাৰত ব্যস্ত নৱগঠিত মাকুম বিধানসভা সমষ্টিৰ বিজেপি দলৰ মনোনীত প্ৰাৰ্থী সঞ্জয় কিষাণ। সমষ্টিটোৰ অন্তৰ্গত গাঁও কিম্বা বাগিছা সমূহত বিজেপি দলৰ দলীয় কৰ্মী সকলক লগত লৈ নিৰ্বাচনী প্ৰচাৰ চলাই আহিছে সঞ্জয় কিষাণে। তাৰ সমান্তৰালভাৱে আজি মাকুম সমষ্টিৰ অন্তৰ্গত ১২ টাকৈ অঞ্চলত নিৰ্বাচনী প্ৰচাৰ চলালে সঞ্জয় কিষাণে। আজিৰ কাৰ্যসূচীত পোন প্ৰথমে টেঙাপানী গাঁও পঞ্চায়তৰ ৮ নং ৱাৰ্ড জেঙনি গাঁৱত উপস্থিত হৈ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। তিনিচুকীয়া সমষ্টিৰ পৰা পৃথক হৈ মাকুম সমষ্টিত সংযুক্ত হোৱা উক্ত অঞ্চলটো পুনৰাই নিজৰ পৰিয়ালৰ দৰে একত্ৰিত হোৱাৰ অনুভৱ কৰি আপ্লুত হয় সঞ্জয় কিষাণে। তাৰ পাছতে ক্ৰমে হেবেদা বঙালী গাঁও, লাংকাচি ৰবৰবাৰী, গড়বস্তি আদি কৰি ১২টা স্থানৰ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে প্ৰাৰ্থী গৰাকীয়ে। নিৰ্বাচনী প্ৰচাৰ সভা সমূহত ভোটাৰ ৰাইজক সঞ্জয় কিষাণে দিছে ইটোৰ পিছত সিটো প্ৰতিশ্ৰুতি। প্ৰতিখন সভাতেই ৰাইজৰ সঁহাৰি দেখি মাকুম সমষ্টিৰ উন্নয়ন, সমৃদ্ধি আৰু সুদৃঢ় ভৱিষ্যতৰ বাবে ৰাইজৰ আশীৰ্বাদ আৰু সমৰ্থন আগন্তুক দিনতো এনেকৈয়ে থাকিব বুলি আশা প্ৰকাশ কৰিছে সঞ্জয় কিষাণে। আজি এই নিৰ্বাচনী প্ৰচাৰ সভা সমূহত বিজেপি মাকুম মণ্ডলৰ সভাপতি উদয় বড়া, মাকুম আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী ৰাধা গগৈ, জ্যেষ্ঠ বিজেপি কৰ্মী জীমদাৰ তাঁতী, শ্ৰীধৰ উপাধ্যায়, টেঙাপানি গাঁও পঞ্চায়তৰ সভানেত্ৰী নিমা উপাধ্যায়, অগপৰ তিনিচুকীয়া জিলাৰ সাধাৰণ সম্পাদক উমাকান্ত গোহাঁই, মাকুম মণ্ডল মহিলা মৰ্চাৰ সভানেত্ৰী মমি গগৈ সহবুথ সভাপতি সকলৰ লগতে বহু দলীয় কৰ্মীসকল উপস্থিত থাকে।

## ৯০ খনতকৈও অধিক আসনতে জয়ী হ'ব

নিৰ্বাচনক লৈ ৰাজ্যত চলিছে নিৰ্বাচনী গৰম বতাহ। আজি ওদালগুৰি জিলাৰ নৱ গঠিত টংলা সমষ্টিত বিশাল নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এইদৰে কয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই টংলা বিধানসভা সমষ্টিত উপস্থিত হৈ সমষ্টিটোৰ বিজেপিৰ প্ৰাৰ্থী তথা এনডিএৰ মনোনীত প্ৰাৰ্থী বিকন চন্দ্ৰ ডেকাৰ হৈ নিৰ্বাচনৰ বিজয় সংকল্প যাত্ৰা সভাত হাজাৰ-হাজাৰ ৰাইজক উদ্দেশ্যি বিজেপি চৰকাৰৰ সাফল্যৰ জয়গান গায়। বিগত সময়ত ১ লাখ চাকৰি প্ৰদান কৰাৰ বিপৰীতে ১ লাখ ৬৫ হাজাৰ যুৱক-যুৱতীক ঘোচ নোলোৱাকৈ চাকৰি প্ৰদান কৰিলে বুলি সগৌৰৱে কয়। পুনৰ এইবাৰ বিজেপিৰ চৰকাৰ আহিলে দুই লাখ চাকৰি প্ৰদানৰ প্ৰতিশ্ৰুতি দিয়ে। সমবায় দোকানত চাউল, চেনি, নিমখ আৰু দালিৰ উপৰিও প্ৰতিগৰাকী ৰেচন কাৰ্ড থকা ব্যক্তিয়ে পাব ১ লিটাৰকৈ মিঠাতেল। নিৰ্বাচনী সভাত মুখ্যমন্ত্ৰীগৰাকীয়ে মহিলা উদ্যমিতা, অৰুণোদয়, নিযুত মইনা আঁচনি, বাবু আঁচনি একমাত্ৰ বিজেপি চৰকাৰৰ বাবেহে সম্ভৱ হৈছে বুলি উল্লেখ কৰাৰ লগতে কংগ্ৰেছৰ দিনত এইবোৰ আঁচনি দিয়া নাছিল বুলি কংগ্ৰেছক সমালোচনা কৰে মুখ্যমন্ত্ৰীয়ে। বিজেপি চৰকাৰ আহিলে অতিৰিক্ত আঁচনি সুবিধা প্ৰদানৰ তেওঁ আশ্বাস দিয়ে। তেখেতে পুনৰ কয় এজিপি, বিজেপি আৰু বিপিএফ দল হৈছে এনডিএ। ৯০খনতকৈও অধিক আসন লাভ কৰিম বুলি নিৰ্বাচনৰ আগত যিবোৰ প্ৰতিশ্ৰুতি দিছিলোঁ সেইবোৰ ৰাইজে জানে যে মই পূৰণ কৰোঁ নে নকৰোঁ। কংগ্ৰেছে যেনেকুৱা প্ৰতিশ্ৰুতি দিছিল সেইবোৰ কোনোটোৱেই সম্পূৰ্ণ নকৰিলে। কিন্তু বিজেপি চৰকাৰৰ দিনত যিবোৰ প্ৰতিশ্ৰুতি দিছিলোঁ সেইবোৰ পূৰণ কৰাৰ চেষ্টা কৰিছোঁ। এইবাৰ যদি চৰকাৰ আহে শিক্ষক, নাৰ্ছকে ধৰি বিভিন্ন গ্ৰেড ৩, গ্ৰেড ৪ বিভাগত ২ লাখ চৰকাৰী চাকৰি দিম। লোকসভা নিৰ্বাচনৰ আগত কৈছিলোঁ যে আত্মসহায়ক গোটবোৰক ১০, ০০০ টকাকৈ দিম। মই সেই প্ৰতিশ্ৰুতি পূৰণ কৰাৰ লগতে এইবাৰ ১০, ০০০ টকাৰ সলনি ২৫ হাজাৰ টকাকৈ দিম বুলিও প্ৰতিশ্ৰুতি দিলোঁ অৰুণোদয় আঁচনি নোপোৱাসকলক আমি অৰুণোদয় দিয়াৰ ব্যৱস্থা কৰিম। টংলা সমষ্টিত নতুনকৈ ১০, ০০০ হাজাৰ মহিলাক অৰুণোদয় দিয়াৰ ব্যৱস্থা কৰিম। ১২৫০ টকাৰ পৰিবৰ্তে ১৫০০, ১৮০০ টকাকৈ অৰুণোদয় আঁচনিৰ টকা বৃদ্ধি কৰা হ'ব। আনহাতে ৰেচন কাৰ্ড থকা পৰিয়ালে লাভ কৰি থকা চেনি, নিমখ দালিৰ লগতে এইবাৰৰ পৰা ১ লিটাৰকৈ মিঠাতেল দিয়াৰ ব্যৱস্থা কৰা হ'ব। কংগ্ৰেছ বা আন দলক ভোট দিলে দালি, নিমখ, চেনি দিয়াৰ লগতে কোনোবা চৰকাৰে অৰুণোদয়ৰ টকা দিব পাৰিব নেকি বুলি ৰাইজক প্ৰশ্ন কৰে মুখ্যমন্ত্ৰী গৰাকীয়ে। আমাৰ চৰকাৰে পঢ়ি থকা ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে বিভিন্ন আঁচনি প্ৰদান কৰাৰ সত্ত্বেও মাক-বাপেকে ল'ৰা-ছোৱালীক পঢ়ুৱাৰ খৰচ বহন কৰাত কিছুমান অসুবিধাৰ সন্মুখীন হয়। এইবাৰ আমাৰ চৰকাৰ আহিলে সম্পূৰ্ণ বিনামূল্যে পঢ়ুওৱাৰ ব্যৱস্থা কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় এইবাৰ নৱগঠিত টংলা সমষ্টিটোৰ কাৰণে নতুন মুখৰ এজন প্ৰাৰ্থী আগবঢ়াইছোঁ। সেয়ে বিজেপিক ভোট দিব লাগিব বুলি আহ্বান জনাই তেওঁ কয় এম চি এল এ, বিধায়ক লগ লাগি টংলাখনক উন্নতিৰ দিশত আগবঢ়াই নিবলৈ সক্ষম হ'ব। হিমন্ত বিশ্ব শৰ্মাই এনডিএৰ মনোনীত প্ৰাৰ্থী বিকন চন্দ্ৰ ডেকাৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই কয় ঃ টংলা সমষ্টিৰ অন্তৰ্গত কলাইগাঁৱত আই টি আই নিৰ্মাণ, টংলাৰ ৰে'লগেটৰ ওপৰত এখন ফ্লাই অভাৰৰ নিৰ্মাণ কাম কৰা হ'ব। মুখ্যমন্ত্ৰী গৰাকীয়ে কুলশী নদীৰ ওপৰত হাতীগড় ভূটীয়াচাং পথ সংযোগী পথত এখন দলং, টংলাত আইন কলেজ, ৰণথলীত মিনি ষ্টেডিয়াম, টংলাত মিনি ষ্টেডিয়াম, কলাইগাঁৱত নৈ নদীৰ ওপৰত দলং নিৰ্মাণ, বাবুপাৰাত অডিটৰিয়াম, মঙ্গলদৈ ভূটীয়াচাং পথ পুনৰ নিৰ্মাণ, আধৰুৱা হৈ থকা টংলাস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ স্মৃতি ভৱন সম্পূৰ্ণকৰণ, পানেৰী মহাবিদ্যালয় প্ৰাদেশিকীকৰণ, জগন্নাথ ভৱন নিৰ্মাণ, টংলা নগৰ উন্নয়নৰ বাবে পূৰ্বে দিয়া ২৫ কোটিৰ ঠাইত ৫০ কোটি টকা প্ৰদান কৰাৰ লগতে বিভিন্ন ধৰণৰ প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ চেষ্টা কৰিম বুলি কথা দিয়ে মুখ্যমন্ত্ৰীগৰাকীয়ে। ওদালগুৰি জিলা বিজেপিৰ সম্পাদক সুজিত সৰকাৰে আঁত ধৰা আৰু বিজেপি, অগপ, বিপিএফৰ মনোনীত প্ৰাৰ্থী বিকন চন্দ্ৰ ডেকাই আদৰণী ভাষণ দিয়া নিৰ্বাচনী সভাত বিজেপিৰ সংখ্যালঘু মৰ্চাৰ সভাপতি শান্তিয়াছ কুজুৰ, বিটিচিৰ কাৰ্যবাহী সদস্য লৌমশ্ৰাও দৈমাৰী, পাৰিষদ অৰ্জুন দৈমাৰী, দিগন্ত বৰুৱা, ৰতন চন্দ্ৰ ৰাভা, ওদালগুৰি জিলা বিজেপিৰ সভাপতি অজয় কুমাৰ হাজৰিকা, জিলা অগপৰ সভাপতি যতীন ডেকা, বিপিএফৰ নেতা জগদীশ সৰকাৰ, বনজাৰ দৈমাৰী, ডক্টৰ জয়ন্ত কুমাৰ ভট্টাচাৰ্য, বিজেপিৰ ৰেখাৰাণী দাস বড়ো, নয়ন মল্ল বুজৰবৰুৱা, কনেশ্বৰ ডেকাকে ধৰি তিনিওটা দলৰ বিভিন্ন পৰ্যায়ৰ নেতা, পালিনেতা, কাৰ্যকৰ্তা, কেইহাজাৰ ৰাইজ তথা সমৰ্থক উপস্থিত থাকে। আনহাতে প্ৰচাৰ সভাত অংশ লোৱাৰ পিছত সাংবাদিকক সম্বোধন কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় ঃ দ্বীপেন বড়ো ভাল ল'ৰা। তেওঁ ইউপিপিএলত যোগদান নকৰি বিপিএফত যোগদান কৰিব লাগিছিল। মোক যদি সুধিলে হয় পৰামৰ্শ দিলোহেঁতেন বিজেপিত যোগদান কৰিব নালাগে বিপিএফতে যোগদান কৰা। সাংবাদিকে সোধা আন এক প্ৰশ্নৰ উত্তৰত কয় ঃ কংগ্ৰেছে নিৰ্বাচনী ইস্তাহাৰত জুবিন গাৰ্গৰ নাম ব্যৱহাৰ কৰি অক্ষমণীয় অপৰাধ কৰিছে। জুবিনে নিজে কৈ গৈছে পলিটি' নকৰিবা বন্ধু। কংগ্ৰেছে ৰাইজৰ ওচৰত ক্ষমা কৰিব লাগিব। আনহাতে বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে সাংবাদিকক সম্বোধন কৰি কয় বিটিচিত ১৫খন আসন আছে, ১৫খন আসনে এনডিএৰ প্ৰাৰ্থীসকলে লাভ কৰিব। ভেৰগাঁও, মাজবাট সমষ্টিত ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেনে ঝাৰখণ্ড মুক্তি মৰ্চা আৰু জয় ভাৰত পাৰ্টিৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাবলৈ অহা সম্পৰ্কত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত কয়, ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰীৰ ইয়াত কি কাম! ঝাৰখণ্ডৰ পৰা সি ইয়াত কি কৰিব।

## নুমলীগড় শোধনাগাৰত

পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে অভিনন্দন জনাইছে। মন্ত্ৰীগৰাকীয়ে শোধনাগাৰটোক এটা ঐতিহাসিক বছৰ বুলি অভিহিত কৰিছে। সামাজিক মাধ্যমত পোষ্ট কৰি মন্ত্ৰী পুৰীয়ে জানিবলৈ দিছে যে ২০২৫-২৬ বিত্তীয় বৰ্ষত নুমলীগড় শোধনাগাৰে ৩, ১১৩ টি এম টি (হাজাৰ মেট্ৰিক টন) খাৰুৱা তেল প্ৰক্ৰিয়াকৰণ কৰিছে, যিয়ে ১০৩ শতাংশ ক্ষমতা ব্যৱহাৰ দেখুৱাইছে। এয়া শোধনাগাৰটোৰ বৰ্তমানলৈকে সৰ্বোচ্চ উৎপাদন ক্ষমতাৰ ক্ৰমাগত দ্বিতীয় বছৰ। ইয়াৰ ৰেটেড ক্ষমতা বছৰি ৩০ লাখ মেট্ৰিক টনতকৈ অধিক হৈছে। মন্ত্ৰী হৰদীপ সিং পুৰীয়ে শোধনাগাৰৰ সামঞ্জস্যপূৰ্ণ আৰু নিৰ্ভৰযোগ্য কাম-কাজৰ শলাগ লৈ কয় যে একেৰাহে দুবছৰ ধৰি ৰেটেড ক্ষমতাৰ ওপৰত কাম কৰি শোধনাগাৰটোৱে শক্তিশালী কাৰ্যক্ষমতা আৰু নিৰ্ভৰযোগ্যতা প্ৰতিফলিত কৰিছে। মন্ত্ৰী পুৰীয়ে এল পি জি উৎপাদনৰ বৃদ্ধিৰ ওপৰতো আলোকপাত কৰি কয় যে কেৱল ২০২৬ চনৰ মাৰ্চ মাহতে এল পি জিৰ উৎপাদন ২২ শতাংশতকৈ অধিক বৃদ্ধি পাইছে। দেশত অতিৰিক্ত যোগানৰ প্ৰয়োজন হোৱা গুৰুত্বপূৰ্ণ সময়ত এই বৃদ্ধিয়ে ৰাষ্ট্ৰীয় শক্তিৰ প্ৰয়োজনীয়তাৰ প্ৰতি শোধনাগাৰৰ সঁহাৰি দেখুৱাইছে। ইয়াৰ উপৰিও শোধনাগাৰটোৰ মটৰ স্পিৰিট (এম এছ)ৰ বাৰ্ষিক উৎপাদনো সৰ্বাধিক হৈছে, যিয়ে দেশৰ ইন্ধন যোগানত ইয়াৰ অৱদান আৰু অধিক শক্তিশালী কৰি তুলিছে। কেন্দ্ৰীয় মন্ত্ৰী হৰদীপ সিং পুৰীয়ে নুমলীগড় শোধনাগাৰক কেৱল অসমৰ এক ঔদ্যোগিক একক নহয়, বৰং ভাৰতৰ শক্তি সুৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা কৌশলগত ৰাষ্ট্ৰীয় সম্পদ বুলি অভিহিত কৰিছে। তেওঁ কয় যে শোধনাগাৰৰ কাম-কাজে উত্তৰ-পূবক দেশৰ শক্তিখণ্ডৰ এক প্ৰধান চালকলৈ ৰূপান্তৰিত কৰাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগীক প্ৰতিফলিত কৰিছে। মন্ত্ৰী পুৰীয়ে এই অগ্ৰগতিৰ কাৰণ প্ৰধানমন্ত্ৰীৰ দৃষ্টিভংগী বুলি উল্লেখ কৰি কয় যে উত্তৰ-পূবৰ শক্তিৰ আন্তঃগাঁথনিৰ উন্নয়ন ভাৰতৰ সামগ্ৰিক শক্তিৰ গাঁথনি শক্তিশালী কৰাৰ এক গুৰুত্বপূৰ্ণ অংশ। তেওঁ সমগ্ৰ নুমলীগড় শোধনাগাৰৰ দলটোক এই কৃতিত্বৰ বাবে অভিনন্দন জনাই কয় যে তেওঁলোকে শোধনাগাৰৰ প্ৰদৰ্শনত নতুন মাপকাঠী নিৰ্ধাৰণ কৰিছে।

## ৰাইজৰ দলৰ এখন, অজাপৰ

বুধবাৰে নলবাৰী জিলাৰ টিহু সমষ্টিৰ বেলশৰত বিজেপি প্ৰাৰ্থী চন্দ্ৰমোহন পাটোৱাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই মুখ্যমন্ত্ৰীয়ে এই মন্তব্য কৰে। সভাত উপস্থিত হৈয়ে নিৰ্বাচনী সংগীতৰ তালে তালে নাচি-বাগি প্ৰচাৰ আৰম্ভ কৰা মুখ্যমন্ত্ৰীয়ে কয়, "ৰাইজৰ উৎসাহ দিনক দিনে বাঢ়ি গৈছে। ইমান উৎসাহ আগতে কোনো নিৰ্বাচনত দেখা নাছিলোঁ। এইবাৰ মই ভাবোঁ যে আমি ৯০খন পাৰ হৈ যাম আৰু এশৰ ওচৰে-পাজৰে আহি যাম।" সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে বিৰোধী দলসমূহৰ সম্ভাব্য ফলাফলৰ বিষয়ে স্পষ্ট কৰি কয়, "ৰাইজৰ দলে এখন ছীটত জিকিব, সেয়াও ধিঙত। জাতীয় পৰিষদে এখনতো নিজিকে। কংগ্ৰেছে ১৬-১৭টা আসনত জিকিব আৰু এ আই ইউ ডি এফে ৫-৬টা আসনত জিকিব। শিৱসাগৰত একদম নেক-টু-নেক প্ৰতিদ্বন্দ্বিতা হ'ব। তিনিকোণীয়া প্ৰতিযোগিতা হৈ আছে।" মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছ দলক তীক্ষ্ণ সমালোচনা কৰি কয়, "কংগ্ৰেছৰ নতুন বৰ অসম মানে কি? কংগ্ৰেছে বাংলাদেশৰ পৰা অহা নতুনসকলক সংযুক্ত কৰি আৰু মিঞাক সংযুক্ত কৰি নতুন বৰ অসম গঢ়িব খুজিছে। কংগ্ৰেছে মিঞাক লৈ নতুন অসম গঢ়িব খোজে আৰু মই বাংলাদেশী মিঞাক কোবাই মেৰুদণ্ড ভাঙিম। বাংলাদেশী মিঞাক পাঁচ লাখ বিঘা মাটিৰ পৰা খেদিম।" তেওঁ লগতে কয় যে জাতি-মাটি-ভেটি ৰক্ষা কৰাটো বিজেপিৰ দায়িত্ব। কংগ্ৰেছে জাতি-মাটি-ভেটি ৰক্ষা কৰিব নোৱাৰে। চৰকাৰে স্বচ্ছভাৱে ১ লাখ ৬৫ হাজাৰ চাকৰি দিছে, যিটো আগৰ কোনো মুখ্যমন্ত্ৰীয়ে দিব পৰা নাছিল। পুনৰ দুই লাখ যুৱক-যুৱতীক চাকৰি আৰু ১০ লাখক মুখ্যমন্ত্ৰীৰ উদ্যমিতা আঁচনি দিয়া হ'ব বুলিও তেওঁ প্ৰতিশ্ৰুতি দিয়ে। মহিলাসকলক পুনৰ ২৫ হাজাৰ টকাকৈ দিয়া হ'ব বুলিও উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে টিহু সমষ্টিত এইবাৰ ৰেকৰ্ডসংখ্যক ভোটত চন্দ্ৰমোহন পাটোৱাৰী জয়ী হ'ব আৰু তেওঁক ৫০ হাজাৰ ভোটত জয়ী কৰিব লাগে। সভাত তেওঁ বিল্বেশ্বৰ দেৱালয়ৰ উন্নয়নৰ বাবে ২৫ কোটি টকা, চামতাত শীত-তাপ নিয়ন্ত্ৰিত প্ৰেক্ষাগৃহ, টিহুত এখন ষ্টেডিয়াম, চামতা আৰু টিহুত দুটা ডাকবঙলা, প্ৰত্যেক হাইস্কুলতে ৫ কোটি টকা, টিহু সমষ্টিৰ মথাউৰি নিৰ্মাণ আৰু শ্বহীদ স্মৃতি কলেজত কমাৰ্চ শাখাৰ অনুমোদন দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে টিহু, নলবাৰী আৰু বৰক্ষেত্ৰীত বিজেপিয়ে জয়লাভ কৰিব। নামনি অসমত এন ডি এয়ে ধুবুৰীৰ গোলোকগঞ্জ, বঙাইগাঁও, অভয়াপুৰী, বঙাইগাঁও বৰপেটা, ভবাণীপুৰ, বজালীত জয়ী হ'ব আৰু বি টি এ ডিত গোটেইকেইখন আসন এন ডি এই পাব বুলি আত্মবিশ্বাস প্ৰকাশ কৰে।

## খোৱাঙত লুৰীণজ্যোতি গগৈৰ হৈ প্ৰিয়ংকা গান্ধীৰ

খোৱাং বিধানসভা সমষ্টিত বিৰোধী দলসমূহৰ ঐক্যবদ্ধ প্ৰাৰ্থী অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈৰ সমৰ্থনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধীয়ে নিৰ্বাচনী প্ৰচাৰ চলাইছে। বুধবাৰে খোৱাং সমষ্টিৰ বৰবৰুৱাৰ পূজা খেলপথাৰত অনুষ্ঠিত বিশাল প্ৰচাৰ সভাত প্ৰিয়ংকা গান্ধীৰ উপস্থিতিত তিনি গগৈ— অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ, ৰাইজৰ দলৰ সভাপতি অখিল গগৈ আৰু খোৱাং সমষ্টিৰ বিৰোধী উমৈহতীয়া প্ৰাৰ্থী লুৰীণজ্যোতি গগৈ— একেলগে হাতে হাত ধৰি উপস্থিত হোৱাত ৰাজনৈতিক দৃশ্যপট আকৰ্ষণীয় হৈ পৰে। প্ৰচাৰ সভাত ভাষণ দি লুৰীণজ্যোতি গগৈয়ে বিগত পাঁচ বছৰত বিজেপি চৰকাৰৰ অধীনত ৰাজ্যৰ জনজীৱনৰ উন্নয়ন হৈছে নে নাই বুলি প্ৰশ্ন উত্থাপন কৰে। তেওঁ কয়, "মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই চৰকাৰ চলাই নিজৰ সম্পত্তি বৃদ্ধি কৰিছে, কিন্তু সাধাৰণ ৰাইজৰ কথা চিন্তা কৰা নাই।" তেওঁ লগতে অৰুণোদয় আঁচনিৰ নামত ৰাইজক ভয় দেখুৱাই প্ৰচাৰ সভালৈ আনাৰ অভিযোগ উত্থাপন কৰে আৰু ভয়-শংকাৰ পৰা মুক্তি দিয়া এখন চৰকাৰ গঠনৰ আহ্বান জনায়। সভাত উপস্থিত থকা ছত্তীশগড়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপেশ বাঘেল, প্ৰাক্তন সাংসদ বন্ধু তিৰ্কী, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী পৱন সিং ঘাটোৱাৰ আদি ৰাষ্ট্ৰীয় নেতৃবৃন্দৰ উপস্থিতিত প্ৰায় ২০ সহস্ৰাধিক লোকে অংশগ্ৰহণ কৰি সভাখনক সফল কৰি তোলে। খোৱাঙত প্ৰচাৰ চলোৱাৰ পূৰ্বে প্ৰিয়ংকা গান্ধীয়ে টিংখাং সমষ্টিৰ ৰাজগড় চাহ বাগিচা খেলপথাৰত ৯১ নং টিংখাং বিধানসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী বিপুল গগৈৰ সমৰ্থনত নিৰ্বাচনী সভাত ভাষণ দিয়ে। এই সভাতো গৌৰৱ গগৈ, অখিল গগৈ, জীতেন্দ্ৰ সিং আৰু ভূপেশ বাঘেল আদি নেতাই অংশগ্ৰহণ কৰে। প্ৰিয়ংকা গান্ধীয়ে তীব্ৰ ভাষাত বৰ্তমান চৰকাৰক সমালোচনা কৰি কয় যে মুখ্যমন্ত্ৰীৰ পৰিয়ালে অসমত লুণ্ঠন চলাইছে। তেওঁ আশ্বাস দিয়ে যে বিৰোধীয়ে চৰকাৰ গঠন কৰিলে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাত ১০০ দিনৰ ভিতৰত ন্যায় প্ৰদান কৰা হ'ব। লগতে তেওঁ অভিযোগ কৰে যে বিজেপি চৰকাৰে অৰুণোদয় আঁচনিৰ জৰিয়তে অসমৰ মহিলাসকলক ভৃত্যৰ দৰে ব্যৱহাৰ কৰিছে। অখিল গগৈয়ে ঘোষণা কৰে যে গৌৰৱ গগৈৰ নেতৃত্বত বিৰোধী চৰকাৰ গঠন হ'লে প্ৰতিগৰাকী মহিলাক ৩, ০০০ টকাকৈ অৰুণোদয়ৰ ধন প্ৰদান কৰা হ'ব আৰু চৰকাৰ গঠনৰ ছয় মাহৰ ভিতৰতে মহিলাসকলৰ মাইক্ৰ'ফাইনেন্সৰ ঋণ সম্পূৰ্ণ ৰেহাই দিয়া হ'ব। গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক তৰুণ গগৈ আৰু সৰ্বানন্দ সোণোৱালৰ প্ৰতি বিশ্বাসঘাতকতা কৰা বুলি অভিযোগ কৰে। তেওঁ লগতে দাবী কৰে যে চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধিৰ সলনি মুখ্যমন্ত্ৰীৰ পৰিয়ালে নিজৰ নামত চাহ বাগান ক্ৰয় কৰি আছে। কংগ্ৰেছ চৰকাৰ আহিলে ৰাজ্যত মদৰ দোকানসমূহ বন্ধ কৰা হ'ব বুলিও তেওঁ প্ৰতিশ্ৰুতি দিয়ে। সাংবাদিকৰ আগত লুৰীণজ্যোতি গগৈয়ে কয়, "আজিৰ এই সমাবেশে খোৱাং সমষ্টিত পৰিৱৰ্তনৰ ধুমুহা আৰম্ভ কৰিছে। প্ৰিয়ংকা গান্ধীয়ে পাঁচটা গেৰাণ্টীৰ কথা কৈছে আৰু অসমত সাম্প্ৰদায়িক পৰিৱেশ কেনেকৈ চলি আছে, পৰিয়ালকেন্দ্ৰিক দুৰ্নীতিয়ে কেনেকৈ সমাজক সংকটলৈ ঠেলি দিছে— সকলো কথা স্পষ্টকৈ কৈছে।" এই প্ৰচাৰ সভা দুটাই বিৰোধী ঐক্যক শক্তিশালী কৰি তুলিছে আৰু ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত খোৱাং-টিংখাং অঞ্চলক এক গুৰুত্বপূৰ্ণ ৰণক্ষেত্ৰ হিচাপে প্ৰতিষ্ঠা কৰিছে।

## ৰহাত বিজয় সংকল্প যাত্ৰাৰে

জাপিৰ লগতে প্ৰদান কৰে এডাল ডাঙৰ ত্ৰিশূল। সেই ত্ৰিশূল হাতত লৈ বিৰোধী শিবিৰক দিলে প্ৰচণ্ড সকীয়নি প্ৰদান কৰিলে মুখ্যমন্ত্ৰীগৰাকীয়ে। সভাত মুখ্যমন্ত্ৰী গৰাকীয়ে বিজেপি প্ৰাৰ্থী শশীকান্ত দাসক আগন্তুক নিৰ্বাচনত বিপুল ভোট জয়যুক্ত কৰিবলৈ আহ্বান জনাই লগতে তেওঁ শশীকান্তদাসৰ সন্দৰ্ভত কয় যে, ৰহা সমষ্টিত পূৱতে মিয়া মুচলমানসকলে নিৰ্বাচনত জিকা হৰাৰ চাবিকাঠি আছিল কিন্তু বিজেপিত যোগান কৰিলে সেই পৰিৱেশ কেতিয়াও লাভ নকৰে বুলি জানি বুজিও আমাৰ লগত থকাৰ সংকল্পলৈ শশীকান্ত দাসে চাবিছৰ আগতে আমাৰ লগত যোগাযোগ কৰিছিল আৰু বিজেপিত যোগদান কৰি শশীকান্ত দাসে নিৰ্বাচনত অৱতীৰ্ণ হৈছে আৰু শশীকান্তক জয়ী কৰোৱাৰ দায়িত্বও আপোনালোকৰ বুলি মন্তব্য কৰে। তদুপৰি পূৰ্বতে থকা বাংলাদেশী মিয়াসকলৰ সমষ্টি বৰ্তমান অসমৰ পৰিৱেশ সলনি হ'ল বুলি মন্তব্য কৰে। অন্যহাতে কংগ্ৰেছক ক্ষুৰধাৰ সমালোচনা কৰি মুখ্যমন্ত্ৰী গৰাকীয়ে কয় যে, গৌৰৱ গগৈয়ে নতুন বৰ অসম গঢ়িম বুলি যি ভাষণ প্ৰদান কৰিছে, সেইখন নতুন বৰ অসম কেনেকুৱা বুলি প্ৰশ্নত উল্লেখ কৰে যে আমাক চাওলুং চুকাফা, শ্ৰীমন্ত শংকৰদেৱে গঢ়ি থৈ যোৱা বৰ অসমহে আমাক লাগে বুলি কয়। কংগ্ৰেছে কেৱল এটা নিৰ্দিষ্ট ৰাজনীতি কৰিছে আৰু সেইসকল নতুন বাংলাদেশী মিঞাক অসমৰ বৰঘৰত সুমুৱাই নতুন বৰ অসম গঢ়াৰ চিন্তা এতিয়া বাদ দিব লাগে বুলি মন্তব্য কৰে। তদুপৰি যেতিয়ালৈকে অসমীয়াৰ গাত তেজ থাকিব তেতিয়ালৈকে অসমত চুকাফা আৰু শংকৰদেৱৰ সৃষ্টিৰ বৰ অসম হৈ থাকিব তাত কোনো সংদেহ নাই। কংগ্ৰেছক পুনৰ আক্ৰমণ কৰি মুখ্যমন্ত্ৰী গৰাকীয়ে কয় যে ৬০ বছৰ কংগ্ৰেছে শাসন কৰি অসমৰ যি অৱস্থা কৰিলে, হয়টো বিজেপি চৰকাৰ হলে তেনেকুৱা নহ'লহেতেন বুলি মন্তব্য কৰি বিজেপি চৰকাৰ গঠন কৰিবলৈ ৰাইজক আহ্বান জনাই।

## এইবাৰ নিৰ্বাচনত জয়ৰ হেট্ৰিক হ'ব বিজেপিৰ!

সৈতে খেলিলে - 'জয় গুৰু শংকৰ' বুলি ভাষণ আৰম্ভ কৰে আজি বিহালীৰ কুলাগুৰি পথাৰৰ প্ৰায় ডেৰ লক্ষাধিক ৰাইজৰ উপস্থিতিত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে বিৰোধী দল কংগ্ৰেছক ক্ষুৰধাৰ সমালোচনা কৰে। আজি বিশ্বনাথ জিলাৰ বিহালী সমষ্টিৰ কলাগুৰি পথাৰত উপস্থিত হয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী। বিহালীৰ কুলাগুৰি পথাৰৰ পৰা বিশ্বনাথ জিলাৰ গহপুৰ, বিহালী আৰু বিশ্বনাথ সমষ্টিৰ হৈ চলায় নিৰ্বাচনী প্ৰচাৰ। তিনিটা সমষ্টিৰ ভোটাৰে অংশগ্ৰহণ কৰিছে এই সভাত। এক হাজাৰ ফুট দৈৰ্ঘ্য এই ৰাজহুৱা সভাত লোকে লোকাৰণ্য হৈ পৰা পৰিলক্ষিত হৈছে। কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজেৰে অনুষ্ঠিত সভাত প্ৰায় ডেৰ লক্ষ লোকে অংশগ্ৰহণ কৰে আনকি হাতত লাখুটিলৈ আহিল কুলাগুৰি পথাৰৰ এগৰাকী ৮০ বছৰীয়া আইতা প্ৰধানমন্ত্ৰীক চাবলৈ। প্ৰধানমন্ত্ৰী মোডীয়ে "জয় গুৰু শংকৰ" বুলি ভাষণ আৰম্ভ কৰি ৰাইজলৈ মৰম আৰু শ্ৰদ্ধা জনায়। শংকৰ দেৱে ইয়াত বহু বছৰ সাধনা কৰিছিল আৰু সমাজ সংস্কাৰ কৰিছিল। ইয়াত মা কল্যাণীৰ স্থান আছে, বাবা বিশ্বনাথত কাশীনাথৰ আশীৰ্বাদলৈ গুপ্তকাশীলৈ আহিছো প্ৰণাম কৰিবলৈ। বিশ্বনাথৰ আশিৰ্বাদ আমাৰ সকলো বিজেপিৰ লগত আছে। এই উৎসাহতে আকৌ এবাৰ মোডি চৰকাৰ আকৌ এবাৰ বিজেপি চৰকাৰ হ'ব বুলি দৃঢ় বিশ্বাস। দিল্লীত বহি থকাসকলে এইজন সমুদ্ৰ বুজি নপাব। অহা ২০, বছৰতকৈ কংগ্ৰেছে ভাৰতৰ সকলো মানুহক একত্ৰতি কৰি এনে জনসমুদ্ৰ কৰিব নোৱাৰে। এই জিলাত যিমান আহিছে। য'ত বিজেপি চৰকাৰ আছে তাত সুশাসনৰ বাবে বাৰে বাৰে শাসন কৰিবলৈ দিছে। অসমত জিকাৰ হেট্ৰিক হ'ব আৰু মোকো হেট্ৰিক কৰিবলৈ বলৈ সুযোগ দিলে। ইয়াৰ লগে লগে কংগ্ৰেছ পৰাজয়ৰ হেট্ৰিক হ'ব। যেতিয়া গণনা হ'ব দিল্লীৰ ৰাজপৰিয়ালে পৰাজয়ৰ চেঞ্চুৰি হ'ব। ইয়াত ইমান মহিলা আহিছে যে লাখপতি ৰ বাবে বহু মহিলা লাখপতি হ'ব। ৪০ লাখ মহিলাক লাখপতি বাইদেউ হ'ব অনাগত দিনত। অৰুণোদয় আচনিৰ পৰিমাণ বাঢ়িব আৰু লাভ হ'ব বহু মহিলাৰ। মহিলাসকলক ঘৰৰ মালিকনী বনাই আছে। সম্প্ৰতি ২২ লাখ পৰিয়ালে পকা ঘৰ পাইছে। ১৫ লাখে পকা ঘৰ আকৌ দিব অসম বিজেপিয়ে। প্ৰচাৰৰ সময়ত কেঁচা ঘৰ দেখিলে কব মোডিয়ে আশ্বাস দিছে পকা হ'ব। মোৰ কাৰণে আপোনালোকেই মোডি বিকশিত অসম নিৰ্মাণত যুৱ প্ৰজন্মৰ বহু ভুমুকা আছে। অসমৰ হাইৱে দেখিছে যত যুঁজাৰু বিমান পথত নামিছে, ফাইটাৰ জেট নামিছে। ব্ৰহ্মপুত্ৰ নদীৰ তলেদি গাড়ী যোৱা দেখিব কিছু দিনৰ পিছত। প্ৰায় ১৯ হাজাৰ কোটি টকা ব্যয় হ'ব আৰু নিৰ্মাণৰ সময়ত বহু যুৱকে সংস্থাপন পাব। অসমৰ বিভিন্ন সমস্যাৰ সমাধানৰ বাবে ১০০ কৌটী টকাৰ কাম চলি আছে আৰু বান আৰু গৰাখহনীয়া ৰোধৰ বাবে ১৮০০০ কোটি টকা উন্নয়নকে অসমক আত্মনিৰ্ভৰ বনোৱাৰ কাম কৰি আছো। খনিজ তেল উৎপাদনত নতুন ৰেকৰ্ড গঢ়িছে। অসমে ভাৰতক বহু শক্তি দি আহিছে। কংগ্ৰেছ অসমৰ বিকাশ বিৰোধী হয়। অসমৰ লাখ লাখ ভূমি অবৈধ নাগৰিকৰ হৈ পৰিল কংগ্ৰেছৰ দিনত। ভোট বেংক বচোৱাৰ বাবে অবৈধ অনুপ্ৰৱেশ সুবিধা কৰি দিলে। বিজেপিয়ে ইয়াৰ বিৰুদ্ধে কাম কৰিছে। কংগ্ৰেছৰ দুৰ্নীতিয়ে অসমৰ পৰিচয় বন এশিঙিয়া গড়কো নেৰিলে। লাউখোৱা বুঢ়াচাপৰিত কি হৈছিল সকলোৱে দেখিছিল আপোনালোকে বিজেপি চৰকাৰ দিনত বনাঞ্চলত এশিঙিয়া গড় এতিয়া সকলোৱে দেখিছে। বেদখলকাৰীৰ পক্ষত কংগ্ৰেছ আছে সেয়েহে এটা এটা ভোটে অসমৰ সুৰক্ষা সুনিশ্চিত কৰিব। এফালে অনুপ্ৰৱেশ কাৰীক নিৰ্মুল কৰি আছো। ভূমি দি আছো। আদিবাসীসকলক ভূমিৰ অধিকাৰ দিছো। মোনাবাৰী চাহ বাগিছা আমাৰ গৌৰৱ। মই প্ৰথম বাৰৰ বাবে চাহবাগিছাৰ শ্ৰমিক সকলৰ আশীৰ্বাদ লৈ প্ৰচাৰ আৰম্ভ কৰিছো আজি তেওঁলোকৰ আৰ্শিবাদ এনেই নাযাব। বিজেপিয়ে চাহ শ্ৰমিকৰ বাবে ভূমি পট্টা দিয়া আৰম্ভ কৰিছে। ইতিমধ্যে চাহ শ্ৰমিকৰ মজুৰি বঢ়াব সেযা অসম বিজেপিৰ ঘোষণা পত্ৰত উল্লেখ কৰিছে। যাক কোনেও নুপুজে মোডীয়ে তাকে পুজে। বিজেপিয়ে তুষ্টিকৰণ নকৰে। সবকা সাথ সবকা বিকাশহে কৰে। সেয়েহে বিজেপিক ভোট দিব লাগে। কনকলতা বৰুৱা, মুকুন্দ কাকতিক স্মৰণ কৰি ১৭ বছৰীয়া এজনী ছোৱালীয়ে গুলি খায়ো ত্ৰিৰংগা এৰি নিদিলে। কিন্তু কংগ্ৰেছে স্বাধীনতা ৰ সকলো স্বীকৃতি ৰাজ পৰিযালকহে দিয়ে। অসমৰ জনতাই ভুপেন হাজৰিকাক পাহৰি নাযায় ভাৰত ৰত্ন দিলে। কংগ্ৰেছে নেতাই সেইটো উপহাস কৰিছে। শ্বাধীনতা সংগ্ৰামী চবিলাল উপাধ্যায়কো সন্মান দিয়া নাই। গুৱাহাটি আৰু শোণিতপুৰতো তেওঁৰ প্ৰতিমা সাজিছে বিজিপিয়ে। শংকৰদেৱৰ জন্মস্থান তদুপৰি বটদ্ৰৱা স্থানৰ বিকাশ কৰিছে। সেইকাৰণে আগন্তোক দিনত বিকাশ আৰু সংস্কৃতিৰ বিকাশৰ বাবে অহা ৯ এপ্ৰিলত বিপুল ভোটত বিজয়ী কৰাবলৈ আহ্বান জনাই প্ৰধানমন্ত্ৰী মোডিয়ে আগন্তোক বহাগ বিহুৰ শুভেচ্ছা জনাই সকলোকে। আজিৰ নিৰ্বাচনী সভাত অসম প্ৰদেশ বিজেপিৰ সভাপতি দিলীপ শইকীয়া, শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ তথা বিজেপিৰ অসম প্ৰদেশৰ প্ৰাক্তন সভাপতি ৰঞ্জিত দত্ত, বিজেপিৰ গহপুৰ সমষ্টিৰ প্ৰাৰ্থী উৎপল বৰা, বিহালী সমষ্টিৰ প্ৰাৰ্থী মুনিন্দ্ৰ দাস, বিশ্বনাথ সমষ্টিৰ প্ৰাৰ্থী পল্লৱলোচন দাস, অগপৰ প্ৰাক্তন মন্ত্ৰী প্ৰবীণ হাজৰিকাকে ধৰি বহু সংখ্যক বিজেপিৰ নেতাকৰ্মী উপস্থিত থাকে।

## দিল্লী উচ্চ ন্যায়ালয়ৰ অৰবিন্দ কেজৰিৱাললৈ

পাইছে। দিল্লী সুৰানীতি কেলেংকাৰী সন্দৰ্ভত এনফৰ্চমেণ্ট ডাইৰেক্টৰেট (ED)ৰ জাৰি কৰা একাধিক চমন অৱহেলা কৰাৰ অভিযোগত নিম্ন আদালতে তেওঁক দোষমুক্ত কৰাৰ ৰায়ৰ বিৰুদ্ধে ED-এ দিল্লী উচ্চ ন্যায়ালয়ত আবেদন দাখিল কৰিছে। উচ্চ ন্যায়ালয়ে এই আবেদন গ্ৰহণ কৰি কেজৰিৱাললৈ নোটিচ জাৰি কৰিছে আৰু গোচৰৰ পক্ষসমূহক প্ৰত্যুত্তৰ দাখিল কৰিবলৈ নিৰ্দেশ দিছে। ন্যায়াধীশ স্বৰ্ণকান্ত শৰ্মাই (Justice Swarana Kanta Sharma) এই দুখন পৃথক আবেদনৰ শুনানি কৰি কেজৰিৱালৰ পৰা লিখিত প্ৰত্যুত্তৰ বিচাৰিছে। গোচৰৰ পৰৱৰ্তী শুনানি অহা ২৯ এপ্ৰিলত অনুষ্ঠিত হ'ব বুলি জানিব পৰা গৈছে। ED-ৰ অভিযোগ অনুসৰি, সুৰানীতি কেলেংকাৰীৰ তদন্তৰ বাবে একাধিকবাৰ চমন জাৰি কৰা সত্ত্বেও কেজৰিৱাল তদন্তকাৰী সংস্থাৰ সন্মুখীন হোৱা নাছিল। এই চমন অমান্য কৰাৰ অভিযোগত দুটা পৃথক গোচৰ দাখিল কৰা হৈছিল। কিন্তু ২২ জানুৱাৰীত ৰাউজ এভিনিউ নিম্ন আদালতে এই দুয়োটা গোচৰতে কেজৰিৱালক দোষমুক্ত কৰি ৰায় দিছিল। নিম্ন আদালতে কৈছিল যে ED-এ চমন অৱহেলাৰ অভিযোগ প্ৰমাণ কৰিব পৰা নাই। এই ৰায়ক প্ৰত্যাহ্বান জনাই ED-এ দিল্লী উচ্চ ন্যায়ালয়ত দুখন পৃথক আপীল দাখিল কৰে। এনফৰ্চমেণ্ট ডাইৰেক্টৰেটে আদালতত যুক্তি দাঙি ধৰে যে কেজৰিৱালে ইচ্ছাকৃতভাৱে চমন অমান্য কৰি তদন্তক বাধাগ্ৰস্ত কৰিছে। তেওঁলোকে আদালতৰ আগত কয় যে চমনসমূহৰ প্ৰতি সঠিক সঁহাৰি নিদি আৰু তদন্তত উপস্থিত নোহোৱাকৈ কেজৰিৱালে প্ৰক্ৰিয়াক অৱজ্ঞা কৰিছে। উচ্চ ন্যায়ালয়ে আবেদন দুখন গ্ৰহণ কৰি কেজৰিৱাললৈ জাননী জাৰি কৰে আৰু তেওঁক প্ৰত্যুত্তৰ দাখিল কৰিবলৈ সময় দিয়ে। ন্যায়াধীশ স্বৰ্ণকান্ত শৰ্মাই উল্লেখ কৰে যে আবেদনৰ অগ্ৰিম নোটিচ দিয়া সত্ত্বেও কেজৰিৱালৰ পক্ষৰ কোনো আইনজীৱী উপস্থিত নাছিল। ফলত আদালতে নোটিচ জাৰি কৰি ২৯ এপ্ৰিলত পৰৱৰ্তী শুনানিৰ তাৰিখ নিৰ্ধাৰণ কৰে। উল্লেখযোগ্য যে, দিল্লী সুৰানীতি কেলেংকাৰীৰ মূল গোচৰত অৰবিন্দ কেজৰিৱাল ইতিমধ্যে জড়িত আছে আৰু তেওঁৰ বিৰুদ্ধে বিভিন্ন আইনী পদক্ষেপ চলি আছে। চমন অৱহেলাৰ এই দুটা গোচৰে তেওঁৰ বিৰুদ্ধে অতিৰিক্ত আইনী চাপ বৃদ্ধি কৰিছে। কেজৰিৱালৰ আইনজীৱীসকলে এতিয়ালৈকে এই বিষয়ে কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই। এই ঘটনাই দিল্লীৰ ৰাজনৈতিক মহলত তীব্ৰ চৰ্চাৰ সৃষ্টি কৰিছে। Aam Aadmi Party (AAP)-ৰ নেতৃত্বই এই আবেদনক ৰাজনৈতিক প্ৰতিহিংসা বুলি অভিহিত কৰিব পাৰে বুলি অনুমান কৰা হৈছে। অন্যহাতে, ED-এ দাবী কৰিছে যে তদন্তৰ স্বাৰ্থত চমনৰ প্ৰতি সকলো নাগৰিকে সঠিক সঁহাৰি দিয়াটো বাধ্যতামূলক।

## ঘৰৰ পৰাই ভোট দিব পাৰিব

তাৰে অন্যতম গুৰুত্বপূৰ্ণ ব্যৱস্থা হৈছে ঘৰৰ পৰাই ভোটদানৰ সুবিধা। এই বিশেষ ব্যৱস্থাৰ জৰিয়তে ৮৫ বছৰৰ ঊৰ্ধ্বৰ জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগ ভোটাৰসকলে নিজৰ ঘৰতে বহি ভোটাধিকাৰ প্ৰয়োগ কৰিব পাৰিব। শাৰীৰিক অসুবিধা বা বাৰ্ধক্যজনিত কাৰণত ভোটকেন্দ্ৰলৈ যোৱাত অসুবিধা পোৱা ভোটাৰসকলৰ ভোটদান সুনিশ্চিত কৰাৰ বাবে নিৰ্বাচন আয়োগে এই পদক্ষেপ লৈছে। জিলা প্ৰশাসনৰ নিৰ্বাচনী দলসমূহে ইতিমধ্যে ভোটাৰৰ ঘৰে ঘৰে গৈ ভোট সংগ্ৰহ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। যুটীয়া মুখ্য নিৰ্বাচনী বিষয়াই জানিবলৈ দিছে যে এই গৃহ ভোটদান প্ৰক্ৰিয়া ৫ এপ্ৰিললৈকে চলিব। অসমত ৮৫ বছৰৰ ঊৰ্ধ্বৰ মুঠ ভোটাৰৰ সংখ্যা ১, ০২, ৪৭২ গৰাকী। ইয়াৰে ৪২, ৯২৪জন পুৰুষ আৰু ৫৯, ৫৪৮ গৰাকী মহিলা। ইয়াৰে ১৯, ৭৭৪ গৰাকী ভোটাৰক ৰিটাৰ্ণিং বিষয়াসকলে গৃহ ভোটদানৰ বাবে অনুমোদন দিছে, যি মুঠৰ ১৯.৩২ শতাংশ। আনহাতে দিব্যাংগ ভোটাৰৰ ক্ষেত্ৰত গৃহ ভোটদানৰ বাবে অনুমোদিত সংখ্যা ৬, ৬৩৮ গৰাকী। ৰাজ্যত মুঠ দিব্যাংগ ভোটাৰ ২, ০৪, ৭০৯ গৰাকী, য'ত ১, ০৩, ৮১২জন পুৰুষ, ১, ০০, ৮৮৬ গৰাকী মহিলা আৰু ১১ গৰাকী তৃতীয় লিংগৰ ভোটাৰ আছে। গৃহ ভোটদানৰ বাবে বাছনি কৰা দিব্যাংগ ভোটাৰৰ শতকৰা হাৰ ৩.২৩ শতাংশ। নিৰ্বাচনী দলে ভোটাৰৰ ঘৰলৈ গৈ ভোট সংগ্ৰহ কৰিব। যদি প্ৰথমবাৰত ভোটাৰজনক ঘৰত নাপায়, তেন্তে দ্বিতীয়বাৰৰ বাবে দল যাব। সকলো ৰাজনৈতিক দলক ভোট সংগ্ৰহ দলৰ ভ্ৰমণসূচী আগতীয়াকৈ জনোৱা হৈছে। প্ৰাৰ্থীসকলে ইচ্ছা কৰিলে ফৰ্ম-১০ৰ জৰিয়তে ৰিটাৰ্ণিং বিষয়াক অৱগত কৰি নিজৰ প্ৰতিনিধি পঠিয়াব পাৰিব। নিৰ্বাচন আয়োগে স্বচ্ছতা বজাই ৰখাৰ বাবে যাৱতীয় সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে। এই গৃহ ভোটদান প্ৰক্ৰিয়া ৫ এপ্ৰিলৰ ভিতৰত সম্পূৰ্ণ হ'ব আৰু তাৰ পিছত ৯ এপ্ৰিলত মূল ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ভোটগণনা হ'ব ৪ মে'ত। এইবাৰৰ নিৰ্বাচনত ৰাজ্যৰ ১২৬টা সমষ্টিৰ ভাগ্য নিৰ্ণয় কৰিব মুঠ ২, ৫০, ২১, ৪১৩ গৰাকী ভোটাৰে। এই ব্যৱস্থাই গণতন্ত্ৰৰ মূল সাৰাংশ "সকলোৰে ভোট, সকলোৰে অধিকাৰ"ক আৰু শক্তিশালী কৰিব বুলি আশা কৰা হৈছে। বিশেষকৈ বয়স্ক আৰু দিব্যাংগ ভোটাৰসকলৰ সুবিধাৰ কথা বিবেচনা কৰি লোৱা এই পদক্ষেপে নিৰ্বাচনক অধিক অন্তৰ্ভুক্তিমূলক কৰি তুলিব।

## প্ৰতিকূল বতৰকো নেওচি

গগৈ, প্ৰাক্তন নাজিৰা সমষ্টিৰ বিধায়িকা হেমপ্ৰভা শইকীয়া, দেৱব্ৰত শইকীয়াই, ৰাইজৰ দলৰ সভাপতি অখিল গগৈ, জেষ্ঠ কংগ্ৰেছী পৱন সিং ঘাটোৱাৰকে ধৰি কংগ্ৰেছৰ বহু জেষ্ঠ নেতা কৰ্মী। সভাত উদাত্ত ভাষণ প্ৰদান কৰে কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে। প্ৰিয়ংকা গান্ধীয়ে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক কঠোৰ সমালোচনা কৰি কয় যে অসমৰ মুখ্যমন্ত্ৰীয়ে ৰাইজৰ পইচাৰে সা-সম্পত্তি গঢ়িছে। ৰাইজৰ পইচা কাঢ়ি লৈ সম্পত্তিৰ পাহাৰ গঢ়িছে অসমৰ মুখ্যমন্ত্ৰীয়ে। যি টকা ৰাইজৰ হব লাগিছিল সেই টকাৰে তেওঁ সম্পত্তি ক্ৰয় কৰিছে বুলি কয় প্ৰিয়ংকা গান্ধীয়ে। প্ৰিয়ংকা গান্ধীয়ে কয় যে আমাৰ চৰকাৰ আহিলে আমি তেনে এখন ৰাজ্য গঢ়িম যিখন ৰাজ্যৰ কল্পনা জুবিন গাৰ্গে কৰিছিল। প্ৰিয়ংকা গান্ধীয়ে আৰু কয় যে যদি কংগ্ৰেছ চৰকাৰ ক্ষমতালৈ আহে তেন্তে অসমৰ মহিলাসকলক অধিক প্ৰাধান্য দিয়া হব। লগতে যিসকল মহিলাই ক্ষুদ্ৰ ক্ষুদ্ৰ ব্যৱসায় আৰম্ভ কৰিব বিচাৰে তেওঁলোকক ৫০ হাজাৰ টকাকৈ ৰাজ সাহায্য প্ৰদান কৰা হব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰে। এই ধন পোনপটীয়াকৈ মহিলা সকলৰ বেংক একাউন্টলৈ প্ৰেৰণ কৰা হব। দ্বিতীয় প্ৰতিশ্ৰুতি হিচাপে প্ৰিয়ংকা গান্ধীয়ে কয় যে ২৫ লাখ টকালৈ স্বাস্থ্য বীমা প্ৰদান কৰা হব। ইয়াৰ যোগেদি চিকিৎসাৰ ক্ষেত্ৰত ২৫ লাখ টকালৈকে চৰকাৰী ৰাজ সাহায্য পাব ৰোগীয়ে। এই বীমাৰ সুবিধা কংগ্ৰেছ শাসিত ৰাজস্থানত ৰাইজে লাভ কৰিছে বুলিও মন্তব্য প্ৰিয়ংকা গান্ধীৰ। জুবিন গাৰ্গৰ ন্যায়ৰ প্ৰসংগত প্ৰিয়ংকা গান্ধীয়ে কয় যে আমাৰ চৰকাৰ আহিলে ৬০ দিনৰ ভিতৰত শিল্পীজনক ন্যায় প্ৰদানৰ ব্যৱস্থা কৰিম লগতে যিসকল আদিবাসী ভূমিপুত্ৰক চৰকাৰে অস্থায়ী ভূমি পট্টা প্ৰদান কৰিছে তেওঁলোকক স্থায়ী ভূমি পট্টা দিয়াৰ আমি ব্যৱস্থা গ্ৰহণ কৰিম। অহা ৯ এপ্ৰিলত হব লগা নিৰ্বাচনত কংগ্ৰেছ দলক ভোট প্ৰদান কৰিবলৈ ৰাইজক অনুৰোধ জনাই প্ৰিয়ংকা গান্ধীয়ে।

## আজি বোকাজান, তিতাবৰত

ব্যস্ত কাৰ্যসূচীৰে অসম ভ্ৰমণ কৰিবলগীয়া ৰাহুল গান্ধীয়ে কাৰ্বি আংলং জিলাৰ বোকাজান আৰু যোৰহাট জিলাৰ তিতাবৰত দুখন বিশাল জনসভাত অংশগ্ৰহণ কৰি ভোটাৰসকলক উদ্দেশ্য কৰি ভাষণ দিব। কংগ্ৰেছৰ নেতৃত্বই আশা কৰিছে যে ৰাহুল গান্ধীৰ এই সভা দুখনে উজনি আৰু মধ্য অসমৰ ভোটাৰসকলৰ মাজত দলীয় প্ৰচাৰক অধিক গতি প্ৰদান কৰিব। কাৰ্যসূচী অনুসৰি, ৰাহুল গান্ধীয়ে পুৱা দিল্লীৰ পৰা বিশেষ বিমানযোগে যাত্ৰা আৰম্ভ কৰি প্ৰথমে নাগালেণ্ডৰ ডিমাপুৰ বিমানবন্দৰত অৱতৰণ কৰিব। তাৰ পিছত হেলিকপ্টাৰযোগে সোজা কাৰ্বি আংলং জিলাৰ বোকাজানলৈ গৈ এখন বিশাল জনসভাত অংশ ল'ব। বোকাজানৰ সভা সমাপ্ত কৰি তেওঁ বিয়লি প্ৰায় ২: ৩০ বজাত যোৰহাট জিলাৰ তিতাবৰত উপস্থিত হ'ব আৰু উজনি অসমৰ ভোটাৰসকলক উদ্দেশ্য কৰি আন এখন বিশাল নিৰ্বাচনী সভাত ভাষণ আগবঢ়াব। দিনটোৰ সম্পূৰ্ণ কাৰ্যসূচী সমাপ্ত কৰাৰ পিছত ৰাহুল গান্ধীয়ে যোৰহাটৰ পৰা বিশেষ বিমানযোগে সন্ধিয়া বা ৰাতিৰ ভিতৰতে দিল্লীলৈ উভতি যাব বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে, কংগ্ৰেছ দলে অসমত লোকসভা নিৰ্বাচনৰ প্ৰস্তুতি তীব্ৰতৰ কৰিছে। মল্লিকাৰ্জুন খাৰ্গে, প্ৰিয়ংকা গান্ধী আৰু ডি.কে. শিৱকুমাৰৰ দৰে নেতাসকলে ইতিমধ্যে ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰচাৰ চলাইছে। ৰাহুল গান্ধীৰ এই অসম ভ্ৰমণে দলৰ নিৰ্বাচনী অভিযানক অধিক শক্তিশালী কৰি তুলিব বুলি দলীয় সূত্ৰে জানিব দিছে। কংগ্ৰেছৰ স্থানীয় নেতৃত্বই বোকাজান আৰু তিতাবৰৰ সভা দুখনক সফল কৰিবলৈ ব্যাপক প্ৰস্তুতি চলাইছে। দুয়োটা স্থানতে হাজাৰ হাজাৰ লোকৰ সমাগম হ'ব বুলি আশা কৰা হৈছে। ৰাহুল গান্ধীয়ে এই সভাত অসম চৰকাৰৰ বিভিন্ন নীতি-নিয়ম, কেন্দ্ৰীয় চৰকাৰৰ কাম-কাজ আৰু ৰাজ্যৰ উন্নয়নৰ প্ৰসংগত কংগ্ৰেছৰ অৱস্থান স্পষ্টকৈ তুলি ধৰিব বুলি আশা কৰা হৈছে।

## ৰাজ্যৰ ৭ খনকৈ টোলগেটত ৩৫ টকা পৰ্যন্ত বৃদ্ধি পালে

পুনৰ বৃদ্ধি পাইছে। ৰন্ধন গেছ চিলিণ্ডাৰৰ মূল্যবৃদ্ধি আৰু নাটনিৰ পাছত ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ (NHAI)ৰ এই সিদ্ধান্তই এতিয়া সাধাৰণ জনতাক চিন্তিত কৰি তুলিছে। ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে (NHAI) দেশজুৰি টোল টেক্স বৃদ্ধিৰ নতুন নিৰ্দেশনা জাৰি কৰিছে। অসমতো আজিৰ পৰা এই নতুন হাৰ কাৰ্যকৰী হৈছে। সাতখন গুৰুত্বপূৰ্ণ টোলগেটত টোলৰ মাচুল ৫ টকাৰ পৰা ৩৫ টকালৈকে বৃদ্ধি পাইছে। বিশেষকৈ লঘু বাহনসমূহৰ ক্ষেত্ৰত এই বৃদ্ধি অধিক পৰিমাণে দেখা গৈছে। অসমৰ বিভিন্ন প্ৰান্তত অৱস্থিত যিবোৰ টোলগেটত আজিৰ পৰা অধিক ধন দিব লাগিব, সেইসমূহ হ'ল—নাজিৰাখাট, মদনপুৰ, ৰহা, চুলুং, ৰঙামাটি আৰু ডবকা। এই টোলগেটসমূহ পাৰ হ'লে যাত্ৰীসকলে পূৰ্বতকৈ যথেষ্ট অধিক মাচুল আদায় দিব লাগিব। টোল প্লাজাত নতুন নিৰিখ ওলোমাই দিয়া হৈছে। নিৰ্বাচনী ব্যস্ততাৰ মাজতে চৰকাৰ আৰু ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ এই সিদ্ধান্তক লৈ সচেতন মহলে তীব্ৰ অসন্তোষ প্ৰকাশ কৰিছে। এফালে অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য আকাশলংঘী হৈছে, আনফালে টোল টে'ৰ বোজা বৃদ্ধি পোৱাত নিম্ন আৰু মধ্যবিত্ত শ্ৰেণীৰ মানুহৰ জীৱন যাত্ৰা আৰু কঠিন হৈ পৰিছে। বাণিজ্যিক বাহনৰ মালিকসকলেও এই বৃদ্ধিক লৈ ক্ষোভ প্ৰকাশ কৰিছে। তেওঁলোকৰ মতে, টোলৰ হাৰ বৃদ্ধিৰ ফলত যাতায়াত খৰচ বাঢ়িব আৰু সামগ্ৰী পৰিবহণৰ খৰচো বৃদ্ধি পাব। ইয়াৰ প্ৰত্যক্ষ প্ৰভাৱ বজাৰত সামগ্ৰীৰ দামত পৰিব আৰু সাধাৰণ ৰাইজৰ জীৱন নিত্য নতুন সমস্যাৰ সন্মুখীন হ'ব।

### শদিয়া সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী বলিন চেতিয়াক ভোট দিবলৈ আহ্বান

# কাকপথাৰত ড° হিমন্ত বিশ্ব শৰ্মাৰ বিশাল নিৰ্বাচনী সভা



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৩০ মাৰ্চ ঃ** সমাগত অসম বিধানসভাৰ নিৰ্বাচনত শদিয়া সমষ্টিৰ বিজেপি মিত্ৰজোঁট প্ৰক্ষেপিত প্ৰাৰ্থী বলিন চেতিয়াৰ হৈ আজি সমষ্টিতোৰ অন্তৰ্গত কাকপথাৰ ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত এক বিশাল নিৰ্বাচনী প্ৰচাৰ সভাত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অংশ লয়। দহ সহস্ৰাধিক ৰাইজ উপস্থিত থকা এই 'বিজয় সংকল্প সভা'ত মুখ্যমন্ত্ৰীয়ে কংগ্ৰেছ মিত্ৰজোঁটক ধুতি, লুঙি, সূতা, কম্বল আদিৰ ৰাজনীতি কৰি অহা বুলি সমালোচনা কৰি বিপৰীতে বিজেপিয়ে উন্নয়নৰ ৰাজনীতি কৰি অহা বুলি দাবী কৰে। অৰুণোদয় আঁচনিকে ধৰি বিজেপি মিত্ৰজোঁটৰ চৰকাৰখনে বিগত দহ বছৰত বিভিন্ন আঁচনিৰ লগতে বিভিন্ন বিভাগত দিয়া লক্ষাধিক চাকৰিৰ কথা তেখেতৰ ভাষণত উল্লেখ কৰে। লগতে বিগত পাঁচ বছৰৰ প্ৰতিশ্ৰুতি পালন কৰিবলৈ সামৰ্থ হোৱা চৰকাৰখনে আগন্তুক কাৰ্যকালত অৰুণোদয় আঁচনিৰ হিতাধিকাৰীৰ সংখ্যা বৃদ্ধি, ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক খৰচ সম্পুৰ্ণ বিনামূলীয়া কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। আনহাতে শদিয়া সমষ্টিৰ ৰাইজক দিয়া পূৰ্বৰ প্ৰতিশ্ৰুতি অনুসৰি কাকপথাৰ ই গু'ৰ ষ্টেডিয়াম, খেলপথাৰ নিৰ্মাণকে, আদি কৰি কেইবাটাও প্ৰকল্পৰ ইতিমধ্যে অনুমোদন দিয়াৰ কথাও উল্লেখ কৰে। ইফালে শদিয়া সমষ্টিৰ বিৰোধী মিত্ৰজোঁটৰ প্ৰাৰ্থী জগদীশ ভূএগ্ৰাই নিৰ্বাচনৰ সময়ত চিনেমাৰ 'অতিথি অভিনেতা'ৰ দৰে ভূমুকি মাৰিবলৈ শদিয়ালৈ আহে বুলিও মত ব্যক্ত কৰে। শদিয়া সমষ্টিৰ বানপানীৰ সমস্যা জিঅ'বেগেৰে সমাধান কৰাৰ উপৰিও দিবাং নদীৰ ওপৰত দলং আৰু শীতলীকৰণৰ বাবে ভঁড়াল নিৰ্মাণৰ কামো আগন্তুক দিনত কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে এই নিৰ্বাচনী সভাত। বিৰোধী মিত্ৰজোঁটৰ তিনি গগৈয়ে নিজ সমষ্টিতে ব্যস্ত হৈ থকাৰ কথা উল্লেখ কৰি এইবাৰৰ নিৰ্বাচনত ৯০ খনতকৈ অধিক আসন লাভ কৰি পুনৰ চৰকাৰ গঠন কৰিব বুলি দাবী কৰে। তেওঁ সমষ্টিটোৰ সৰ্বাংগীণ উন্নয়নৰ স্বাৰ্থত বলিন চেতিয়াক পুনৰ এবাৰ বিজয়ী কৰাবলৈ ৰাইজক আহ্বান জনায়। উল্লেখ্য যে, আজিৰ নিৰ্বাচনী প্ৰচাৰ সভাত শদিয়াৰ বিধায়ক তথা এইবাৰৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী বলিন চেতিয়াই আদৰণি ভাষণ প্ৰদান কৰি হিমন্ত বিশ্ব শৰ্মাক আদৰণি জনাই অসম জাতীয় পৰিষদৰ 'জাহাজ' শদিয়াৰ দলং নিৰ্মাণৰ পাছত কোনো কামত নাহে বুলি কটাক্ষ কৰে। এই সভাতে মুখ্যমন্ত্ৰীগৰাকীৰ উপস্থিতিত অসম জাতীয় পৰিষদ আৰু অন্যান্য দলৰ বহু কেইগৰাকী নেতা কৰ্মীয়ে বিজেপিত যোগদান কৰে।

# লামডিংত 'জংঘল ৰাজ'ৰ অভিযোগেৰে কংগ্ৰেছৰ তীব্ৰ আক্ৰমণ

**অসম বাৰ্তা, লংকা, ৩০ মাৰ্চ ঃ** ৰাজ্যজুৰি নিৰ্বাচনৰ উষ্ণতা বৃদ্ধি পোৱাৰ লগে লগে লামডিং সমষ্টিতো ৰাজনৈতিক পৰিস্থিতি তীব্ৰ ৰূপ ধাৰণ কৰিছে। ভোটাৰক আকৰ্ষণ কৰাৰ লক্ষ্যৰে বিভিন্ন ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ মাজত বাক যুদ্ধ চূড়ান্ত পৰ্যায়লৈকে উপনীত হৈছে। এই পৰিপ্ৰেক্ষিতত উদালী ব্লক কংগ্ৰেছৰ উদ্যোগত উদালী বজাৰত কংগ্ৰেছৰ মিত্ৰ যোটৰ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰা হয়। এই অনুষ্ঠানত উপস্থিত থাকি কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী তথা লামডিংৰ প্ৰাক্তন বিধায়ক শ্বপন ক'ৰে শাসকীয় দল বিজেপিৰ প্ৰাৰ্থী শিবু মিশ্ৰৰ বিৰুদ্ধে তীব্ৰ সমালোচনা কৰে। তেওঁ অভিযোগ উত্থাপন কৰি কয় যে, বিগত দহ বছৰত লামডিং সমষ্টিত উন্নয়নৰ নামত "লুণ্ঠনৰাজ" চলোৱা হৈছে আৰু সমষ্টিত এক প্ৰকাৰৰ "জংঘল ৰাজ" প্ৰতিষ্ঠা কৰা হৈছে। তেওঁ আৰু কয় যে, ৰেল নগৰী হিচাপে পৰিচিত লামডিং চহৰখন বৰ্তমান ড্ৰাগছৰ বজাৰ হৈ পৰিছে, যি অতি চিন্তাজনক বিষয়। বিশেষকৈ যুৱ প্ৰজন্ম এই মাদক দ্ৰব্যৰ কবলত পৰি জীৱন ধ্বংসৰ দিশে আগবাঢ়ি গৈছে বুলি তেওঁ উদ্বেগ প্ৰকাশ কৰে। জনপ্ৰতিনিধি হিচাপে বিধানসভাত এই গুৰুত্বপূৰ্ণ বিষয়সমূহ উত্থাপন নকৰাৰ বাবে শাসকীয় দলৰ বিধায়কক তেওঁ কটাক্ষ কৰে। শ্বপন ক'ৰে লগতে অভিযোগ কৰে যে, বৰ্তমানৰ বিধায়ক তথা তৃতীয়বাৰৰ বাবে বিজেপিৰ প্ৰাৰ্থীত্ব লাভ কৰা শিবু মিশ্ৰই নগৰ অঞ্চলত কেইটামান "নমুনা উন্নয়ন" দেখুৱাইছে যদিও গ্ৰাম্য অঞ্চল সম্পূৰ্ণৰূপে অৱহেলিত হৈ পৰিছে। ইয়াৰ ফলত সমষ্টিৰ সাধাৰণ ৰাইজ বিশেষকৈ গ্ৰাম্য অঞ্চলৰ বাসিন্দাসকলে অসন্তুষ্ট হৈ উঠিছে বুলি তেওঁ দাবী কৰে। তেওঁ ভোটাৰসকলক সতৰ্ক কৰি কয় যে, প্ৰতাৰণা, প্ৰলোভন আৰু প্ৰবঞ্চনাৰ জালত নপৰি এইবাৰ কংগ্ৰেছক ভোট প্ৰদান কৰিব লাগে। তেওঁ আত্মবিশ্বাস প্ৰকাশ কৰি কয় যে, লামডিং সমষ্টিত কংগ্ৰেছৰ নিশ্চিত জয় হ'ব আৰু লগতে হোজাই জিলাৰ তিনিওটা সমষ্টিত কংগ্ৰেছৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে জয়লাভ কৰিব। ইফালে, এই অভিযোগসমূহৰ প্ৰতি বিজেপি পক্ষৰ পৰা এতিয়ালৈকে কোনো আনুষ্ঠানিক প্ৰতিক্ৰিয়া প্ৰকাশ পোৱা নাই। তথাপি, নিৰ্বাচন আগবঢ়াৰ লগে লগে লামডিং সমষ্টিত ৰাজনৈতিক উত্তেজনা আৰু বৃদ্ধি পোৱাৰ সম্ভাৱনা দেখা গৈছে। ভোটাৰৰ মন জয় কৰিবলৈ দুয়োটা মুখ্য দলেই তীব্ৰ প্ৰচাৰ অভিযান চলাই আছে। সমগ্ৰ পৰিস্থিতিয়ে স্পষ্ট কৰি দিছে যে, এই বাৰৰ নিৰ্বাচনত লামডিং সমষ্টিত এক তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক পৰিস্থিতি গঢ় লৈ উঠিছে, যাৰ ফলাফললৈ এতিয়া সকলোৰে দৃষ্টি নিবদ্ধ হৈ আছে।

### কাপলাবড়িত বিৰোধী ঐক্যৰ নিৰ্বাচনী কাৰ্যালয় উদ্বোধন দিগন্ত বৰ্মনৰ

# বৰতলাত বিজেপি মিত্ৰজোঁটৰ কাৰ্যালয় মুকলি নাৰায়ণ ডেকাৰ

**অসম বাৰ্তা, দৌলাশাল, ৩০ মাৰ্চ ঃ** নলবাৰী জিলাৰ ৩৮নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিত শাসক-বিৰোধীৰ নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ হৈ উঠিছে। সমষ্টিটোৰ ঠায়ে ঠায়ে শাসক-বিৰোধীয়ে নিৰ্বাচনী কাৰ্যালয় মুকলি কৰি নিৰ্বাচনী প্ৰচাৰ ত্বৰান্বিত কৰি তুলিছে। সমষ্টিটোৰ অন্তৰ্গত ৫২নং বৰতলা-কালদি গাঁও পঞ্চায়তৰ বৰতলা গাঁৱত কালি বিজেপি মিত্ৰজোঁটৰ নিৰ্বাচনী কাৰ্যালয় এটা মুকলি কৰা হয়। গাঁও পঞ্চায়তখনৰ বিজেপি মিত্ৰজোঁটৰ মুখ্য কাৰ্যালয়টো বৰতলা মেইন চ'কত কালি সন্ধিয়া মাংগলিক কাৰ্যসূচীৰে মুকলি কৰে সমষ্টিটোৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী নাৰায়ন ডেকাই। গাঁও পঞ্চায়তখনৰ মিত্ৰজোঁটৰ তিনি শতাধিক নেতা-কৰ্মীৰ উপস্থিতিত কাৰ্যালয়টোৰ ৰঙা ফিতা কাটি মুকলি কৰে নাৰায়ন ডেকাই। কাৰ্যালয় মুকলি কৰি ভাষণ প্ৰসংগত নাৰায়ন ডেকাই বৰতলা গাঁৱত থকা খেলপথাৰখন ষ্টেডিয়ামলৈ উন্নতিকৰণ কৰাকে ধৰি বিভিন্ন প্ৰতিশ্ৰুতি প্ৰদান কৰে। কাৰ্যালয় মুকলি অনুষ্ঠানটোত মুকালমুৱা-জাগাৰা জিলা পৰিষদৰ সদস্যা দিপ্তী তালুকদাৰ, বৰক্ষেত্ৰী আঞ্চলিক পঞ্চায়তৰ সভাপতি প্ৰীতম গোস্বামীকে প্ৰমুখ্য কৰি গাঁও পঞ্চায়তখনৰ ৱাৰ্ড সদস্য সকল আৰু বিজেপি-অগপৰ তিনি শতাধিক নেতা-কৰ্মী উপস্থিত থাকে। ইপিনে আজি নাৰায়ন ডেকাৰ বৰুৱাপুটাস্থিত বাসগৃহত কেইবাজনো ব্যক্তিয়ে ভাৰতীয় জনতা পাৰ্টীত যোগদান কৰে। ৫৭নং দৌলাশাল-ৰামপুৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত ৰামপুৰ (চৰেকুকা) গাঁৱৰ নিৱাসী তথা ৰাজহ বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী চান্দ মহম্মদ আৰু অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তাৰিক হুছেইনকে ধৰি বৰক্ষেত্ৰী সমষ্টিৰ বিভিন্ন গাঁৱৰ ডেৰকুৰি ব্যক্তিয়ে ভাৰতীয় জনতা পাৰ্টীত যোগদান কৰে। আনহাতে ৩৮নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত কাপলাবড়িত কালি বিৰোধী ঐক্যৰ নিৰ্বাচনী কাৰ্যালয় এটা মুকলি কৰা হয়। লাৰকুছি-কাপলাবড়ি গাঁও পঞ্চায়তৰ অন্তৰ্গত কাপলাবড়ি চক বজাৰত বিৰোধী ঐক্যৰ নিৰ্বাচনী কাৰ্যালয়টো মুকলি কৰে সমষ্টিটোৰ বিৰোধী ঐক্যৰ প্ৰাৰ্থী দিগন্ত বৰ্মনে। কাৰ্যালয় মুকলি অনুষ্ঠানত নলবাৰী জিলা কংগ্ৰেছৰ উপ সভাপতি জেহেৰুল হক, বৰক্ষেত্ৰী ব্লক কংগ্ৰেছৰ প্ৰাক্তন সভাপতি আব্দুল মজিদকে ধৰি ভালেকেইজন নেতা-কৰ্মী উপস্থিত থাকে। তদুপৰি কালি নিশাৰ ভাগত ৫৭নং দৌলাশাল-ৰামপুৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত ৰামপুৰ আৰু গোৰাক্ষাট্টাৰী গাঁৱত নিৰ্বাচনী সভাত অংশ লয় দিগন্ত বৰ্মনে। কালি নিশাৰ ভাগতে ভাৰতীয় জনতা পাৰ্টীৰ কেইবাগৰাকী কৰ্মীয়ে ত্যাগ কৰি কংগ্ৰেছত যোগদান কৰে। ৩৮নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ বিৰোধী ঐক্যৰ প্ৰাৰ্থী দিগন্ত বৰ্মনৰ কাপলাবড়িস্থিত বাসগৃত দিগন্ত বৰ্মনৰ উপস্থিতিতিত চৰাঞ্চলৰ বিজেপি কৰ্মী তথা ঠিকাদাৰ শব্দুল আলী, ভাংনামাৰী গাঁও পঞ্চায়তৰ প্ৰাক্তন উপ সভাপতি নুৰ মহম্মদ আলী, বড়ী চৰিয়াপাৰাৰ প্ৰদীপ কুমাৰ দাসকে ধৰি কুৰিগৰাকীয়ে বিজেপি ত্যাগ কৰি কংগ্ৰেছত যোগদান কৰে।

# নাজিৰা জভিয়েল ভেলী চিনিয়ৰ ছেকেণ্ডেৰী স্কুলত কেৰিয়াৰ কাউঞ্চিলিং সম্পন্ন

**অসম বাৰ্তা, গেলেকী, ৩০ মাৰ্চ ঃ** নাজিৰা সম-জিলাত অৱস্থিত জভিয়েল ভেলী চিনিয়ৰ ছেকেণ্ডেৰী স্কুলত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কেৰিয়াৰ কাউঞ্চিলিং আয়োজন কৰা হয়। স্কুলৰ উপাধ্যক্ষ আব্দুল আৰিফে আঁতধৰা, অধ্যক্ষা চিলমি বড়ায়ে সঞ্চালনা কৰা সভাত কেৰিয়াৰ বিশেষজ্ঞ ছাজাদ হাজৰিকা, নাৰ্চিঙৰ প্ৰশিক্ষক তনৱীৰা জামান, চিকিৎসক ডাঃ ৰোহন পাল, এৰিজনৰ সঞ্চালক মিণ্টু বৰুৱা, কাৰ্টুনিষ্ট ভাস্কৰজ্যোতি মহন্ত সমল ব্যক্তি হিচাপ উপস্থিত থাকি যথেষ্ট গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়াই আৰু ছাত্ৰ-ছাত্ৰীসকলৰ লগত মত বিনিময় কৰে। অনুষ্ঠানত নাজিৰা সম-জিলাৰ বিভিন্ন শিক্ষানুষ্ঠাৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে। এই কেৰিয়াৰ কাউঞ্চিলিং অনুষ্ঠানৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকল যথেষ্ট উপকৃত হ'ব বুলি জনায় জভিয়েল ভেলী চিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ অধ্যক্ষা চিলমি বড়ায়ে।

# অৰুণাচলৰ দেওমালিত দুষ্প্ৰাপ্য হিমালয়ান ক'লা ভালুকৰ পোৱালিক উদ্ধাৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ৩০ মাৰ্চ ঃ** চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ দেওমালি বন বিভাগে শনিবাৰে বাৰে টিৰাপ জিলাৰ দেওমালি মহকুমাৰ বৰডুৰিয়া গাঁৱত আৱদ্ধ হৈ থকা এটা হিমালয়ান ক'লা ভালুকৰ পোৱালি উদ্ধাৰ কৰে। পোৱালিটোৰ বয়স প্ৰায় এমাহ বুলি অনুমান কৰা হৈছে। গাঁওখনৰ ৱাংগন লেট্ৰিয়ে কৃষি পথাৰত পোৱালিটো দেখা পোৱাত পনপং ৰুট্ৰোম নামৰ লোকজনে লগে-লগে স্থানীয় বন বিভাগক খবৰ দিয়ে। দেওমালি বন সংমণ্ডল বিষয়াৰ নিৰ্দেশনাত ৰেঞ্জ বন বিষয়া দিৱাং লোৱাঙৰ নেতৃত্বত বৰডুৰিয়া বনাঞ্চলিক কাৰ্য্যালয়ৰ বিষয়াসকলে ততাতৈয়াকৈ সেই স্থানত উপস্থিত নিৰাপদে ভালুকৰ পোৱালিটোক উদ্ধাৰ কৰি বন বিভাগৰ জিম্মাত লৈ যায়। উদ্ধাৰৰ পিছত ভালুকৰ পোৱালিটোক বন বিভাগে উপযুক্ত যত্ন আৰু মনোযোগ প্ৰদানৰ অন্তত অধিক যত্ন, চিকিৎসা আৰু পুনৰ্বাসনৰ বাবে পাক্কে টাইগাৰ ৰিজাৰ্ভৰ পশু চিকিৎসক ডাঃ পঞ্জিত বসুমতাৰীক গতাই দিয়ে। তেখেতে পিছত পোৱালিটোক 'চেণ্টাৰ ফৰ বিয়াৰ ৰিহেবিলিটেচন এণ্ড কনজাৰ্ভেচন' লৈ প্ৰেৰণ কৰে। বন্যপ্ৰাণী সুৰক্ষাৰ ক্ষেত্ৰত গাঁওবাসীয়ে গ্ৰহণ কৰা সময়োপযোগী সহযোগিতা আৰু সমৰ্থনৰ শলাগ লয় ৰেঞ্জ বন বিষয়া দিৱাং লোৱাঙে। দুষ্প্ৰাপ্য হিমালয়ান ভালুকৰ পোৱালিটোক উদ্ধাৰৰ ক্ষেত্ৰত তৎকালীন পদক্ষেপ আৰু বন বিভাগক সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ বাবে ৰাজ্যখনৰ পৰিৱেশ আৰু বন মন্ত্ৰী ৱাংকি লোৱাঙে পনপং ৰুট্ৰোম আৰু ৱাংগন লেট্ৰীক ভূয়সী প্ৰশংসা কৰে।

# অখিল ভাৰতীয় শিশু বাটিকা প্ৰশিক্ষণ প্ৰাপ্ত জিলা কেন্দ্ৰৰ প্ৰমুখ আচাৰ্যৰ কৰ্মশালা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৩০ মাৰ্চ ঃ** বিদ্যা ভাৰতী অখিল ভাৰতীয় শিক্ষা সংস্থানৰ সংবদ্ধ শিশু শিক্ষা সমিতি, অসমৰ শিশু বাটিকা বিভাগৰ দ্বাৰা শিশু শিক্ষাৰ উত্তৰণৰ বাবে নিৰন্তৰ প্ৰয়াস কৰি আহিছে। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ আধাৰত শিশু বাটিকাত পাঠদান কৰা প্ৰতিগৰাকী আচাৰ্য-আচাৰ্যাই যাতে প্ৰশিক্ষণ প্ৰাপ্ত হয় তাৰবাবে যোৱা ২০২৩, ২০২৪ আৰু ২০২৫ বৰ্ষত গুজৰাটৰ গান্ধীধামত অনুষ্ঠিত অখিল ভাৰতীয় শিশু বাটিকা প্ৰশিক্ষণ বৰ্গত মুঠ ২৭ গৰাকী জিলা কেন্দ্ৰ নিকেতনৰ শিশু বাটিকা প্ৰমুখসকলে অংশগ্ৰহণ কৰিছিল। শিশু শিক্ষা সমিতি অসমৰ প্ৰচাৰ সংযোজক মুকুটেশ্বৰ গোস্বামীয়ে জানিবলৈ দিয়া মতে গান্ধীধামত প্ৰশিক্ষণ প্ৰাপ্ত জিলা কেন্দ্ৰৰ প্ৰমুখ আচাৰ্যৰ দুদিনীয়া কৰ্মশালা (৩০ আৰু ৩১ মাৰ্চ, ২০২৬) গুৱাহাটীৰ অসম প্ৰকাশন ভাৰতীৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। শংকৰদেৱ শিশুকুঞ্জৰ প্ৰধানাচাৰ্যা কমলা গোস্বামীয়ে সঞ্চালন কৰা উদ্বোধনী কৰ্মশালাত বন্তিপ্ৰজ্জ্বলনৰে শুভাৰম্ভ কৰে বিদ্যা ভাৰতী পূৰ্বোত্তৰ ক্ষেত্ৰৰ সংগঠন মন্ত্ৰী ড° পৱন তিৱাৰীয়ে। ক্ষেত্ৰীয় শিশু বাটিকা প্ৰমুখ আনন্দ সূত্ৰধৰ, প্ৰান্তীয় শিশু বাটিকা সহ সংযোজিকা নমিতা ওজাৰ লগতে প্ৰশিক্ষণ প্ৰাপ্ত আপেক্ষিক ২৬খন জিলা কেন্দ্ৰ নিকেতনৰ ২২ গৰাকী আচাৰ্য-আচাৰ্যা উপস্থিত থাকে। উক্ত কৰ্মশালাত পূৰ্বোত্তৰ ক্ষেত্ৰৰ সংগঠন মন্ত্ৰী ড° পৱন তিৱাৰীয়ে উদ্বোধনী ভাষণত কয় যে প্ৰভাৱী শিশুবাটিকাৰ সফল ৰূপায়ণ সন্দৰ্ভত, LM আৰু Digital classroom ৰ ওপৰত মাৰ্গদৰ্শন কৰাৰ লগতে বন্দেমাতৰম গীতৰ ১৫০ বছৰ পূৰ্ণ উপলক্ষে, বিদ্যাভাৰতীৰ ৭৫ বছৰ পূৰ্ণ হোৱা সন্দৰ্ভত বক্তব্য আগবঢ়ায়। এই কৰ্মশালাত প্ৰাপ্ত জ্ঞান লৈ নিজ নিজ নিকেতনত শিশু বাটিকাৰ দ্বাৰা সমাজত প্ৰভাৱ পেলাব পৰাটোৱেহে হ'ব এই কৰ্মশালাৰ সাৰ্থকতা বুলি উল্লেখ কৰে ড° পৱন টিৱাৰীয়ে।

# নকছাৰিত প্ৰাক্তন ছাত্ৰ সন্মিলন ১৯৭৪ৰ উদ্যোগত স্মৃতিচাৰণ সভা

**অসম বাৰ্তা, নকছাৰি, ৩০ মাৰ্চ ঃ** মৰিয়নি সমজিলাৰ অন্তৰ্গত নকছাৰিত যোৱা ২৮ মাৰ্চ তাৰিখ শনিবাৰে নকছাৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সভাকক্ষত ১৯৫৯চনৰ পৰা ১৯৬২ চনলৈকে তেতিয়াৰ নকছাৰি মধ্য ইংৰাজী বিদ্যালয় বৰ্তমানৰ নকছাৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক হিচাপে কৰ্মৰত থকা প্ৰয়াত তোযেশ্বৰ বৰা আৰু ১৯৫৭চনৰ পৰা ১৯৯০চনলৈকে প্ৰথমে প্ৰধান শিক্ষক আৰু পাছলৈ অধ্যক্ষৰ দায়িত্ব পালন কৰা প্ৰয়াত ললিত চন্দ্ৰ বৰপূজাৰীৰ দিনযোৱা কাৰ্যসূচীৰে এখনি স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। এই অনুষ্ঠান ভাগি নকছাৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সন্মিলন ১৯৭৪ৰ উদ্যোগত অনুষ্ঠিত হয়। পুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে প্ৰাক্তন ছাত্ৰ সন্মিলনৰ কোষাধক্ষ ভৈৰৱ মহন্তই আৰু বৰ্তমানৰ নকছাৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ তুলন গগৈয়ে। খগেন বৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাৰ উদ্দেশ্য ব্যাখ্যাৰ লগতে আদৰণি ভাষণ আগবঢ়াই প্ৰাক্তন ছাত্ৰ সন্মিলনৰ উপদেষ্টা পূৰ্ণ কান্ত বৰুৱায়। সভাৰ উদ্বোধন কৰে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা নকছাৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ টিকেন্দ্ৰজিত গগৈয়ে। নিৰ্দিষ্ট বক্তা হিচাবে সভাত উপস্থিত থাকে প্ৰাক্তন প্ৰধান শিক্ষক চাদিমুল্লা আহমেদ। সকলোৱে নিজৰ গুৰু দুয়োজনলৈ শ্ৰদ্ধা জনায় তেখেত সকলৰ কৰ্মৰাজিৰ বিষয়ে আলোচনা কৰি বৰ্তমান সময়ত আমি কেনেকৈ তেখেত সকলৰ আদৰ্শৰে ছাত্ৰ-ছাত্ৰী সকলক আগুৱাই যোৱাত সহায়ক হব পাৰি তাৰ ওপৰত গুৰুত্ব দি বক্তব্য ৰাখে। সমজোৱাৰ একাষাৰত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলেও প্ৰয়াত শিক্ষাগুৰু দুয়োজনৰ নকছাৰিবাসীৰ প্ৰতি থকা অৱদানৰ কথা সুঁৱৰি তেখেত সকলৰ পৰামৰ্শ সমূহ আগত লৈ আমাৰ ছাত্ৰ-ছাত্ৰী সকলক আগুৱাই যাবলৈ পৰামৰ্শ আগবঢ়ায়। সভাত প্ৰাক্তন ছাত্ৰ তথা অনাতাঁৰ শিল্পী চুচিল লাহনে পোহৰী লতাৰ পাতেৰে গীত পৰিৱেশন কৰে। কবি প্ৰণৱ কুমাৰ গগৈয়ে কবিতা আবৃত্তি কৰে। মৰীদেৱী বেৰীয়া প্ৰাথমিক বিদ্যালয়ৰ কণমানি ছাত্ৰী নিবেদিতা লাহনে আধুনিক নৃত্য প্ৰদৰ্শন কৰি সকলোৰে মন আনন্দিত কৰে। প্ৰয়াত শিক্ষা গুৰু তোযেস্বৰ বৰা আৰু ললিত চন্দ্ৰ বৰপূজাৰীৰ সমাধিস্থলী দুয়োটাই সুন্দৰকৈ গঢ়ি তুলিবৰ বাবে সভাই প্ৰস্তাৱ গ্ৰহণ কৰে। শেষত সভাত উপস্থিত থাকি সহযোগিতা আগবঢ়োৱা প্ৰাক্তন ছাত্ৰ সন্মিলনৰ সদস্য-সদস্যা, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, জ্যেষ্ঠ নাগৰিকৰ লগতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক সন্মিলনৰ সম্পাদক জগত মোহন গগৈ আৰু সহ সম্পাদক জিতেন চন্দ্ৰ গগৈয়ে ধন্যবাদ জ্ঞাপন কৰে।

▫ শিক্ষাগুৰুৰ সমাধিস্থলী সুন্দৰকৈ গঢ়াৰ সিদ্ধান্ত ▫

# কোকৰাঝাৰ জিলা আয়ুক্তৰ জৰিয়তে ৰাষ্ট্ৰপতি দ্ৰৌপদী মূৰ্মুলৈ আদিবাসী ছিংগেল অভিযানৰ কোকৰাঝাৰ জিলা সমিতিৰ স্মাৰক পত্ৰ প্ৰেৰণ

**অসম বাৰ্তা, গোসাঁইগাঁও, ৩০ মাৰ্চ ঃ** আদিবাসী জনগোষ্ঠীৰ বিভিন্না সমস্যাসমূহ সমাধানৰ বাবে আদিবাসী ছিংগেল অভিযান কোকৰাঝাৰ জিলা সমিতিয়ে কোকৰাঝাৰ জিলা আয়ুক্তৰ জৰিয়তে ৰাষ্ট্ৰপতি দ্ৰৌপদী মূৰ্মুলৈ স্মাৰক পত্ৰ প্ৰেৰণ। প্ৰকৃতি পূজক আদিবাসী সকলক সংবিধানৰ ২৫ নং অনুচ্ছেদৰ জৰিয়তে স্বতন্ত্ৰ ধাৰ্মিক মান্যতা অৰ্থাৎ 'ছাৰনা ধৰ্ম' কোড প্ৰদান কৰি ২০২১-২৭ ৰ জনগণনাত পৃথক প্ৰমাণ কোড প্ৰদান কৰিবলৈ বিনম্ৰ অনিৰোধ জনায়। আদিবাসী জনগোষ্ঠী মূল মূল ৮ দাবী সম্বলিত বিষয় লৈ স্মাৰক পত্ৰ দিয়ে। উক্ত অনুষ্ঠানত ভাগ লয় আদিবাসী ছেঙ্গেল অভিযানৰ যুৱ ছাত্ৰ মৰ্চা অসম ৰাজ্যিক সভানেত্ৰী ললিতা টুডু, ছেঙ্গেল অভিযানৰ কোকৰাঝাৰ জিলা সভাপতি সূৰ্যনাথ টুডু, ছেঙ্গেল অভিযান কোকৰাঝাৰ জিলা উপ সভাপতি প্ৰদীপ মুৰ্মু, ছেঙ্গেল অভিযান কোকৰাঝাৰ জিলা উপ সভাপতি সঞ্জীৱ মুৰ্মু, আৰু ছিংগেল তিতাগুড়ী ব্লক সভাপতি আমকা মুৰ্মু উপস্থিত থাকে।

▪ উন্নয়নৰ ক্ষেত্ৰত জিৰ' জাকিৰ হুছেইন শিকদাৰ ▪

# বিগত ১০ বছৰতো জাকিৰ হুছেইনৰ সমষ্টিৰ ৰাইজে নাপালে এখন দলং

**অসম বাৰ্তা, বৰপেটা সদৰ, ৩০ মাৰ্চ ঃ** কংগ্ৰেছৰ প্ৰতি সংখ্যালঘু লোকৰ থকা টানৰ সুবিধা লৈছে জাকিৰ হুছেইন শিকদাৰে। ৰাজ্যৰ বিভিন্ন ক্ষেত্ৰত নিৰ্যাতিত, অবহেলিত, নিস্পেষিত সংখ্যালঘু জনতাৰ আস্থাভাজন কংগ্ৰেছ বুলি পতিয়ন যোৱা সংখ্যালঘু ভোটাৰে নিৰ্বাচনৰ সময়ত কংগ্ৰেছে যাকে প্ৰাৰ্থীত্ব প্ৰদান কৰে তেওঁকেই কোনো বিচাৰ-বিশ্লেষণ নকৰাকৈ ভোটদান দি জনপ্ৰতিনিধি বনোৱাৰ তদ্ৰূপ বৰপেটাৰ পূৰ্বৰ সৰুক্ষেত্ৰী সমষ্টি আৰু বৰ্তমানৰ পাকাবেতবাৰী সমষ্টিৰ ৰাইজেও জাকিৰ হুছেইন শিকদাৰকে বিধায়ক হিচাপে নিৰ্বাচিত কৰি আহিছে। বিগত ১০টা বছৰে জাকিৰ হুছেইন শিকদাৰক বিধায়ক হিচাপে পোৱা সংখ্যালঘু ৰাইজ এতিয়াহে অনুতপ্ত হৈছে। বিগত ১০ বছৰে কাঠ, পকী দলঙটো দূৰৰে কথা এখন বাহৰ সাঁকোও ভিতৰুৱা বহু অঞ্চলৰ লোকে নাপালে। দলীয় কৰ্মী-নেতা, সমৰ্থকৰ বাদে সাধাৰণ জনতাই অৰুণোদয় আচঁনি, পি এম এ ৱাই গৃহ, কৃষক সন্মান নিধি, শৌচালয়, বৃদ্ধ-বিধৱাৰ পেঞ্চন, বিকলাঙ্গৰ সাহায্য আদিৰ ক্ষেত্ৰত ঠায়ে ঠায়ে বঞ্চিত হোৱাৰ অভিযোগ উঠিছে। চৰকাৰী আচঁনিত হস্তগত কৰি নিজৰ চেলা-চামুণ্ডাৰ জৰিয়তে নিজৰ পচন্দৰ লোকক আচঁনিৰ সুবিধা দি অহাত বিধায়ক জাকিৰ হুছেইন শিকদাৰক পাৰ্গত বুলি কয় বঞ্চিত হিতাধিকাৰীয়ে কয়। ভোটৰ অংকত চৰকাৰী আচঁনিক কংগ্ৰেছীকৰণ কৰা বুলি আচঁনিৰ পৰা বঞ্চিত হিতাধিকাৰীয়ে কয়। কিছু ৰাজনৈতিক, অৰাজনৈতিক দালাল, মধ্যভোগীকহে অধিক গুৰুত্ব দি আহিছে জাকিৰ হুছেইন শিকদাৰে। চৰকাৰী আঁচনিৰ সামন্তৱালভাৱে সমষ্টিটোৰ বাট-পথ, ৰাস্তা-ঘাট, দলং-কালভাৰ্ট আদিৰ ক্ষেত্ৰত বিশেষকৈ ভিতৰুৱা অঞ্চলৰ উন্নয়নৰ ক্ষেত্ৰত জাকিৰ হুছেইন শিকদাৰ এটা বিগ জিৰ' বুলি মতপোষণ কৰে বহু অঞ্চলৰ ৰাইজে। পাকাবেতবাৰী সমষ্টিৰ মুল পথসমূহৰ বাদে ভিতৰুৱা বহু অঞ্চলত এতিয়াই এখন দলং নাই, এটা পকীপথ নাই, এখন ভাল আন্তঃগাঁথনিৰ স্কুল কলেজ নাই। কংগ্ৰেছৰ প্ৰতি সংখ্যালঘু লোকৰ থকা আবেগৰ কিছু সুবিধা লৈ ৰাজনীতি কৰা জাকিৰ হুছেইন শিকদাৰক বাটকুৰি বায়ো নাপালে এখন পকী দলং, কালভাৰ্ট, পকী পথ। কিছু ঠাইত কিছু পথ হৈছে যদিও একাংশ দালাল, মধ্যভোগীৰ সহায়ত কামবোৰ কৰা বাবে অতি নিম্নমানৰ কামো হোৱা বুলি ঠাইয়ে ঠাইয়ে ৰাইজে জানিবলৈ দিয়ে। কালজয়ী, ভোগচৰা, যশোদাৰ পাম, বুঢ়িখামাৰ, বেছিমাৰী, ভক্তৰডবা, হেলেচাৰ পাম, কাৰৈমাৰি ব্লক, পিঠাদি, নেউলাৰভিঠা, ৰামপুৰ, নসত্ৰ, বৰমাৰা, ৰাউলী, বনিয়াকুছি, ব্যাসকুছি, গড়ৰট্টাৰীকে ধৰি পূৰ্বৰ সৰুক্ষেত্ৰী আৰু এতিয়াৰ পাকাবেতবাৰী সমষ্টিৰ বহু অঞ্চল বিভিন্ন সমস্যাৰে জৰ্জড়িত হৈ আছে। এখন দলঙ, এটি পকী পথৰ বাবে বাৰে বাৰে বিধায়ক জাকিৰ হুছেইন শিকদাৰৰ কাষত গৈ বিমুখ হ'বলগীয়া হৈছে। যাৰ বাবে সমষ্টিৰ বহু ভিতৰুৱা অঞ্চলৰ লোকে জাকিৰ হুছেইন শিকদাৰক বিধায়ক হিচাপে নিৰ্বাচন কৰি বিগত সময়চোৱাত বহু ভুল সিদ্ধান্ত লোৱা বুলি অনুভৱ কৰিছে। সমাগত বিধানসভা নিৰ্বাচনত জাকিৰ হুছেইনৰ বিকল্প জনপ্ৰতিনিধি দিশপুৰলৈ প্ৰেৰণ কৰিব নোৱাৰিলে সমষ্টিবাসীয়ে নিজৰ হাতৰ কুঠাৰ ভৰিত মৰাসদৃশ হব বুলি ভুক্তভোগী ৰাইজে কয়। অৱশ্যে সময়ত লক্ষণীয় হব ৰাইজে কাক বিধায়ক হিচাপে নিৰ্বাচন কৰিব।

▫ নৱ কুমাৰ দলেৰ অপশাসনত অতিষ্ঠ ৰাইজ ▫

# কংগ্ৰেছৰ ঢকুৱাখনা বিধানসভা সমষ্টিৰ প্ৰাৰ্থী আনন্দ নৰহৰ বাইক ৰেলীৰে প্ৰচাৰ অভিযান

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ৩০ মাৰ্চ ঃ** বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ দিন চমু চাপি অহাৰ লগে-লগে ৭৭ নং ঢকুৱাখনা বিধানসভা সমষ্টিৰ ৰাজনৈতিক পৰিৱেশ গৰম হৈ পৰিছে। ঢকুৱাখনা বিধানসভা সমষ্টিৰ কংগ্ৰেছ মিত্ৰজোঁটৰ যুৱ প্ৰাৰ্থী আনন্দ নৰহে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। আজি ৩০ মাৰ্চত ঢকুৱাখনা বিধানসভা সমষ্টিৰ চাউলধোৱা গাঁও পঞ্চায়তত বিশাল বাইক ৰেলীৰে বিভিন্ন স্থানত প্ৰচাৰ চলাই। ৰাইজেও আনন্দ নৰহৰ প্ৰতি ব্যাপক সঁহাৰি জনোৱা পৰিলক্ষিত হ'ল। কংগ্ৰেছৰ প্ৰাৰ্থীগৰাকী বিজয়ী হ'লে ৰাইজৰ সকলো সমস্যা সমাধানৰ আশ্বাস দিয়ে। বাইক ৰেলীৰ পিছত অনুষ্ঠিত সৰু-বৰ নিৰ্বাচনী প্ৰচাৰ সভা সমূহত শাসকীয় বিজেপিক কঠোৰভাৱে সমালোচনা কৰে আনন্দ নৰহে। বিগত ১৫ বছৰে ঢকুৱাখনা বিধানসভা সমষ্টিত অপশাসন, দুৰ্নীতি কৰা বুলি অভিযোগ উত্থাপিত কৰে আনন্দ নৰহে। এইবাৰ এগৰাকী যুৱ প্ৰজন্মৰ নেতা হিচাপে আনন্দ নৰহক এবাৰ সুযোগ দিবলৈ তেওঁ ৰাইজৰ প্ৰতি আহ্বান জনাই। আনহাতে বহু লোকে আজি কংগ্ৰেছ দলত যোগদান কৰে।

### ৰাজহুৱা সভাত ভিচিডিচিৰ অধ্যক্ষ পৰিচয়ৰে ভাবুকি

# বিপিএফৰ নিৰ্বাচনী প্ৰচাৰ সভাত ভোটাৰক মুকলি ভাবুকি

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ৩০ মাৰ্চ ঃ** ৰাজ্যত বিধানসভা নিৰ্বাচন সমাগত। দিনে নিশা একাকাৰ কৰি নিৰ্বাচনী প্ৰচাৰ চলাইছে প্ৰাৰ্থী সকলে। ২ নং হাসৰাওবাৰী এলেকাত দেওবাৰে নিশা অনুষ্ঠিত হোৱা বিপিএফৰ এখন নিৰ্বাচনী প্ৰচাৰ সভাক কেন্দ্ৰ কৰি তীব্ৰ বিতৰ্কৰ সৃষ্টি হৈছে। অভিযোগ অনুসৰি, সভাত উপস্থিত ভোটাৰসকলক মুকলি ভাবুকি দিয়া হৈছে, যাৰ ফলত অঞ্চলটোত ৰাজনৈতিক পৰিস্থিতি উত্তপ্ত হৈ পৰিছে। উল্লেখযোগ্য যে, বিটিচিত বিপিএফে চৰকাৰ গঠন কৰাৰ পিছতেই একাংশ নেতাৰ বিৰুদ্ধে ক্ষমতাৰ অপব্যৱহাৰৰ অভিযোগ উঠিবলৈ ধৰিছে নেকি বুলি প্ৰশ্ন উত্থাপন হৈছে সচেতন মহলত। এই প্ৰেক্ষাপটতে ১ নং গোসাঁইগাঁৱ বিধানসভা সমষ্টিৰ বিপিএফৰ মনোনীত প্ৰাৰ্থী সোভাৰাম বসুমতাৰীৰ উপস্থিতিত অনুষ্ঠিত সভাখনত ভিচিডিচিৰ অধ্যক্ষ পৰিচয়ৰে হালিমুল ইছলামে ভোটাৰসকলক নিৰ্দিষ্ট দিশত ভোট দিবলৈ ভাবুকি প্ৰদান কৰা বুলি অভিযোগ উত্থাপিত হৈছে। গণতান্ত্ৰিক দেশত এনে ধৰণৰ ঘটনাক "দাদাগিৰি" হিচাপে আখ্যা দি বহুতে তীব্ৰ সমালোচনা কৰিছে। বিশেষকৈ, অধিকাংশ সংখ্যালঘু ৰাইজৰ ভোটেৰে বিটিচিত বিপিএফৰ চৰকাৰ গঠন হৈছিল বুলি উল্লেখ কৰি এতিয়া সেই একে ৰাইজক ভাবুকি দি ভোট আদায় কৰাৰ চেষ্টা কৰা হৈছে নেকি বুলিও বিভিন্ন প্ৰশ্ন উঠিছে। পৰিষদীয় চৰকাৰ গঠন হোৱাৰ পিছত আহিবলগীয়া বিধানসভা নিৰ্বাচনৰ পূৰ্বে ভিচিডিচিৰ অধ্যক্ষৰ পৰিচয়ৰে এনে বক্তব্যই ৰাজনৈতিক মহলত চাঞ্চল্যৰ সৃষ্টি কৰিছে। সচেতন মহলে এই ঘটনাক গুৰুত্ব সহকাৰে লৈ বিপিএফ চৰকাৰৰ ভূমিকাক লৈও উদ্বেগ প্ৰকাশ কৰিছে। ইয়াৰ মাজতে, বিপিএফৰ শীৰ্ষ নেতা হাগ্ৰামা মহিলাৰীয়ে এই অভিযোগৰ ভিত্তিত সংশি-ষ্ট ভিচিডিচিৰ অধ্যক্ষৰ পৰিচয় দিয়া এইজন হালিমুল ইছলামৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া এতিয়া লক্ষণীয় হৈ পৰিছে। লগতে, গণতন্ত্ৰত ভোটাৰক ভাবুকি দিয়াৰ দৰে গুৰুতৰ অভিযোগৰ ক্ষেত্ৰত প্ৰশাসন তথা নিৰ্বাচন আয়োগে কি ধৰণৰ পদক্ষেপ লয় সেয়াও সকলোৱে আগ্ৰহেৰে লক্ষ্য কৰি আছে। উল্লেখযোগ্য যে, ভোটাৰক মুকলি ভাবুকি দিয়া ভিডিঅ' ইতিমধ্যে সামাজিক মাধ্যমত ব্যাপকভাৱে ভাইৰেল হৈ পৰিছে আৰু বিভিন্ন মহলৰ পৰা প্ৰতিক্ৰিয়া প্ৰকাশ কৰা পৰিলক্ষিত হৈছে।

❑ সভাপতিৰ দায়িত্ব অৰ্পণ কুসুম্বৰ চৌধুৰীক ❑

# কোঁচ ৰাজবংশী স্বজাতি মঞ্চৰ সভাপতি অৰুণ কুমাৰ ৰায়ক বহিষ্কাৰ

**অসম বাৰ্তা, বাসুগাঁও, ৩০ মাৰ্চ ঃ** যোৱা তিনি মাহ পূৰ্বে আক্ৰাছুৰ প্ৰাক্তন কেন্দ্ৰীয় সভাপতি অৰুণ কুমাৰ ৰায়ক সভাপতি হিচাপে লৈ গঠন কৰা হয় কোঁচ ৰাজবংশী স্বজাতি মঞ্চ। কিন্তু মঞ্চৰ স্বয়ং সভাপতি গৰাকীয়ে সংগঠন বিৰুদ্ধ কাম-কাজত লিপ্ত হোৱাৰ অভিযোগত বহিষ্কাৰ কৰিব লগা হয়। উল্লেখযোগ্য যে অসম বিধানসভাৰ আগন্তুক নিৰ্বাচনৰ লগত সংগতি ৰাখি কোকৰাঝাৰ জিলাৰ ৪ নং বাওখুংগ্ৰী বিধানসভা সমষ্টিৰ পৰা অৰুণ কুমাৰ ৰায়ে নিৰ্দলীয় প্ৰাৰ্থী হিচাপে মনোনয়ন পত্ৰ দাখিল কৰিছিল। কিন্তু কোঁচ ৰাজবংশী স্বজাতি মঞ্চৰ সভাপতিৰ পদত অধিষ্ঠিত থাকিও স্বজাতি মঞ্চৰ বিষয়ববীয়াৰ সতে কোনো ধৰণৰ যোগাযোগ অথবা আলোচনা নকৰাত মঞ্চই তীব্ৰ অসন্তুষ্টি আৰু ক্ষোভ প্ৰকাশ কৰে। উল্লেখযোগ্য যে প্ৰাৰ্থী হিচাপে মনোনয়ন পত্ৰ দাখিল কৰি পিছ মূৰ্হতত্তে মনোনয়ন পত্ৰ উঠাই লোৱা কাৰ্যক নিৰ্লজ্জ বুলি অভিহিত কৰি এনে নিকৃষ্ট কৰ্ম-কাণ্ডৰ সতে জড়িত থকাৰ অভিযোগত স্বজাতি মঞ্চই তীব্ৰ অসন্তুষ্টি আৰু ধিক্কাৰ জনায়। এক জৰুৰী কাৰ্যকৰী সভাৰ জৰিয়তে স্বজাতি মঞ্চৰ পৰা আৰুণ কুমাৰ ৰায়ক তৎকালীনভাৱে বলবৎ হোৱাকৈ অব্যাহতি দিয়াৰ প্ৰস্তাৱ গ্ৰহণ কৰে। উল্লেখযোগ্য যে সভাই কোঁচ ৰাজবংশী স্বজাতি মঞ্চৰ সভাপতি হিচাপে কুসুম্বৰ চৌধুৰী আৰু সাধাৰণ সম্পাদক হিচাপে চাবুৰাম ৰায়ক দায়িত্ব অৰ্পণ কৰি সভাই প্ৰস্তাৱ গ্ৰহণ কৰে। উল্লেখযোগ্য যে অভিযোগৰ ক্ষেত্ৰত কোঁচ ৰাজবংশী স্বজাতি মঞ্চৰ সভাপতিৰ পৰা বহিস্কৃত অৰুণ কুমাৰ ৰায়ৰ মনোভাৱ জানিব বিচৰাত কোঁচ ৰাজবংশী স্বজাতি মঞ্চৰ পৰা মনোনয়ন দাখিল কৰা নাছিল বুলি উল্লেখ কৰে। অৱশ্যে মনোনয়ন পত্ৰ দাখিল সংক্ৰান্তত কাৰো সতে আলোচনা নকৰাটো সঠিক হোৱা নাই বুলিও তেওঁ স্বীকাৰ কৰে। ভৱিষ্যতে কোনবা দলত যোগদান কৰিব নেকি বুলি প্ৰশ্ন কৰাত তেওঁ যোগদান নকৰাৰ কথা স্পষ্ট ভাৱে কোৱাৰ লগতে সাধাৰণ ভাৱে জীৱন-যাপন কৰি যাব বুলি উল্লেখ কৰে। অৱশ্যে স্বগোষ্ঠীৰ উন্নয়ন আৰু বিকাশ বিচৰাৰ কথাও তেওঁ কয়।

## ১২ চকীয়া ট্ৰাকৰ তলত পৰি ৬০ উৰ্দ্ধৰ মহিলাই হেৰুৱালে থিতাতে জীৱন

# বৰপেটা-ৰোডত মৰ্মান্তিক ঘটনা

**অসম বাৰ্তা, বৰপেটাৰোড, ৩১ মাৰ্চ ঃ** বৰপেটাৰোডত ১২ চকীয়া ট্ৰাকৰ তলত পৰি এগৰাকী ৬০ উৰ্দ্ধৰ মহিলাই থিতাতে জীৱন হেৰুৱাবলগীয়া হোৱা মৰ্মান্তিক ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। চহৰৰ ষ্টেছন ৰোডত আজি দুপৰীয়া মৃত্যু হোৱা মহিলাগৰাকীৰ পৰিচয় এতিয়াও জানিব পৰা হোৱা নাই। জানিব দিয়া মতে ঠাইখিনিত খুজি মাগি খোৱা মহিলা গৰাকীক মহতিয়াই নিয়ে AS 09 AC 1933 নম্বৰৰ ১২ চকীয়া ট্ৰাকখনে আৰু ঘটনা সংঘটিত কৰিয়েই ট্ৰাক চালকে পলায়ন কৰে। ঘটনাস্থলীত বৰপেটাৰোড আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি আৰক্ষী থানালৈ নিয়ে। উল্লেখযোগ্য যে অতি ব্যস্ত চহৰখনত জনস্বাৰ্থৰ খাতিৰত বৰপেটাৰোড পৌৰ সভাই পুৱা ৮ বজাৰ পৰা নিশা ৮ বজালৈ দহ চকীয়া বাহনকে ধৰি গধুৰ যান বাহনৰ প্ৰৱেশ নিষিদ্ধ ৰাখিছিল। কিন্তু অতি পৰিতাপৰ বিষয় যে পৌৰসভাই চহৰখনত গধুৰ যান বাহন চলাচল নিষিদ্ধ কৰাৰ পিছতো কেনেদৰে চহৰখনত শ শ গধুৰ যান বাহন প্ৰৱেশ কৰিছে তাক লৈ প্ৰশ্ন উত্থাপন কৰিছে সাধাৰণ ৰাইজে।

# জাঁজী জামুগুৰিত অখিল গগৈৰ নিৰ্বাচনী প্ৰচাৰ; নতুন আঁচনি ঘোষণা

**অসম বাৰ্তা, জাঁজী, ৩১ মাৰ্চ ঃ** শিৱসাগৰ সমষ্টিত নতুনকৈ সংযোগ হোৱা পুৰণি আমগুৰি সমষ্টিৰ পঞ্চায়ত সমূহত ৰাইজৰ দলে নিৰ্বাচনী অভিযান তীব্ৰতৰ কৰি তুলিছে। বিৰোধী ঐক্য মঞ্চৰ ফালৰপৰা শিৱসাগৰ সমষ্টিত প্ৰতিদণ্ডিতা আগবঢ়োৱা ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে এটা দিনতে সন্ধিয়া পৰ্যন্ত নিৰ্বাচনী প্ৰচাৰ চলাইছে। কালি সন্ধিয়া জাঁজী নাট্য সমাজ কলা ভৱনত বিৰোধী ঐক্য মঞ্চৰ এখন নিৰ্বাচনী সভাত উপস্থিত থাকি অখিল গগৈয়ে বিজেপি প্ৰাৰ্থী কুশল দুৱৰীক তীব্ৰ সমালোচনা কৰি গুপ্তহত্যাকাৰী আখ্যা দিয়ে আৰু এই বাৰ নিৰ্বাচনত উৎখাত কৰিবলৈ আহ্বান জনায়। প্ৰসংগক্ৰমে তেওঁ গৌৰৱ গগৈৰ নেতৃত্বত বিৰোধী ঐক্য মঞ্চ ক্ষমতালৈ আহিলে তিনিটা নতুন আচঁনিৰ কথা ঘোষণা কৰে। প্ৰতিগৰাকী উদ্যোগী মহিলাক দুইলাখকৈ টকা প্ৰদান কৰা হ'ব। মহিলাসকলৰ উদ্যোগৰ পৰা উৎপাদিত বস্তু চৰকাৰে আন্তৰাষ্ট্ৰীয় বজাৰত উচিত মূল্যত বিক্ৰীৰ ব্যৱস্থা কৰিব। দ্বিতীয়তে প্ৰতিখন গাঁৱত এটাকৈ ক্ষুদ্ৰ উদ্যোগ স্থাপন কৰা হ'ব যাতে সেই গাঁৱৰ শিক্ষিত নিবনুৱা সকল তাতে নিয়োজিত হয়। তৃতীয়তে খেতিপথাৰ সমূহত জলসিঞ্চনৰ ব্যৱস্থা কৰা হ'ব যাতে বছৰত তিনিটা খেতি কৰিব পৰা যায়। যি কৃষকে পথাৰত বছৰত তিনিবাৰ খেতি কৰিব তেওঁলোকক মাটিৰ খাজনা ৰেহাই দিয়া হ'ব। এইকেইটা আঁচনিৰ উপৰি যুৱকযুৱতী সকলৰ দক্ষতা বিকাশৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ আৰু অৰুণোদয় আঁচনিৰ ধন তিনিহাজাৰ টকালৈ বৃদ্ধি কৰিব বুলিও অখিল গগৈয়ে ঘোষণা কৰে। সভাখনত ৰাইজৰ দলৰ উপৰি মিত্ৰদলৰ কংগ্ৰেছ আৰু চি পি আই দলৰ নেতা কৰ্মীসকল উপস্থিত আছিল।

# লেখাপানীৰ দিহিং পাটকাইত পথাৰ শিল্পী লোহিত গগৈৰ ৬০ সংখ্যক জন্মদিন উদ্‌যাপন



**অসম বাৰ্তা বিশেষ, জাগুন, ৩১ মাৰ্চ ঃ** সোমবাৰে লেখাপানীৰ উদয়পুৰ স্থিত দিহিং পাটকাইৰ স্বৰ্গদেউ চাও লুঙ চ্যুকাফা সমন্বয় ক্ষেত্ৰত সমজোৱাকৈ উদ্‌যাপন কৰা হয় পথাৰ শিল্পী লোহিত গগৈৰ ওপজা দিন। দিহিং পাটকাই ৰঙালী বিহু আদৰণি উদযাপন সমিতিৰ উদ্যোগত বিভিন্ন দল সংগঠন তথা ভালে সংখ্যক শুভাকাংক্ষীৰ সহযোগত দিহিং পাটকাই অতিথিশালাত আয়োজন কৰা হয় এই জন্ম দিনৰ। অনুষ্ঠানটোত শ্ৰদ্ধাৰ শিল্পী গৰাকীৰ সৈতে তেখেতৰ সহধৰ্মিনী উপস্থিত থাকে। আৰম্ভণিতে শিল্পী গৰাকীক বিভিন্ন জনে ফুলাম গামোচা, চেলেং আৰু উপহাৰেৰে শুভেচ্ছা জ্ঞাপন কৰে। প্ৰথমে দিহিং পাটকাই ৰঙালী বিহু আদৰণি সমিতিৰ হৈ সভাপতি দেৱজিৎ ফুকনে ফুলাম গামোচাৰে শিল্পী গৰাকীক শুভেচ্ছা জনোৱাৰ পিছত ক্ৰমে জাগুন আঞ্চলিক বন বিষয়া প্ৰমোদ ফুকন, টাই আহোম যুৱ পৰিষদ মাৰ্ঘেৰিটা সম জিলা সমিতিৰ সভাপতি অজিত বেজবৰুৱা, সোণোৱাল কছাৰী ছাত্ৰ সন্থা তিনিচুকীয়া জিলা সমিতিৰ সভাপতি দ্বীপজল শইকীয়া, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ টিৰাপ জাগুন আঞ্চলিকৰ উপদেষ্টা ধীৰেন ডেকা, অসম চাহ জনজাতি ছাত্ৰ সন্থা টিৰাপ জাগুন উপ শাখা সমিতিৰ সম্পাদক মহেশ নায়ক, শুভাকাংক্ষী বাবলি ৰাজকুমাৰ, সুবোধ হাজং আৰু সঞ্জীৱ বৰুৱাই শুভেচ্ছা জ্ঞাপন কৰে। শুভেচ্ছা জনোৱাৰ পিছতেই বিভিন্ন জনে শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। শেষত শিল্পী গৰাকীয়ে কেক কাটি উপস্থিত ৰাইজক ধন্যবাদ সূচক বক্তব্য আগবঢ়ায়। ইয়াৰ পিছতেই বিভিন্ন জনে গীত-মাত পৰিবেশন কৰাৰ লগতে সকলোৱে আহাৰ গ্ৰহণ কৰে।

# পুৰণিগুদামত ৰাজেন গোঁহাইৰ সভাত বিজেপি কৰ্মীৰ উদ্ভণ্ডালি



## বিজেপিৰ উদ্ভণ্ডালিক আমি কেয়াৰ নকৰো ঃ ৰাজেন গোঁহাই

**অসম বাৰ্তা, পুৰণিগুদাম, ৩১ মাৰ্চ ঃ** আগন্তুক বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে-লগে শাসক-বিৰোধীৰ নিৰ্বাচনী প্ৰচাৰ কাৰ্য অব্যাহত আছে। ইতিমধ্যে অসম জাতীয় পৰিষদৰ মনোনীত প্ৰাৰ্থী ৰাজেন গোঁহাইৰ কে'বাখনো নিৰ্বাচনী প্ৰচাৰ সভাত বিজেপি আৰু অজাপ কৰ্মীৰ মাজত হতাহতি তথা খণ্ডযুদ্ধৰ ঘটনা সংঘটিত হৈছে। বঢ়মপুৰ সমষ্টিৰ অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী ৰাজেন গোঁহাইয়ে আজি বিয়লি পুৰণিগুদামৰ এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিবলৈ অহাৰ সময়ত বিজেপি কৰ্মীয়ে ৰাজেন গোঁহাই মুৰ্দাবাদ, ৰাজেন গোঁহাই গ' বেক আদি ধ্বনি দিয়ে। ৰাজেন গোঁহায়ে পুৰণিগুদাম গড়মূৰৰ মাজগাঁৱত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিবলৈ অহাৰ সময়ত বিজেপিৰ কৰ্মী সকলে চাউগুছেটৰ গাড়ী আনি ৰাজেন গোঁহাই মুৰ্দাবাদ, ৰাজেন গোঁহাই গ' বেক আদি ধ্বনি দিয়াৰ বিপৰীতে গোঁহাইৰ লগত থকা সমৰ্থকসকলে জিতু গোস্বামী মুৰ্দাবাদ ধ্বনি দিয়ে। পৰিস্থিতি উত্তপ্ত হোৱাত নগাঁৱৰ উচ্চপদস্থ আৰক্ষী বিষয়াৰ দল আহি পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ লগতে বিজেপিৰ সমৰ্থকসকলক উক্ত স্থানৰ পৰা আঁতৰাই পঠায়। ইফালে, বিজেপিৰ সমৰ্থকসকলে কোনো ধৰণৰ উত্তপ্ত পৰিস্থিতি সৃষ্টি কৰা নাই বুলি উল্লেখ কৰি ৰাজেন গোঁহাইৰ সমৰ্থক সকলেহে বিজেপিৰ ৰেলীত বাধা প্ৰদান কৰিছে বুলি মন্তব্য কৰে। ইফালে, আজি পুৰণিগুদামত বিজেপি কৰ্মীসকলে উত্তপ্ত পৰিস্থিতি সৃষ্টি কৰাৰ সম্পৰ্কত ৰাজেন গোঁহাইয়ে সাংবাদিকক কয়, গণতান্ত্ৰিক অধিকাৰ লৈ এগৰাকী প্ৰাৰ্থী হিচাপে এখন সভাত অংশগ্ৰহণ কৰিবলৈ আহিছিলো। এই সভাখনত বিজেপি কৰ্মীসকলে বাধা দিছে, উৎপাত কৰিছে, বিশৃংখল সৃষ্টি কৰিছে, হুলস্থুল কৰি আছে, সভা কৰিবলৈ সুযোগ দিয়া নাই বিজেপি কৰ্মীসকলে তথাপি প্ৰশাসনে আমাক সভাখন কৰিবলৈ আগুৱাই দিলে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ জনপ্ৰিয়তাৰ কথা তেওঁ নিজে জানে তেনেক্ষেত্ৰত তেওঁৰ বঢ়মপুৰত পৰাজয় বৰণ কৰিম বুলি শংকিত হৈ এনেধৰণৰ কাম কৰিছে। সভাখন বিফল কৰিবলৈ চেষ্টা কৰি মানুহক সভাখনলৈ অহাত বাধা প্ৰদান কৰিছে। আমি বিজেপিৰ এনে উদ্ভণ্ডালিক কেয়াৰ নকৰো বুলি গোঁহাইয়ে উল্লেখ কৰে। অজাপ প্ৰাৰ্থী গোঁহাইয়ে লগতে কয়, আমাক তেওঁলোকে সভা কৰিবলৈ সুযোগ দিয়া নাই তেওঁলোকে গাড়ী ৰখাই বিভিন্ন শ্ল'গান দি হুলস্থুল কৰি আমাৰ সভাখন বিফল কৰিবলৈ চেষ্টা কৰিছে আৰু ৰাইজক দাবী-ধমকি, ভয় খুৱাই সভালৈ আহিব দিয়া নাই। গোঁহাইয়ে লগতে কয়, জিতু গোস্বামীয়ে মোৰ লগত প্ৰতিদণ্ডিতা কৰা নাই মোৰ লগত মুখ্যমন্ত্ৰীয়ে প্ৰতিদণ্ডিতা কৰিছে। মুখ্যমন্ত্ৰীয়ে ইমান ভয় খাব নালাগে। তেওঁক অসমৰ জনগণে ইমান মৰম কৰে ভাল পায় জনপ্ৰিয়তা আছে সেইটো তেওঁ ভালকৈ জানে তৎস্বত্বেও তেওঁ কিয় আমাৰ সৰু-সুৰা সভাবোৰক বাধা দিছে। তেওঁ শংকিত হৈছে নেকি তেওঁ হাৰিব নেকি ইয়াত, বঢ়মপুৰবাসী ৰাইজে ইতিমধ্যে সিদ্ধান্ত লৈছে বুলি এনেকুৱা বিৰোধ কৰি বা বাধা দি নিশ্চয় অসম জাতীয় পৰিষদক ৰাখিব নোৱাৰে। কংগ্ৰেছ দল শক্তিশালি, অসম জাতীয় পৰিষদ শক্তিশালি, ৰাইজৰ দলৰো ইয়াত সমৰ্থন আছে। ৰাইজৰ আমাৰ প্ৰতি সমৰ্থন আছে ৰাইজে আমাক ভোট দিব ৰাইজে বিবেকেৰে যি সিদ্ধান্ত লয় আমি সেই সিদ্ধান্ত নতশিৰে মানি লম। অজাপ প্ৰাৰ্থী ৰাজেন গোঁহায়ে লগতে কয়, এনেকুৱা বিশৃংখল ৰাজনৈতিক পাৰ্টিৰ হাতত পুনৰ এবাৰ ক্ষমতা দিবলৈ হয় অদূৰ ভৱিষ্যতে ৰাইজক কেনেকুৱা অত্যাচাৰ কৰিব উৎপীড়ন কৰিব কিমান অশান্তি কৰিব সেইকথা আজিয়েই উপলব্ধি কৰক। বঢ়মপুৰবাসী এনেকুৱা ৰাজনৈতিক দলক উৎখাত কৰিব বুলি গোঁহায়ে মন্তব্য কৰে। উল্লেখযোগ্য যে, বিগত সময়ত নগাঁও লোকসভাৰ পৰা সাংসদ হিচাপে চাৰিবাৰকৈ নিৰ্বাচিত হোৱা ৰাজেন গোঁহাই বিজেপি দলৰ পুৰণি নেতা আছিল। ইফালে, কংগ্ৰেছ দল আৰু সহযোগী মিত্ৰজোঁট দলৰ সমৰ্থনত ৰাজেন গোঁহাই বঢ়মপুৰ সমষ্টিত নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হোৱাত কংগ্ৰেছৰ নীৰৱ ভোটাৰসকলে গোঁহাইক কেনেদৰে গ্ৰহণ কৰিছে সেইটো নিৰ্বাচনৰ ফলাফলতহে গম পোৱা যাব। ইফালে, আজি সমষ্টিটোৰ নণৈত ৰাজেন গোঁহাইক বিজেপি সমৰ্থকে প্ৰচাৰত বাধা প্ৰদান কৰিছে বুলি অভিযোগ উত্থাপন কৰাৰ পিছত পুৰণিগুদামত বাধা প্ৰদান কৰাৰ অভিযোগত ভোটাৰে কি প্ৰত্যুত্তৰ দিয়ে সেইটো সময়তহে গম পোৱা যাব।

## চামগুৰিৰ কাৰৈমাৰীৰ সভাৰ অথন্তৰৰ বাবে ৰকিবুললৈ দোষ ঠেলিলে প্ৰাৰ্থী আব্দুল আজিজে

# অৱতৰণ যোগ্য নহয় হেলিপেড! হেলিকপ্তাৰ লৈ ওপৰৰ পৰাই উভতি গ'ল আজমল

**অসম বাৰ্তা, ৰূপহীহাট, ৩১ মাৰ্চ ঃ** চামগুৰিৰ কাৰৈমাৰী খেলপথাৰত এআইইউডিএফ দলৰ প্ৰাৰ্থী আব্দুল আজিজৰ এক বিশাল নিৰ্বাচনী সভা অনুষ্ঠিত হয়। এআইইউডিএফ প্ৰধান বদৰুদ্দিন আজমলে আজি চামগুৰি সমষ্টিৰ প্ৰাৰ্থী আব্দুল আজিজৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ কথা আছিল যদিও কাৰৈমাৰীত অৱতৰণ নকৰাকৈ উভতি গল। কাৰৈমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত বিয়লিৰ ভাগত বদৰুদ্দিন আজমলে হেলিকপ্তাৰেৰে অৱতৰণ কৰি প্ৰচাৰ কৰিবলৈ এখনি বিশাল নিৰ্বাচনী সভাৰ আয়োজন কৰা হৈছিল। উক্ত সভাত হাজাৰ হাজাৰ মানুহ বিভিন্ন প্ৰান্তৰ পৰা আহি একত্ৰিত হৈছিল যদিও নিৰ্দিষ্ট সময়ত হেলিকপ্তাৰ আহি খেলপথাৰত উপস্থিত হয় যদিও বিসংগতিপূৰ্ণ হেলিপেডৰ বাবে অৱতৰণ কৰিব নোৱাৰে। হেলিকপ্তাৰেৰে খেলপথাৰত কেইবাটাও পাক মাৰি ঘূৰি ফুৰাৰ সময়তে বদৰুদ্দিন আজমলে এ দলীয় নেতা চম্পক কলিতাক অৱগত কৰে যে হেলিপেডখন অৱতৰণৰ যোগ্য নহয় সেয়েহে তললৈ নামিব নোৱাৰিব। তেনে সময়তে কিছু সময়ৰ বাবে আজমলে হেলিকপ্তাৰৰ পৰাই ফোন যোগে ৰাইজক সম্বোধন কৰে আৰু পুনৰ এদিন আহিব বুলি প্ৰাৰ্থী আব্দুল আজিজক অৱগত কৰে। ইফালে এই অথন্তৰৰ পাছতে উপস্থিত হাজাৰ হাজাৰ লোক নিৰাশ হৈ পৰে। হতবাক হৈ পৰে প্ৰাৰ্থী আব্দুল আজিজ। সভাত আব্দুল আজিজ আৰু অন্যান্য নেতাসকলে ৰাইজক সম্বোধন কৰি কংগ্ৰেছক তীব্ৰ সমালোচনা কৰা দেখা যায়। আনহাতে সভাৰ পাছতে এক সংবাদমেলৰ আয়োজন কৰি প্ৰাৰ্থী আব্দুল আজিজে এই ঘটনাৰ বাবে হেলিপেড নিৰ্মাণ কৰা অভিযন্তাক দোষাৰূপ কৰাৰ লগতে সাংসদ ৰকিবুল হুছেইনকো দোষাৰূপ কৰা দেখা যায়। নিৰ্বাচনৰ সময়ত নিৰ্বাচনী বিধি ব্যৱস্থা জিলা প্ৰশাসন তথা নিৰ্বাচন আয়োগৰ দায়িত্বত থাকে যদিও এ আই ইউ ডি এফ প্ৰাৰ্থী আব্দুল আজিজে বদৰুদ্দিন আজমলে অৱতৰণ কৰিব নোৱাৰাৰ বাবে ৰকিবুল হুছেইনক কটাক্ষ কৰি বিভিন্ন মন্তব্য কৰা দেখা যায়। এই অথন্তৰৰ বাবে দলে নিৰ্বাচন আয়োগৰ কাষ চাপিব বুলি আব্দুল আজিজে সংবাদমেলত প্ৰকাশ কৰে। প্ৰাৰ্থী আব্দুল আজিজে ৰাজনৈতিক ষড়যন্ত্ৰ কৰি হেলিকাপ্তাৰ অৱতৰণ কৰিব নোৱাৰাকৈ হেলিপেট নিৰ্মাণ কৰাৰো অভিযোগ তুলিছে। সংবাদমেলত আব্দুল আজিজে এনে ষড়যন্ত্ৰই তেওঁৰ জয় নিশ্চিত কৰিব বুলি দৃঢ় মত প্ৰকাশক কেন্দ্ৰ কৰিও ৰাজনৈতিক মহলত নানান ধৰণৰ চৰ্চা আৰম্ভ হৈছে। উল্লেখ্য যে চামগুৰিৰ কাৰৈমাৰী কংগ্ৰেছৰ দুৰ্গ হিচাপে পৰিচিত। আৰু সেই কাৰৈমাৰী খেল পথাৰতে এআইইউডিএফ দলৰ আব্দুল আজিজৰ নিৰ্বাচনী সভাত প্ৰায় ৪০ হেজাৰ লোকৰ উপস্থিতিতে কংগ্ৰেছী সকল চিন্তিত হৈ পৰিছে।

# ডিব্ৰুগড় কানৈ বাণিজ্য মহাবিদ্যালয়ত বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ জন্মদিন 'ছাত্ৰ দিৱস' পালন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৩১ মাৰ্চ ঃ** ডিব্ৰুগড়ৰ আগশাৰীৰ শিক্ষানুষ্ঠান কানৈ বাণিজ্য মহাবিদ্যালয়ত বড়ো জনগোষ্ঠীৰ পিতৃস্বৰূপ বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ ৭০ সংখ্যক জন্মদিন উপলক্ষে 'ছাত্ৰ দিৱস' হিচাপে পালন কৰা হয়। ছাত্ৰ একতা সভাৰ সদস্যা প্ৰীতি গগৈয়ে আঁত ধৰা অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়দেৱ গগৈ আৰু শিক্ষক- কৰ্মচাৰীয়েৰ বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পন কৰে। অধ্যক্ষ ড°ঃ গগৈয়ে নিজৰ ভাষণত কয় যে উপেন্দ্ৰ নাথ ব্ৰহ্ম কেৱল বড়ো জাতিৰ পিতৃ হিচাপেই নহয়, তেওঁ এগৰাকী খ্যাতিমান ছাত্ৰ আৰু সুদক্ষ শিক্ষকো আছিল। তেওঁ লগতে কয় যে জনজাতি তথা বড়ো জাতিৰ উন্নয়নৰ বাবে ব্ৰহ্মাই আগবঢ়োৱা অৱদানে আজিৰ ছাত্ৰ সমাজে গ্ৰহণ কৰা উচিত। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° নৱজ্যোতি দত্তই ভাষণত উপেন্দ্ৰ নাথ ব্ৰহ্মৰ কৰ্মৰাজীৰ ওপৰত আলোকপাত কৰাৰ লগতে ছাত্ৰ দিৱসৰ গুৰুত্ব ব্যাখ্যা কৰে। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলেও নিজৰ মতামত প্ৰকাশ কৰে। ইয়াৰোপৰি সদ্যপ্ৰয়াত মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত চতুৰ্থ বৰ্গৰ কৰ্মচাৰী ৰামু মালিৰ আত্মাৰ সদগতিৰ বাবে এখনি মৌন সভাও অনুষ্ঠিত কৰা হয়। সভাত অধ্যক্ষ আৰু শিক্ষক-কৰ্মচাৰীসকলে প্ৰয়াত ৰামু মালিৰ কৰ্মৰাজী স্মৰণ কৰি তেওঁৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰে। ছাত্ৰ দিৱস উপলক্ষে মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসত নাৰী কোষ আৰু জেণ্ডাৰ চেম্পিয়ন ক্লাবৰ যুটীয়া উদ্যোগত এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক ড° বিদিশা মহন্ত। তেওঁ "আধুনিক সমাজত নাৰীৰ ভূমিকা: অবচেতন মন, ডোপামিন ডিট' আৰু অন্তৰ শক্তি"-শীৰ্ষক বক্তৃতা প্ৰদান কৰে। ড° মহন্তই ভাষণত কয় যে আধুনিক সমাজত নাৰীৰ ভূমিকা কেৱল ঘৰ বা পৰিয়ালত সীমাবদ্ধ নহয়, বৰং শিক্ষা, কৰ্মক্ষেত্ৰ, ৰাজনীতি আৰু ব্যৱসায় আদি সকলো ক্ষেত্ৰতে নাৰীয়ে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছে। লগতে তেওঁ নাৰীৰ আভ্যন্তৰীণ শক্তি, মানসিক সুস্থতা আৰু আত্মবিশ্বাসৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ ছাত্ৰী নিবাসৰ বাবে কেইবাখনো গ্ৰন্থ দান কৰে। অনুষ্ঠানত অধ্যক্ষ ড° জয়দেৱ গগৈয়ে ছাত্ৰীসকলক শিক্ষাৰ জৰিয়তে জীৱনত আগবাঢ়িবলৈ ভাষণ প্ৰদান কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ শিক্ষক, গ্ৰন্থাগাৰিকা, কৰ্মচাৰী আৰু বহু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি লক্ষ্য কৰা যায়।

## অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ "টাইম বেংক"ৰ অধীনত নগাঁৱত জ্যেষ্ঠজনক সন্মান জনোৱা কাৰ্যসূচী অব্যাহত

# জ্যেষ্ঠ নাগৰিকসকল সমাজৰ অমূল্য সম্পদ, বিয়লিৰ বৈভৱ ঃ ড° শৰৎ বৰকটকী

**অসম বাৰ্তা, পুৰণিগুদাম, ৩১ মাৰ্চ ঃ** অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ নগাঁও জিলা আৰু নগাঁও শাখাৰ উদ্যোগত জ্যেষ্ঠ নাগৰিকসকলক সন্মান জনোৱা, অকলে থকা জ্যেষ্ঠসকলক "টাইম বেংক"ৰ অধীনত সময় কটোৱা কাৰ্যসূচী চলি আছে। ইয়াৰে এক অংশ হিচাপে আজি বিয়লি চকৰিগাঁও নিবাসী, বিশিষ্ট সমাজকৰ্মী ৮৯ বছৰ অতিক্ৰম কৰা মহেন্দ্ৰ নাথ শৰ্মাক সন্মিলনৰ তৰফৰ পৰা সন্মান জনোৱা হয়। শাখা সন্মিলনৰ সম্পাদক প্ৰদীপ কুমাৰ শইকীয়াৰ নেতৃত্বত যোৱা সন্মিলনৰ সঁজাতি দলটোৰ হৈ সন্মিলনৰ জিলা সমিতিৰ সভাপতি ড° শৰৎ বৰকটকীয়ে কয় যে, জ্যেষ্ঠ নাগৰিকসকল সমাজৰ অমূল্য সম্পদ, বিয়লিৰ বৈভৱ। তেওঁলোকে জীৱনৰ দীঘলীয়া পথত অসংখ্য অভিজ্ঞতা, জ্ঞান আৰু মূল্যবোধ সঞ্চয় কৰিছে। তদুপৰি তেখেতসকলৰ অধ্যৱসায় আৰু কঠোৰ পৰিশ্ৰমে সুস্থ সমাজ গঢ়ি তুলিছে। শাখাৰ সম্পাদক প্ৰদীপ কুমাৰ শইকীয়াই কয় যে এইয়া আমাৰ জ্যেষ্ঠ নাগৰিকসকলক কৃতজ্ঞতা প্ৰকাশৰ এক আন্তৰিক প্ৰয়াস হিচাপে আমি শৰ্মাদেৱৰ বাসগৃহত উপস্থিত হৈছো। এনেদৰে জ্যেষ্ঠজনৰ পৰা আমি জীৱনৰ মূল্য, সহনশীলতা আৰু মানৱীয়তাৰ শিক্ষাগ্ৰহণ কৰিব পাৰোঁ। ইয়াৰ আগতে "টাইম বেংক" আঁচনিৰ অধীনত সন্মিলনৰ প্ৰাক্তন সভাপতি, শিক্ষাবিদ প্ৰয়াত প্ৰদীপ শইকীয়াৰ পত্নী চাৰু শইকীয়া, চন্দ্ৰ মোহন কাকতিকে ধৰি কেইবাগৰাকী অকলশৰীয়াকৈ থকা জ্যেষ্ঠ নাগৰিকৰ ঘৰলৈ গৈ সময় অতিবাহিত কৰি আহিছে। অধ্যাপক মোহিনীমোহন ডেকাই কয় যে, জ্যেষ্ঠজনৰ আশীৰ্বাদ আৰু পৰামৰ্শ সদায় আমাৰ লগত থাকিব আৰু জ্যেষ্ঠজনৰ জীৱনৰ অভিজ্ঞতা আমাৰ পথ প্ৰদৰ্শক হৈ থাকিব। ইফালে, সম্বৰ্ধনা গ্ৰহণ কৰি বিশিষ্ট সমাজকৰ্মী মহেন্দ্ৰ নাথ শৰ্মাই অতি আনন্দিত হোৱা বুলি ব্যক্ত কৰাৰ লগতে অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সৈতে জড়িত সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জনায়। উক্ত কাৰ্যসূচীত শাখাৰ সম্পাদকৰ উপৰিও জিলা শিক্ষা সম্পাদক মোহিনীমোহন ডেকা, সদৰ শাখাৰ সহকাৰী সম্পাদক পল্লৱ বৰা, সাংগঠনিক সম্পাদক দিলীপ হাজৰিকা, মহেন্দ্ৰ নাথ শৰ্মাৰ পত্নী ৮৩ বছৰীয়া শশীপ্ৰভা দেৱী, দুই পুত্ৰ ক্ৰমে অধ্যাপক মৃণাল শৰ্মা, তৰুণ শৰ্মা, সাংবাদিক জয়ন্ত বৰা আদি উপস্থিত থাকে।

# মাজুলীত গৃহ নিৰ্যাতনৰ গোচৰত ৰায়দান, ভুক্তভোগী মহিলাৰ ন্যায় লাভ

**অসম বাৰ্তা, উজনী মাজুলী, ৩১ মাৰ্চ ঃ** নিজৰ স্বামী আৰু শহুৰ-শাহুৰৰ পৰা হোৱা মানসিক আৰু শাৰীৰিক নিৰ্যাতন সহ্য কৰিব নোৱাৰি আদালতৰ শৰণাপন্ন হৈছিল মাজুলীৰ গুৱালাবাৰীৰ অমিয়া পগাগ। অভিযোগ অনুসৰি, এই নিৰ্যাতন ইমানেই ভয়াবহ আছিল যে তেখেতৰ গৰ্ভত থকা প্ৰথম সন্তানৰো মৃত্যু হৈছিল। বহুদিন ধৰি এই অত্যাচাৰ সহ্য কৰাৰ পিছতো উপায় নাপাই ২০২৩ চনত অমিয়া পগাগে আদালতৰ কাষ চাপিছিল। এই গোচৰৰ শুনানি সম্পন্ন কৰি আজি মাজুলী জিলা মুখ্য ন্যায়িক দণ্ডাধীশ ডং সিদ্ধাৰ্থ শংকৰ শৰ্মাৰ আদালতে ৰায়দান প্ৰদান কৰে। ৰায়দান অনুসৰি কৃষ্ণ কান্ত পায়েং, যোগেশ্বৰ পায়েং, ৰেৱতী পায়েং আৰু বানিৰাম পায়েং ভাৰতীয় দণ্ডবিধি, ১৮৬০ৰ ধাৰা ৪৯৮(এ)ৰ অধীনত দোষী সাব্যস্ত কৰা হৈছে আৰু সেই অনুসৰি দোষীক ৬ মাহৰ সাধাৰণ কাৰাদণ্ড আৰু প্ৰতিজনক ১,০০০ টকা (এহাজাৰ টকা) জৰিমনা দিয়া হৈছে। ধাৰা ৪৯৮(ক)ৰ অধীনতে জৰিমনা নাদিলে ১০ (দহ) দিনৰ সাধাৰণ কাৰাদণ্ড ভোগ কৰিব লাগিব। আদালতে অমিয়া পাগাগৰ স্বামী কৃষ্ণ কান্ত পায়েং, শহুৰেক যোগেশ্বৰ পায়েং, শাহু ৰেৱতী পায়েং আৰু আন এজন অভিযুক্ত বানিৰাম পায়েংক অমিয়া পাগাগক কৰা মানসিক আৰু শাৰীৰিক নিৰ্যাতনৰ দোষী সাব্যস্ত কৰি ৰায় প্ৰদান কৰে। ৰায়দানৰ পিছত অমিয়া পগাগে প্ৰকাশ কৰে যে তেওঁ ন্যায় লাভ কৰিছে আৰু এই সিদ্ধান্তত সম্পূৰ্ণ সন্তুষ্ট। তেখেতে কয়, "আইন সকলোৰে বাবে সমান। আজি আদালতৰ এই ৰায়দানে মোৰ ওপৰত হোৱা অন্যায়ৰ ন্যায় প্ৰদান কৰিলে।" ইয়াৰ লগতে তেখেতে চৰকাৰী অধিবক্তা শৰৎ বৰা, বিজয় বুঢ়াগোহাঁই আৰু পুনম খাউণ্ডক ধন্যবাদ জনাইছে। লগতে মাজুলী জিলা মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতকো ন্যায় প্ৰদান কৰাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। উল্লেখযোগ্য যে অভিযুক্ত কৃষ্ণ কান্ত পায়েং মাজুলী জিলা আয়ুক্ত কাৰ্যালয়ৰ কৰ্মচাৰী।

# মহাসতী জয়মতী স্মৃতি দিৱসত কৃষ্ণা দত্ত শইকীয়া আৰু মনোমতী বৰগোঁহাইক সম্বৰ্ধনা

**অসম বাৰ্তা, চেলেংহাট, ৩১ মাৰ্চ ঃ** শিৱসাগৰ জিলা লেখিকা সমাজৰ উদ্যোগত আৰু আমগুৰি আঞ্চলিক লেখিকা সমাজৰ সহযোগত যোৱা দেওবাৰে কলিয়াপানী মজলীয়া বিদ্যালয়ৰ প্ৰাঙ্গণত মহাসতী জয়মতী স্মৃতি দিৱস উদ্‌যাপন কৰা হয়। কলিয়াপানী মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক জয়ন্ত সাউদে বৃক্ষৰোপণেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। অসম লেখিকা সমাজৰ উপ-সভাপতি দীপ্তি গগৈ বৰুৱাই অনুষ্ঠানটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। শিৱসাগৰ জিলা লেখিকা সমাজৰ উপদেষ্টা দীপালি স্বৰ্গীয়াৰী বৰুৱাই স্মৃতি তৰ্পণ কৰে। জিলা সম্পাদক মৌচুমী দত্তই আঁত ধৰা আৰু জিলা সভাপতি মনালিচা শৰ্মাই সভাপতিত্ব কৰা অনুষ্ঠানত "অসমীয়া নাৰী সমাজত মহাসতী জয়মতীৰ ত্যাগ আৰু জীৱন নাটৰ প্ৰভাৱ" বিষয়ত গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায় জিলা লেখিকা সমাজৰ উপদেষ্টা তথা আমগুৰি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা তথা অনুষ্ঠানত বিশেষ সম্বৰ্ধনা জনোৱা কৃষ্ণা দত্ত শইকীয়াই। জিলা লেখিকা সমাজে সাহিত্য ক্ষেত্ৰত উল্লেখযোগ্য অৱদানৰ বাবে কৃষ্ণা দত্ত শইকীয়াক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰে। তেওঁৰ উপৰিও জিলা লেখিকা সমাজে ক্ৰীড়া জগতলৈ আগবঢ়োৱা অনন্য অৱদানৰ বাবে মনোমতী বৰগোঁহাইকো সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত ভালেকেইজন লৰিয়লি আৰু সখীয়তীয়ে গীত-নৃত্য পৰিৱেশন কৰে। কেইবাগৰাকী সদস্যাই গীত পৰিৱেশনৰ উপৰি 'জয়মতী' আৰু 'শকুনিৰ প্ৰতিশোধ' নাটৰ সংলাপ পৰিৱেশনেৰে অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। অনুষ্ঠানৰ সামৰণিত আমগুৰি আঞ্চলিক লেখিকা সমাজৰ সভাপতি মামু দুৱৰাই সকলোকে কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰে।

# হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহঃ শিক্ষয়িত্ৰী গঙ্গাৰাণী দাসৰ বিদায় সম্বৰ্ধনা সভা সম্পন্ন

**অসম বাৰ্তা, হাজো, ৩০ মাৰ্চ ঃ** হাজো শিক্ষা বিস্তাৰ সমিতিৰ কান্দাৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী গঙ্গাৰাণী দাসৰ বিদায় সম্বৰ্ধনা সভা এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত অনুষ্ঠিত হয়। তদুপলক্ষে আজি দিনৰ দহ বজাত বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত শিক্ষয়িত্ৰী গৰাকীক বিদ্যালয়ৰ তৰফৰ পৰা বিদায় সম্বৰ্ধনা জনোৱা হয়। বিদ্যালয়ৰ শৈক্ষিক তত্ত্বধায়ক প্ৰদীপ চন্দ্ৰ ডেকাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত শিক্ষয়িত্ৰী গঙ্গাৰাণী দাসৰ সহকৰ্মী সকলে তেখেতৰ কৰ্ম জীৱনৰ স্মৃতি ৰোমন্থন কৰে। বিদায় সম্বৰ্ধনা অনুষ্ঠানত অংশগ্ৰহণ কৰি অসম চৰকাৰৰ প্ৰাক্তন তথ্য আয়ুক্ত মোহন চন্দ্ৰ মালাকৰ কয় যে, বিদ্যালয় এখন শিক্ষকৰ চাকৰিৰ বাবে নহয়, ছাত্ৰৰ মনৰ দুৱাৰ খুলি দিয়াৰ দায়িত্ব ল'বলৈহে শিক্ষকক নিযুক্তি দিয়া হয়। শিক্ষকৰ বৃত্তি এক ঈৰ্ষণীয় বৃত্তি। কিয়নো এগৰাকী চৰকাৰী চাকৰিয়াল অৱসৰৰ সময়লৈকে হে চাকৰিয়াল হৈ থাকে কিন্তু এগৰাকী শিক্ষক আজীৱন শিক্ষাগুৰু হৈয়ে থাকে। আনহাতে এই অনুষ্ঠানতে অৱসৰী শিক্ষক ধনেশ্বৰ দাসে কয় যে শিক্ষকতা জীৱনৰ অৱসৰৰ দিনা শিক্ষক গৰাকীৰ কামৰ তালিকাখন দীঘল কৰিব পৰা জনেহে যশস্বীমান আৰু ছাত্ৰৰ প্ৰিয় শিক্ষক। অনুষ্ঠানত অৱসৰী শিক্ষয়িত্ৰী বুলু প্ৰভা মালাকৰ, কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি নৱ কুমাৰ দাস, হাজো ৰাইজৰ সভাপতি নৃপেন চন্দ্ৰ দাস, অৱসৰী শিক্ষয়িত্ৰী ইভাৰাণী মালাকাৰ, প্ৰমুখ্যে ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# আমগুৰি শাখা লেখিকা সমাৰোহ সমিতিৰ একাদশ তম দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন

**অসম বাৰ্তা, চেলেংহাট, ৩০ মাৰ্চ** ঃ সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ শিৱসাগৰ জিলাৰ অন্তৰ্গত আমগুৰি শাখা লেখিকা সমাৰোহ সমিতিৰ একাদশ তম দ্বি-বাৰ্ষিক অধিবেশন খনি যোৱা দেওবাৰে আমগুৰি আউনীআটীয় হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হয়। প্ৰথম কাৰ্যসূচী মতে শাখাৰ পতাকা উত্তোলন কৰে শাখাৰ সভানেত্ৰী মণিমালা দত্তই। ইয়াৰ পাছতে পদ্মশ্ৰী ড° শীলা বৰঠাকুৰৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সম্পাদিকা দিপালী গগৈ বৰুৱাই। গণ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে দিপালী দত্ত শইকীয়াই। সভাৰ আৰম্ভণিতে 'চিৰ চেনেহী মোৰ ভাষা জননী'গীত পৰিৱেশন কৰে শাখাৰ সদস্যা বৃন্দই। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী পুষ্পা গগৈয়ে এগছি বন্তি জ্বলাই মঞ্চ মুকলি কৰে। সম্পাদিকা লখিমী কাকতিয়ে উদ্দেশ্য ব্যাখ্যা কৰে। উদ্দেশ্য ব্যাখ্যাত কয় যে তেখেতসকলৰ কাৰ্যকাল সমাপ্ত হৈছে সভাত উপস্থিত থাকে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী পুষ্পা গগৈ, সম্পাদিকা দিপালী গগৈ বৰুৱা, কাৰ্যকৰী সভানেত্ৰী দিপালী দত্ত শইকীয়াই যুটীয়া সম্পাদিকা সুভদ্ৰা বড়া, শিৱসাগৰ জিলা লেখিকা সমাৰোহ সমিতিৰ সম্পাদিকা জেউতি বৰা ভূএগা, পত্ৰিকা সম্পাদিকা দেৱযানী মহন্ত। অতিথি বৃন্দৰ সাৰুৱা ভাষণে সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। নৱনীতা গগৈয়ে কবিতা পাঠ কৰে পৰিণীতা বৰুৱা নেওগ, পলি চাংমাইয়ে গীত পৰিৱেশন কৰে। এই সভাতে ৰাণী শৰ্মাই বুলুবালা দেৱী সোঁৱৰণী আদৰ্শ মাতৃ বঁটা প্ৰদান কৰে বিশেষ ভাৱে সক্ষম বিষ্ণু প্ৰিয়া গগৈৰ মাতৃ ৰুমী গগৈক। বঁটাত থাকে এখন সম্বৰ্ধনা পত্ৰ, এখন চেলেং চাদৰ, এটা স্মাৰক, এযোৰ মেখেলা চাদৰ, নগদ ধন। ৰুমী গগৈৰ কষ্ট, ত্যাগৰ সকলোৱে শলাগ লয়। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ কলিয়াবৰ অধিৱেশনত অনুষ্ঠিত অধিবেশনত 'সদস্যা ৰত্ন' প্ৰাপক নলিনী মহন্ত, প্ৰতিভা ভূএগাক বঁটা প্ৰদান কৰাৰ লগতে শাখাৰ পৰাও সম্বৰ্দ্ধনা জনোৱা হয়। ইয়াৰ উপৰিও নৱনীতা গগৈ, দীপালী গগৈ শইকীয়া, হিৰণ্য গগৈ দুৱৰাক সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা অৱদানৰ বাবে সম্বৰ্দ্ধনা জনোৱা হয়। শাখাই অনুষ্ঠিত কৰা 'এক মিনিটৰ গল্প' প্ৰতিযোগিতাত প্ৰথম স্থান প্ৰাপক পল্লৱ দাস আৰু ২য় স্থান প্ৰাপক বাক্তৱ জ্যোতি বৰগোহাঁইক এখন মানপত্ৰ, কিতাপ প্ৰদান কৰা হয়। অধিবেশনত শাখাৰ মুখপত্ৰ 'শ্যামলিমা'উন্মোচন কৰে দিপালী দত্ত শইকীয়াই। শাখাৰ সম্পাদিকা লখিমী কাকতি প্ৰথম কবিতা সংকলন 'মন আকাশৰ ৰামধেনু' উন্মোচন কৰে দিপালী গগৈ বৰুৱাই।

## ডেকাচাঙত এ আই ইউ ডি এফৰ নিৰ্বাচনী কাৰ্যালয় মুকলি

**অসম বাৰ্তা, সোণতলী, ৩০ মাৰ্চ** ঃ ৰাজ্যত নিৰ্বাচনৰ দিন ক্ৰমে চমু চাপি অহাৰ লগে-লগে ৰাজনৈতিক দলসমূহে নিজ নিজ দলক লৈ তৎপৰ হৈ পৰাৰ সময়তে ছমৰীয়াত নিৰ্বাচনী কাৰ্যালয় স্থাপনৰ জোৱাৰ উঠিছে। এই ক্ষেত্ৰত ছমৰীয়াৰ এ আই ইউ ডি এফ দলেও পিছ পৰি থকা নাই। দেওবাৰে এই উদ্দেশ্য আগত ৰাখি কামৰূপ জিলাৰ ছমৰীয়াৰ ৰাজনীতিৰ অন্যতম কেন্দ্ৰস্থল ডেকাচাং আঞ্চলিক বজাৰত এ আই ইউ ডি এফ দলৰ এখন নিৰ্বাচনী কাৰ্যালয় স্থাপন কৰে। নিৰ্বাচনী প্ৰচাৰ সূচাৰুৰূপে সমাধান কৰাৰ লক্ষ্য আগত ৰাখি এই নিৰ্বাচনী কাৰ্যালয়খন মুকলি কৰে। অকল এয়ে নহয় এই কাৰ্যালয়খনৰ লগতে ছমৰীয়াৰ বিভিন্ন ঠাইত ক্ৰমে- গৰৈমাৰী ব্ল'কৰ হাঁহচৰী, আচল পাৰা, টুকুৰা পাৰা, হাতীপাৰা, হাতী শোলা, ছমৰীয়া ব্ল'কৰ সোণতলী- চৌধুৰী পাম, ৰাঙাপানী, টুপামাৰী, কিছমত কাঠমী, বজাত বগুৰীগুৰীৰ ডেকাচাং, বৰুৱা বালিঝাৰকে ধৰি বাৰখনকৈ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে। তদুপৰি সোমবাৰেও দহটাকৈ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে। এই কাৰ্যালয় সমূহৰ শুভ উদ্বোধন কৰে ২৭ নম্বৰ ছমৰীয়া বিধান সভা সমষ্টিৰ এ আই ইউ ডি এফ দলৰ মনোনীত প্ৰাৰ্থী ইমদাদ হুছেইনে। কাৰ্যালয় উদ্বোধনৰ অন্ততঃ প্ৰায় সহস্ৰাধিক ভোটাৰ ৰাইজৰে অনুষ্ঠিত নিৰ্বাচনী দলীয় সভাত ছমৰীয়াৰ কংগ্ৰেছৰ প্ৰাৰ্থী ৰেকিবুদ্দিন আহমেদৰ বিৰুদ্ধে এ আই ইউ ডি এফ দলৰ প্ৰাৰ্থী ইমদাদ হুছেইনে সমালোচনা কৰে। সভাত আন আন সমস্যা সমাধানৰ লগতে ৰাইজে নিৰ্বাচনত জিকালে ছমৰীয়াত বিজ্ঞান আৰু বাণিজ্য শাখাৰ দুখনকৈ মহাবিদ্যালয়ো বনোৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে ইমদাদ হুছেইনে। সভাত বক্তব্যত এ আই ইউ ডি এফ দলৰ মনোনীত প্ৰাৰ্থী ইমদাদ হুছেইনে সকলোকে তেওঁৰ তলা-চাবিৰ ছবিত ভোট দিবলৈ অনুৰোধ জনায়। উল্লেখ্য, দল তথা প্ৰাৰ্থীৰ জনপ্ৰিয়তাৰ প্ৰতি আকৃষ্ট হৈ কংগ্ৰেছ দল ত্যাগী দুই শতাধিক লোকে আনুষ্ঠানিকভাৱে এ আই ইউ ডি এফ দলত যোগদান কৰে।

ৰাইজৰ দল ত্যাগ কৰি সমষ্টি সমিতিৰ কাৰ্যকৰী সভাপতি নয়নজ্যোতি লক্ষেশ্বৰৰ কাষত

# নিৰ্দলীয় প্ৰাৰ্থী লক্ষেশ্বৰ মৰাণৰ বিস্ফোৰণ, 'অসম বাৰ্তা'ৰ বাতৰিৰ সত্যতা প্ৰতিপন্ন

## ডিগবৈত প্ৰত্যাহ্বানৰূপে থিয় দিব নেকি লক্ষেশ্বৰ মৰাণ?

**অসম বাৰ্তা বিশেষ, পেঙেৰী, ৩০ মাৰ্চ** ঃ তিনিচুকীয়া জিলাৰ ৮৪নং ডিগবৈ বিধানসভা সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী লক্ষেশ্বৰ মৰাণে সংবাদ মাধ্যম যোগে বিস্ফোৰণ ঘটাই 'অসম বাৰ্তা' কাকতত অলপতে প্ৰকাশিত "ডিগবৈ সমষ্টিত মিত্ৰ দলৰ টিকটৰ পৰা ৰহস্যজনকভাৱে বঞ্চিত লক্ষেশ্বৰ মৰাণ...." শীৰ্ষক প্ৰতিবেদনৰ সত্যতাকেই প্ৰতিপন্ন কৰিলে। স্মৰ্তব্য যে, কাইলৈ ডিগবৈ আৰু মাৰ্ঘেৰিটাত ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে নিৰ্বাচনী ৰেলীত অংশগ্ৰহণ কৰিবলৈ আহি থকাৰ সময়তে লক্ষেশ্বৰ মৰাণৰ এই বিস্ফোৰণে বিশেষ তাৎপৰ্য বহন কৰিছে। উল্লেখ্য যে, কংগ্ৰেছ আৰু ৰাইজৰ দলৰ টিকটৰ পৰা বঞ্চিত লক্ষেশ্বৰ মৰাণে বিশেষ ৰণকৌশল তৈয়াৰ কৰি সমষ্টিটোত নিৰ্বাচনী ৰণডংকা বজাইছে বুলি জানিব পৰা গৈছে। তেওঁৰ মতে, ডিগবৈৰ পৰা দহজনকৈ কংগ্ৰেছ দলৰ টিকট প্ৰয়াসীয়ে আবেদন জনাইছিল যদিও মিত্ৰতাৰ দোহাই দি গৌৰৱ গগৈয়ে সম্ভাৱনাপূৰ্ণ আসনখন হেৰুৱাই পেলালে। তেওঁৰ বিস্ফোৰণৰ সৰ্বাধিক গুৰুত্বপূৰ্ণ বিষয়টো হ'ল বিজেপিৰ টিকটৰ পৰা বঞ্চিত হোৱাৰ আশংকাত ডিগবৈৰ বিধায়ক সুৰেন ফুকনে ৰাইজৰ দলৰে টিকটপ্ৰাপ্তি চূড়ান্ত কৰি থৈছিল যদিও প্ৰবল প্ৰত্যাহ্বানৰ মূৰকত দলীয় টিকট লাভ কৰিলৈ সক্ষম হ'ল। উক্ত বিষয়টোৰ সন্দৰ্ভত অসমৰ সংবাদ তথা সামাজিক মাধ্যমতো সৰৱ চৰ্চা চলিছিল। তেওঁৰ মতে, সুৰেন ফুকনৰ বাবেই ৰাইজৰ দলে মিত্ৰতাৰ পূৰ্বেই ডিগবৈৰ আসনখন খৰখেদাকৈ দলীয় বিষয়ববীয়া লক্ষ্যজ্যোতি গগৈৰ নামত ঘোষণা কৰি সংৰক্ষণ কৰি থৈছিল। মিত্ৰতাৰ পাছত সুৰেনৰ আশা ব্যৰ্থ যোৱাৰ পাছতো ডিগবৈৰ আসনখন অন্য দলক এৰি নিদি বিপাঙত পৰে ৰাইজৰ দলৰ সভাপতি অখিল গগৈ। সেয়েহে দলীয় প্ৰাৰ্থীৰ অভাৱত দুগৰাকী কংগ্ৰেছৰ পৰা টিকট প্ৰত্যাশীক মতাই নি কাজিৰঙাৰ অৰ্কিড পাৰ্কত প্ৰকাৰণ্তৰে দৰ-দামৰ বেহা পাতি টিকট প্ৰদানৰ নামত ভেঁকোভাওনা পাতিলে। তেওঁৰ স্পষ্ট অভিযোগ মতে, সুৰেন ফুকনক জিকাবলৈকে সুৰেনৰ দিহা অনুসৰি তুলনামূলকভাৱে দুৰ্বল প্ৰাৰ্থী দুলাল মৰাণক টিকট প্ৰদান কৰিলে। ফলত বিৰোধী মিত্ৰদলৰ হৈ ৰাইজৰ দলৰ টিকট লৈ নিৰ্বাচন খেলা দুলাল মৰাণে প্ৰবল প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব। ক্ষোভিত নিৰ্দলীয় প্ৰাৰ্থী লক্ষেশ্বৰ মৰাণৰ মতে, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈয়ে টিকট প্ৰদানৰ প্ৰতিশ্ৰুতিৰে যোৱা বৰ্ষৰ নৱেম্বৰ মাহত এখন বিশাল যোগদান সভাৰ আয়োজন কৰাইছিল, য'ত তেওঁ অকলেই সমুদায় খৰচ বহন কৰিছিল। দহ হাজাৰ লোকৰ সমাৱেশ ঘটা উক্ত বিশাল সভাখনত লক্ষেশ্বৰ মৰাণে প্ৰায় ১৫শ লোকক লৈ কংগ্ৰেছ দলত যোগদান কৰিছিল। কিন্তু মিত্ৰতাই গৌৰৱৰ প্ৰতিশ্ৰুতি পূৰণত হেঙাৰ সৃষ্টি কৰিলে যদিও মিত্ৰ দলৰ টিকট প্ৰদানৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াব পাৰিলেহেঁতেন। এই সন্দৰ্ভত সদ্য ৰাইজৰ দল ত্যাগী, তথা দলৰ সমষ্টি সমিতিৰ কাৰ্যকৰী সভাপতি নয়নজ্যোতি চাৰিঙীয়া ফুকনেও সংবাদ মাধ্যম যোগে বিস্ফোৰণ ঘটাইছে। তেওঁ কয় যে, ডিগবৈয়ে হওক কিম্বা পূৰ্বৰ মাৰ্ঘেৰিটাই হওক, প্ৰাৰ্থিত্বৰ চহৰ কেন্দ্ৰিক বিষয়টোৰ উপৰি দলৰ পৰা উপেক্ষিত হোৱাৰ ক্ষোভত ৰাইজৰ দল ত্যাগ কৰিছে। তেওঁ আৰু কয় যে, বৃহত্তৰ বুঢ়ীদিহিং মৌজাৰ উন্নয়নৰ স্বাৰ্থত একমাত্ৰ বুঢ়ীদিহিঙৰ প্ৰাৰ্থী তথা তেওঁৰ পিতৃতুল্য লক্ষেশ্বৰ মৰাণক দলীয় টিকটটো দিয়াৰৰ বাবে থকা প্ৰবল ইচ্ছাৰ হেতু দলৰ সভাপতি অখিল গগৈৰ ওচৰলৈ লৈ গৈছিল। কিন্তু ঘটনাক্ৰমে লক্ষেশ্বৰ মৰাণৰ গুৰুত্বক নস্যাৎ কৰি ৰাইজৰ দলৰ সভাপতি আৰু তেওঁৰ দুই ঘনিষ্ঠই দুলাল মৰাণৰ পক্ষতহে থিয় দিলে। তেওঁৰ স্পষ্ট মত - "তেনেদৰে বঞ্চিত ব্যক্তিগৰাকীক অকণমান সাহস দি প্ৰত্যাহ্বানৰ পৰ্যায়লৈ নিবলৈকে ৰাইজৰ দল ত্যাগ কৰি মোৰ নিজা ৰণকৌশলক হাতিয়াৰ হিচাপে লৈ মই তেওঁৰ কাষত থিয় দিছোঁ।" নিৰ্দলীয় প্ৰাৰ্থীৰূপে থিয় দি নিৰ্দিষ্ট ৰণকৌশল ৰচনাৰে নিৰ্বাচনী যুঁজত অগ্ৰসৰ হোৱা লক্ষেশ্বৰ মৰাণৰ এই বিস্ফোৰণৰ পাছত শাসকীয় দলৰ প্ৰাৰ্থী তথা দুটা কাৰ্যকালৰ বিধায়ক সুৰেন ফুকনৰ জয়ৰ ব্যৱধান যে কিছু হ্ৰাস কৰিব সেয়া স্পষ্ট হৈ পৰিছে।

# নিৰ্বাচনৰ সুৰক্ষাকলৈ নগাঁও জিলাৰ নিৰাপত্তা বাহিনীৰ গুৰুত্বপূৰ্ণ যুটীয়া বৈঠক

**অসম বাৰ্তা, পুৰণিগুদাম, ৩০ মাৰ্চ** ঃ অহা ৯ এপ্ৰিলত সমগ্ৰ ৰাজ্যখনৰ সমান্তৰালকৈ নগাঁও জিলাটো অনুষ্ঠিত হ'বলগীয়া অসম বিধানসভা নিৰ্বাচনৰ পৰিপেক্ষিতত জিলাখনৰ নিৰাপত্তা ব্যৱস্থাক লৈ আজি এখন বিশেষ পৰ্যালোচনা সভা অনুষ্ঠিত কৰা হয়। জিলাখনত নিয়োজিত সকলো নিৰাপত্তা বাহিনীৰ শীৰ্ষ বিষয়া আৰু নিৰ্বাচন আয়োগৰ আৰক্ষী পৰ্যবেক্ষকৰ উপস্থিতিত আৰক্ষী চাউনীৰ প্ৰেক্ষাগৃহত এই গুৰুত্বপূৰ্ণ বৈঠকত অনুষ্ঠিত হয়। জিলা নিৰ্বাচনী বিষয়া তথা জিলা আয়ুক্ত দেবাশীষ শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত সভাখনত নিৰ্বাচন আয়োগৰ দ্বাৰা নিয়োজিত আৰক্ষী পৰ্যবেক্ষক জি. শিৱকুমাৰ, জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাৰ্থ প্ৰতিম দাস, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ ডেপুটি কমাণ্ডেণ্ট মনিষ কুমাৰ প্ৰমুখ্যে কেন্দ্ৰীয় অৰ্ধসামৰিক বাহিনী, ভাৰত-তিব্বত সীমা আৰক্ষী, সীমা সুৰক্ষা বাহিনী আৰু জিলা আৰক্ষী প্ৰশাসনৰ বহুসংখ্যক উচ্চস্তৰীয় বিষয়া উপস্থিত থাকে। বৈঠকত আৰক্ষী পৰ্যবেক্ষক জি. শিৱকুমাৰে নিৰ্বাচনী কৰ্তব্যৰ বাবে জিলাখনত উপস্থিত হোৱা কেন্দ্ৰীয় অৰ্ধসামৰিক বাহিনী, ভাৰত-তিব্বত সীমা আৰক্ষী আৰু সীমা সুৰক্ষা বাহিনীৰ শীৰ্ষ বিষয়াসকলৰ সৈতে নিৰাপত্তা সম্পৰ্কীয় বিভিন্ন দিশৰ ওপৰত পুংখানুপুংখভাৱে আলোচনা কৰে। নিৰ্বাচনৰ সময়ছোৱাত কেন্দ্ৰীয় বাহিনীসমূহৰ ভূমিকা আৰু নিৰাপত্তাৰ দিশসমূহ পৰ্যালোচনা কৰি প্ৰয়োজনীয় দিক-নিৰ্দেশনা প্ৰদান কৰে। একেদৰে জিলা আয়ুক্ত দেৱাশিস শৰ্মাই নিৰ্বাচনৰ সময়ত জিলাখনত আইন-শৃংখলা পৰিস্থিতি অটুট ৰখাৰ লগতে সমগ্ৰ নিৰ্বাচনী প্ৰক্ৰিয়াটো অতি স্বচ্ছ, শান্তিপূৰ্ণ আৰু সূচাৰুৰূপে সম্পন্ন কৰাৰ দিশত বাহিনীটোক প্ৰয়োজনীয় দিহা-পৰামৰ্শ প্ৰদান কৰাৰ লগতে তেওঁলোকৰ সৈতে মত বিনিময় কৰে। বৈঠকৰ শেষত জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাৰ্থ প্ৰতিম দাসে সকলো বিভাগৰ মাজত সু-সমন্বয় ৰক্ষা কৰি এক ভয়মুক্ত পৰিৱেশ গঢ়ি তোলাৰ বাবে নিৰাপত্তা বাহিনী সমূহৰ দায়বদ্ধতাৰ কথা সোঁৱৰাই দিয়ে। এই বৈঠকৰ পিছতে স্থায়ী শান্তি আৰু আইন-শৃংখলা অটুট ৰখাৰ লগতে সাধাৰণ ৰাইজৰ মাজত নিৰাপত্তাৰ ভাৱ সুদৃঢ় কৰাৰ লক্ষ্যৰে জিলা আয়ুক্ত দেৱাশিস শৰ্মা আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাৰ্থ প্ৰতিম দাসৰ নেতৃত্বত চামগুৰি বিধানসভা সমষ্টিৰ বিভিন্ন স্পৰ্শকাতৰ অঞ্চলত এক বিশেষ পথ নিৰীক্ষণ আৰু "এলাকা আধিপত্য" কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই অভিযানৰ জৰিয়তে প্ৰশাসনে অঞ্চলটোৰ সামগ্ৰিক নিৰাপত্তা ব্যৱস্থাৰ বুজ লোৱাৰ লগতে যিকোনো অপ্ৰীতিকৰ পৰিস্থিতি ৰোধ কৰিবলৈ তেওঁলোকৰ তৎপৰতা প্ৰদৰ্শন কৰে। শীৰ্ষ বিষয়াদ্বয়ৰ এই সক্ৰিয় উপস্থিতিয়ে জিলাখনৰ অতি স্পৰ্শকাতৰ হিচাপে পৰিগণিত হোৱা অঞ্চলটোত ৰাইজৰ মাজত আত্মবিশ্বাস বৃদ্ধি কৰাৰ লগতে শান্তি-সম্প্ৰীতি বজাই ৰখাৰ ক্ষেত্ৰত এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰাৰ বাবে জিলা প্ৰশাসনে প্ৰয়াস চলায়।

### চামগুৰিত ডিচি-এছপিৰ পথ-যাত্ৰা

## হীৰক জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি বাহনা মহাবিদ্যালয়ত উদ্যমিতা বিকাশৰ কৰ্মশালা সম্পন্ন

**অসম বাৰ্তা, নিমাতীঘাট, ৩০ মাৰ্চ** ঃ বাহনা মহাবিদ্যালয়ৰ হীৰক জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ প্ৰাণীবিদ্যা বিভাগৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহযোগত যোৱা ২৭ মাৰ্চ তাৰিখে মহাবিদ্যালয়ত এখনি 'Chai Chat গু Starters' নামেৰে উদ্যমীতা বিকাশৰ কৰ্মশালা অনুষ্ঠিত হয়। প্ৰাণীবিদ্যা বিভাগৰ অধ্যাপিকা স্বৰূপা ভট্টাচাৰ্য্যই উদ্দেশ্য ব্যাখ্যা কৰা কৰ্মশালাখনিত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চুম্বিত চলিহাই উক্ত বিষয়ৰ ওপৰত ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি ইতিবাচক ভাষণ প্ৰদান কৰে। ইয়াৰ পাছতেই সফল ব্যক্তিৰূপে প্ৰাণীবিদ্যা বিভাগৰ প্ৰাক্তন ছাত্ৰ আৰু বৰ্তমানে মুম্বাইত এজন Entrepreneur আৰু Business Incubation সম্পৰ্কীয় কামত নিয়োজিত সুদীপ্ত গুহই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি ব্যৱসায়ৰ প্ৰাৰম্ভিকতা, অগ্ৰগতি, নতুন ব্যৱসায়ৰ ধাৰণা ইত্যাদি কিদৰে কৰিব পাৰি সেই বিষয়ে আলোচনা কৰে। মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপন কোষৰ সমন্বয়ক ড° পংকজ বৰাই ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি বৰ্তমান সময়ত ব্যৱসায়ত ইতিবাচক দিশসমূহৰ বিষয়ে বক্তব্য আগবঢ়াই। মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° প্ৰসন্ন দত্ত, উপাধ্যক্ষা ড° পৰিনীতা বৰা, প্ৰাণীবিদ্যা বিভাগৰ মুৰব্বী অধ্যাপিকা ড° গায়ত্ৰী অগ্নি বৰা, অধ্যাপক ড° বিক্ৰমাদিত্য বকলীয়াল, অধ্যাপিকা ড° ৰীমা ৰাভা, গ্ৰন্থাগাৰিক ড° অনুপম চন্দ, প্ৰাক্তন ছাত্ৰ ৰিপন ভৰালী আদি বহুকেইজন ব্যক্তি উপস্থিত থাকি কৰ্মশালখন সাফল্যমণ্ডিত কৰে। শেষত কৰ্মশালখনিৰ শলাগ জ্ঞাপন কৰে অধ্যাপিকা স্বৰূপা ভট্টাচাৰ্য্য।

তৰুণ গগৈয়ে য়ি আইন আনি গৈছিল তাৰ আলম লৈ বিজেপিয়ে উচ্ছেদ কৰি আছে ঃ আব্দুল আজিজ

## চামগুৰিত কেবাটাও এআইইউডিএফৰ নিৰ্বাচনী কাৰ্যালয় মুকলি আব্দুল আজিজৰ

**অসম বাৰ্তা, ৰূপহীহাট, ৩০ মাৰ্চ** ঃ চামগুৰিত এআইইউডিএফ দলৰ প্ৰাৰ্থী আব্দুল আজিজে আৰম্ভ কৰিছে ব্যাপক নিৰ্বাচনী প্ৰচাৰ। আজি সমষ্টিটোত কেবাটাও পঞ্চায়তত এআইইউডিএফ দলৰ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে আব্দুল আজিজে। চামগুৰিৰ লটানী বজাৰৰ মাজমজিয়াত আজি এআইইউডিএফ দলৰ নিৰ্বাচনীৰ কাৰ্যালয় মুকলি কৰে। উক্ত উদ্বোধনী অনুষ্ঠানত ফিতা কাটি মুকলি কৰে চামগুৰি সমষ্টিৰ এ আই ইউ ডি এফ দলৰ প্ৰাৰ্থী আব্দুল আজিজৰ লগতে সদ্য কংগ্ৰেছ ত্যাগী ৰহমত উল্লাহই। চামগুৰি সমষ্টিৰ অন্তৰ্গত ভাটিয়াখালী কংগ্ৰেছ দলৰ দুৰ্গ হিচাপে পৰিচিত আছিল। এই ভাটিয়াখালীতে এআইইউডিএফ দলৰ বিশাল নিৰ্বাচনী কাৰ্যালয় মুকলি কৰাত ৰাজনৈতিক মহলত সৰৱ চৰ্চা আৰম্ভ হৈছে। ভাটিয়াখালীত কংগ্ৰেছ দলৰ আধিপত্য থকা লটানী চাপৰি বজাৰত কংগ্ৰেছ দলৰ নিৰ্বাচনী প্ৰচাৰৰ অস্থায়ী কাৰ্যালয় মুকলি কৰাৰ বাবে এডোখৰ মাটি কেন্দ্ৰ বনাবলৈ নোপোৱাত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। পূৰ্বৰ পৰাই লটানী বজাৰত কংগ্ৰেছ দলৰ কাৰ্যালয় মুকলি কৰি আহিছিল কিন্তু এইবেলি লটানিত প্ৰায় কংগ্ৰেছ শূন্য হৈ পৰা দেখা গৈছে। আনপিনে আব্দুল আজিজে আজি জিউমাৰী, তেলিয়াচাপৰিটুপত দুখনকৈ নিৰ্বাচনী কাৰ্যালয় শুভ উদ্বোধন কৰি ভোটাৰৰ মাজত প্ৰচাৰ চলায়। নিৰ্বাচনী কাৰ্যালয় উদ্বোধন কৰি এ আই ইউ ডি এফ দলৰ প্ৰাৰ্থী আব্দুল আজিজে কয় যে যিসকল প্ৰাৰ্থী এইবাৰ চামগুৰিত উঠিছে কোনোৱেও চৰকাৰক চেলেঞ্জ কৰি মাত মাতিব নোৱাৰিব। প্ৰাৰ্থী আজিজে ৰাজ্যৰ উচ্ছেদৰ বাবে কংগ্ৰেছ চৰকাৰক দোষাৰূপ কৰি কয় যে তৰুণ গগৈ চৰকাৰে যি আইন আনি গৈছিল তাৰ আলম লৈয়ে বিজেপিয়ে উচ্ছেদ চলাই আছে। অকল এয়াই নহয়, ডি ভোটাৰ সমস্যা, উচ্ছেদ আদিক ভাষণত কয় যে অগপ, বিজেপি আৰু কংগ্ৰেছৰ মাজত কোনো পাৰ্থক্য নাই। এ আই ইউ ডি এফ দলৰ প্ৰাৰ্থী আব্দুল আজিজে মুখ্যমন্ত্ৰীৰ মন্তব্যৰ প্ৰসঙ্গত ৰাইজক উদ্দেশী কয় যে হিমন্ত বিশ্ব শৰ্মাই যি দৰে মুছলমানক টাৰ্গেট কৰি কথা কয় কংগ্ৰেছৰ বিধায়ক হ'লে মুখ্যমন্ত্ৰীক চেলেঞ্জ কৰি কোনো দিন কথা কোৱাৰ সাহস নহ'ব। সদ্য কংগ্ৰেছ ত্যাগী নেতা ৰহমত উল্লাহক লগত লৈ এ আই ইউ ডি এফ দলৰ প্ৰাৰ্থী আজিজে কেইটা নিৰ্বাচনী সভাত কংগ্ৰেছ-বিজেপিক সমালোচনা কৰি এ আই ইউ ডি এফত ভোট দিবলৈ ৰাইজক আহ্বান কৰে। উল্লেখ্য যে আব্দুল আজিজৰ আগ্ৰাসী প্ৰচাৰ আৰু তীৰ্যক বাক্যবানৰ ভাষণে সমষ্টিটোৰ সংখ্যালঘু ৰাইজক আকৰ্ষিত কৰাৰ বিপৰীতে কংগ্ৰেছৰ পৰিয়ালকেন্দ্ৰিক ৰাজনীতিত কঁপনিৰ সৃষ্টি কৰাৰ লগতে মুছলিম বিদ্বেষী বিজেপিৰ ভিতৰ চ'ৰাতো ধুমুহাৰ সৃষ্টি কৰিছে। চামগুৰিত আব্দুল আজিজৰ মাৰাথন প্ৰচাৰত দিশহাৰা হৈ পৰিছে কংগ্ৰেছ।

■ বৃহৎ পৰিমাণৰ সুৰাসহ এজনক আটক ■

## চাউলধোৱা আৰক্ষীৰ অবৈধ সুৰাৰ বিৰুদ্ধে অভিযান

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ৩১ মাৰ্চ** ঃ লখিমপুৰ জিলাৰ চাউলধোৱা আৰক্ষীয়ে অবৈধ সুৰাৰ বিৰুদ্ধে আজি কেইবাটাও স্থানত অভিযান চলাই। চাউলধোৱা আৰক্ষী চকীৰ আই চি অভিজিত গগৈৰ নেতৃত্বত কাটৰি চাপৰি ৰাজবাৰীৰ দেউতী গগৈৰ গৃহত অভিযান চলাই যথেষ্ট পৰিমাণৰ সুৰাৰ বটল পথাৰৰ মাজত লুকুৱাই থোৱা অৱস্থাত উদ্ধাৰ কৰে যদিও অবৈধ ব্যৱসায়ীগৰাকী পলাই সাৰিবলৈ সক্ষম হয়। আনহাতে দুই নং কালভাৰ্টৰ সমীপৰ ৰে'লপথ পাৰ হৈ এঘৰ লোকৰ ঘৰত প্ৰায় দুশ লিটাৰ দেশীয় সুৰা নষ্ট কৰাৰ লগতে সুৰা প্ৰস্তুত কৰিবলৈ ব্যৱহাৰ কৰা বাচন-বৰ্তন নষ্ট কৰিবলৈ সক্ষম হয়। আনহাতে এখন চাইকেলত আনন্দ চাহ বাগিচাৰ খাপৰা লাইনৰ বন্ধ ওৰাং নামৰ এগৰাকী লোকে বিশাল পৰিমাণৰ সুৰাৰ বটল আনি থাকোঁতে আৰক্ষীয়ে মুঠ ৭৩টা বিলাতী সুৰাৰ বটল জব্দ কৰাৰ লগতে অবৈধ সুৰাৰ ব্যৱসায়ী বন্ধ ওৰাঙক আটক কৰিবলৈ সক্ষম হয়।

বিধায়ক আছিফ নাজাৰ সন্মুখতে গ' বেক ধ্বনি প্ৰতিবাদকাৰীৰ

## লাহৰীঘাটত জৰাজীৰ্ণ ৰাস্তাক লৈ স্থানীয় ৰাইজৰ প্ৰতিবাদ

**অসম বাৰ্তা, লাহৰীঘাট, ৩০ মাৰ্চ** ঃ লাহৰীঘাটৰ বৰবৰীত জৰাজীৰ্ণ পথক লৈ স্থানীয় ৰাইজৰ তীব্ৰ প্ৰতিবাদ। প্ৰতিবাদকাৰী সকলকে বিধায়ক আছিফ নাজাৰৰ সন্মুখতেই আছিফ নাজাৰ গ'বেক, আছিফ নাজাৰ মুৰ্দাবাদ ধ্বনি দি পৰিৱেশ উত্তাল কৰি তোলে। উল্লেখ্য যে, লাহৰীঘাট নগাঁও সংযোগী গড় কাপ্তানি পথৰ বৰবৰী চাৰিআলিৰ ওচৰত দীৰ্ঘদিন ধৰি পুখুৰী সদৃশ গাতৰ সৃষ্টি হোৱাত অলপ বৰষুণ দিলেই যাতায়তৰ ক্ষেত্ৰত অসুবিধা সন্মুখীন হয় পথচাৰী। প্ৰায় প্ৰতিদিনেই সৰু-বৰ দুৰ্ঘটনা সংঘটিত হয় উক্ত পথছোৱাত। আজিও দুখনকৈ ই-ৰিস্কা বাগৰি পৰাত কেইবাজনো লোক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। স্থানীয় কেইজনমান যুৱকে আঘাতপ্ৰাপ্ত লোক সকলক লাহৰীঘাট মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়ত পঠিয়াই দি নিজেই হাতত কোৰ লৈ ৰাস্তা মেৰামতি কৰাৰ চেষ্টা কৰে। সেই সময়তে স্থানীয় বিধায়ক ডাঃ আচিফ মঃ নাজাৰ উক্ত পথছোৱাৰে গৈ থকা সময়তে বিধায়ক আছিফ নাজাৰ গ'বেক, আছিফ নাজাৰ মুৰ্দাবাদ ধ্বনি দি পৰিৱেশ উত্তাল কৰি তোলে যুৱককেইজনে। উল্লেখ্য যে, নিৰ্বাচনী প্ৰচাৰ চলাবলৈ উক্ত পথছোৱাৰে বিধায়ক গৰাকীৰ দৈনিক চাৰি পাঁচ বাৰকৈ পাৰ হৈ যোৱাৰ পিছতো মেৰামতিৰ কোনো গুৰুত্ব নিদিয়াত স্থানীয় যুৱক কেইজনে বিধায়ক গৰাকীৰ সন্মুখতে তেওঁৰ বিৰুদ্ধে ধ্বনি দি ক্ষোভ প্ৰকাশ কৰে।

# সোণোৱাল কছাৰী সাহিত্য সভাৰ প্ৰকাশন সচিব হিচাপে সাংবাদিক ৰতন হাজৰিকাৰ শপতগ্ৰহণ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৩০ মাৰ্চ** ঃ সোণোৱাল কছাৰী সাহিত্য সভাই অহা ১৩ মে'ৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে সোণোৱাল জনজাতিৰ জীৱিত আৰু মৃত বিশিষ্ট লোকৰ জীৱন-কৃতী সামৰি 'বৰেণ্য সোণোৱাল' নামৰ গ্ৰন্থৰ তৃতীয় খণ্ড প্ৰকাশ কৰিব। এই উদ্দেশ্যে ডিব্ৰুগড় কছাৰীবাৰীস্থিত সংগঠনটোৰ মুখ্য কাৰ্যালয়ত সভাৰ সভাপতি মোহন সোণোৱালৰ সভাপতিত্বত অনুষ্ঠিত কৰ্ণধাৰ সমিতি আৰু গ্ৰন্থ প্ৰকাশন সমিতিৰ যৌথ সভাত এই সিদ্ধান্ত গ্ৰহণৰ লগতে বিহুৰ আগতে বগীনদীত লেছেৰী আৰু সোণোৱাল হুঁচৰিৰ কৰ্মশালা আয়োজনৰ লগতে বিহুৰ পিছতে ৰাজ্যিক পৰ্যায়ত কথিত ভাষাত আৰু মান্য অসমীয়া ভাষাত এখনি কবি সন্মিলনৰ আয়োজনৰো সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাই সংগঠনটোৰ বিভিন্ন সাংগঠনিক কাম-কাজ আৰু কৰ্মসূচী পৰ্যালোচনা কৰি কেইবাটাও সিদ্ধান্ত গ্ৰহণ কৰে। সভাৰ মুখ্য সম্পাদক মৃদুল সোণোৱালে উদ্দেশ্য ব্যাখ্যা কৰা সভাত ইতিপূৰ্বে সৰ্বসন্মতিক্ৰমে কাৰ্যনিৰ্বাহক সভাই প্ৰকাশন সমিতিৰ সচিব হিচাপে দায়িত্ব প্ৰদান কৰা 'সোণোৱাল বাৰ্তা' কাকতৰ সম্পাদক তথা জ্যেষ্ঠ সাংবাদিক ৰতন হাজৰিকাই আনুষ্ঠানিকভাৱে শপতগ্ৰহণ কৰি দায়িত্বভাৰ গ্ৰহণ কৰে। শপতবাক্য পাঠ কৰায় সভাপতি মোহন সোণোৱালে। প্ৰকাশন সচিব গৰাকীয়ে অনাগত দিনত সভাৰ কৰ্মকৰ্তা সকলৰ চিনাকিসম্বলিত জীৱনীমূলক গ্ৰন্থ প্ৰকাশ, সোণোৱাল গাঁওসমূহৰ ইতিহাস প্ৰকাশ, 'অ সোণোৱাল লেখকৰ দৃষ্টিত সোণোৱাল সকল'ৰ দৰে গ্ৰন্থ প্ৰণয়ন ইত্যাদি অন্যতম গ্ৰন্থ প্ৰকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰি নিজৰ অনুভৱ ব্যক্ত কৰে। সভাত সভাৰ মুখ্য উপদেষ্টা গুণেশ্বৰ সোণোৱাল, উপসভাপতি ড° লবৰাম সোণোৱাল, মণিদীপা লালোৱাৰী, সুমন্ত বড়াকে ধৰি কৰ্ণধাৰ সমিতি আৰু গ্ৰন্থ প্ৰকাশন সমিতিৰ সদস্যসকল উপস্থিত থাকে।

□ ভোটগ্ৰহণকাৰী বিষয়াৰ প্ৰশিক্ষণ আৰু নিৰ্বাচনী ব্যয়ৰ পৰীক্ষণ সম্পন্ন □

# আগন্তুক বিধানসভা নিৰ্বাচন-২০২৬ৰ বাবে যোৰহাট নিৰ্বাচনী জিলাত ব্যাপক তৎপৰতা

**অসম বাৰ্তা, যোৰহাট, ৩০ মাৰ্চ** ঃ আগন্তুক ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচন সুচাৰুৰূপে পৰিচালনা কৰাৰ লক্ষ্যৰে যোৰহাট জিলা নিৰ্বাচনী বিভাগে প্ৰস্তুতিৰ কাম ত্বৰান্বিত কৰি তুলিছে। ইয়াৰ অংশস্বৰূপে জিলাখনত ভোটগ্ৰহণকাৰী বিষয়াৰ প্ৰশিক্ষণ আৰু প্ৰাৰ্থীসকলৰ নিৰ্বাচনী ব্যয়ৰ পঞ্জীয়ন পৰীক্ষণৰ কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচী সফলতাৰে সম্পন্ন কৰা হয়। যোৰহাট নিৰ্বাচনী জিলাৰ অন্তৰ্গত ডি.চি.বি. বালিকা মহাবিদ্যালয় আৰু চি.কে.বি. বাণিজ্য মহাবিদ্যালয়ত আজি প্ৰথম পোলিং বিষয়াসকলৰ আৰু যোৱা কালি প্ৰিজাইডিং বিষয়াসকলৰ দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। বিশেষকৈ যিসকল বিষয়াই প্ৰথমবাৰৰ বাবে নিৰ্বাচনী দায়িত্ব পালন কৰিব, তেওঁলোকৰ ব্যৱহাৰিক জ্ঞান বৃদ্ধিৰ বাবে প্ৰশিক্ষণস্থলীত এটা 'নমুনা ভোটকেন্দ্ৰ' (Demo Polling Station) স্থাপন কৰা হয়। এইনমুনা ভোটকেন্দ্ৰটোৰ জৰিয়তে ভোটগ্ৰহণৰ দিনা পালন কৰিবলগীয়া দায়িত্ব আৰু প্ৰক্ৰিয়াসমূহৰ প্ৰত্যক্ষ অভিজ্ঞতা প্ৰদান কৰা হয়। আনহাতে, নিৰ্বাচনী স্বচ্ছতা বজাই ৰখাৰ উদ্দেশ্যে যোৱা কালি যোৰহাট আৱৰ্ত ভৱনৰ সভাগৃহত জিলাখনৰ চাৰিওটা বিধানসভা সমষ্টিৰ প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীসকলৰ ব্যয় পঞ্জীয়নৰ (Expenditure Registers) প্ৰথম পৰ্যায়ৰ পৰীক্ষণ কাৰ্যসূচী সম্পন্ন কৰা হয়। এই কাৰ্যসূচীত ৯৯ নং টীয়ক বিধানসভা সমষ্টি আৰু ১০০ নং যোৰহাট বিধানসভা সমষ্টিৰ বাবে নিয়োজিত ব্যয় পৰ্যবেক্ষক আই.আৰ.এছ (IRS) বি. জ্যোতি কিৰণ, ১০১ নং মৰিয়নি বিধানসভা সমষ্টি আৰু ১০২ নং তিতাবৰ বিধানসভা সমষ্টিৰ বাবে নিয়োজিত ব্যয় পৰ্যবেক্ষক আই.আৰ.এ.এছ (IRAS) নিখিল আগৰৱাল দেৱৰ লগতে সহকাৰী আয়ুক্তসকল প্ৰমুখ্যে অন্যান্য বিষয়াসকল উপস্থিত থাকে। জিলা প্ৰশাসনে জানিবলৈ দিয়া মতে, আগন্তুক নিৰ্বাচনত যাতে কোনো ত্ৰুটি ৰৈ নাযায়, তাৰ বাবে পৰ্যায়ক্ৰমে এনেধৰণৰ প্ৰশিক্ষণ আৰু পৰীক্ষণ কাৰ্যসূচী অব্যাহত থাকিব।

# ৭.৫০ লাখ টকাৰ মূল্যৰ হাতীৰ দাঁত সহ দুজনক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ৩০ মাৰ্চ** ঃ লখিমপুৰ জিলাৰ চাউলধোৱা আৰক্ষীয়ে আজি পুৱাৰ ভাগত চাউলধোৱা আৰক্ষী চকীৰ আই চি অভিজিত গগৈৰ নেতৃত্বত আৰক্ষী চকীৰ সন্মুখতে অতৰ্কিতে অভিযান চলাই এখন বাইকত এটা হাতীৰ দাঁত কঢ়িয়াই আনি থকা অৱস্থাতে দুজন লোকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। এ আৰ ০৭ ৫১৩৩ নম্বৰৰ এখন বাইকত ৪৫.৯৭ গ্ৰাম ওজনৰ এটা হাতীৰ দাঁত বিক্ৰীৰ বাবে কঢ়িয়াই অনা বগীনদী থানাৰ থেকেৰাগুৰিৰ নিবাসী প্ৰয়াত চৰণ বসুমতাৰীৰ পুত্ৰ বোধেশ্বৰ বসুমতাৰী আৰু একে ঠাইৰে প্ৰয়াত আদম তানীৰ পুত্ৰ বৰ্ণ তানী(৩৩)ক গোপন সূত্ৰৰ ভিত্তিত গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অভিজিত গগৈয়ে জনোৱা অনুসৰি হাতীৰ দাঁতটোৰ মূল্য প্ৰায় ৭.৫০ লাখ টকা। লখিমপুৰ জিলাৰ শীৰ্ষ আৰক্ষী বিষয়া চাউলধোৱাত উপস্থিত হৈ ঘটনাৰ বুজ লয়।

■ সহস্ৰাধিক সমৰ্থকক লগত লৈ কংগ্ৰেছ ত্যাগ ডাঃ ফৰিদুল হুছেইনৰ ■

# কংগ্ৰেছৰ দূৰ্গ লাহৰীঘাটত কংগ্ৰেছত ব্যাপক খহনীয়া



**অসম বাৰ্তা, লাহৰীঘাট, ৩০ মাৰ্চ** ঃ কংগ্ৰেছৰ দূৰ্গ বুলি খ্যাত লাহৰীঘাটত কংগ্ৰেছত আৰম্ভ হৈছে ব্যাপক খহনীয়া। কংগ্ৰেছ প্ৰাৰ্থীত্ব প্ৰত্যাশী বিশিষ্ট চিকিৎসক ডাঃ ফৰিদুল হুছেইনে দেওবাৰে নিশা কেইবাস্ৰাধিক সমৰ্থকক লগত লৈ কংগ্ৰেছ ত্যাগ কৰে। বিশিষ্ট চিকিৎসক গৰাকীৰ লগতে লাহৰীঘাট অঞ্চলৰ প্ৰবীণ কংগ্ৰেছ নেতা, কুশতলি জিলা পৰিষদৰ প্ৰাক্তন সদস্য তথা মৰিগাঁও জিলা কংগ্ৰেছৰ উপ-সভাপতি আজিজুৰ ৰহমান ওৰফে বিল্লাহ, লাহৰীঘাট ব্লক কংগ্ৰেছৰ সাধাৰণ সম্পাদক আতাবুৰ ৰহমান, মৰিগাঁও জিলা সেৱা দলৰ সাধাৰণ সম্পাদক ইক্ৰামুল হুছেইনৰ লগতে সহস্ৰাধিক লোকে একেলগে কংগ্ৰেছ দল ত্যাগ কৰে। উল্লেখ্য যে, সমাগত বিধান সভা নিৰ্বাচনত লাহৰীঘাট সমষ্টিৰ পৰা কংগ্ৰেছ দলৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী আছিল বিশিষ্ট চিকিৎসক ডাঃ ফৰিদুল হুছেইন। সমষ্টিটোৰ গৰিষ্ঠ সংখ্যক ৰাইজৰ লগতে নবীন প্ৰবীণ নেতা-কৰ্মীয়েও চিকিৎসক গৰাকীক কংগ্ৰেছৰ প্ৰাৰ্থী হিচাপে বিচাৰিছিল যদিও প্ৰদেশ কংগ্ৰেছে চিকিৎসক ডাঃ হুছেইনত টিকট পৰা বঞ্চিত কৰি পূৰ্বৰ বিধায়ক ডাঃ আচিফ মঃ নাজাৰকে পুনৰ দলীয় টিকট প্ৰদান কৰে। বৰ্তমান সময়ত সমষ্টিটোত কোনো গণভিত্তি নথকা বিধায়ক আছিফ নাজাৰক টিকট প্ৰদান কৰাত সমষ্টিটোৰ কংগ্ৰেছ মহলত সৃষ্টি হৈছে তীব্ৰ অনন্তকন্দল। সমষ্টিটোত ৪৭ বছৰীয়া পৰিয়াল কেন্দ্ৰিক ৰাজনীতিৰ ফলস্বৰূপে কোনো ধৰণৰ বিশেষ উন্নয়ন নোহোৱাত সমষ্টিবাসী অতিষ্ঠ হৈ এইবাৰ নতুন প্ৰাৰ্থী বিচাৰিছিল যদিও প্ৰদেশ কংগ্ৰেছে জনমতক অংগুষ্ঠ প্ৰদৰ্শন কৰি বিধায়ক আছিফ নাজাৰকে প্ৰাৰ্থীত্ব প্ৰদান কৰে। গৰিষ্ঠ সংখ্যক জনমত থকাৰ পিছতো ডাঃ ফৰিদুল হুছেইনক প্ৰাৰ্থীত্ব প্ৰদান নকৰাত সমষ্টিটোৰ বহু প্ৰবীণ নেতা-কৰ্মীয়ে ইতিমধ্যে কংগ্ৰেছ ত্যাগ এআইইউডিএফত যোগদান কৰিছে। সমষ্টিটোবাসীৰ দাবীত আৰু লাহৰিঘাট সমষ্টিৰ পৰা পৰিয়াল কেন্দ্ৰিক ৰাজনীতিৰ পৰিবৰ্তন বিচাৰি কালি বিশিষ্ট চিকিৎসক ডাঃ ফৰিদুল হুছেইনৰ লগতে মৰিগাঁও জিলা কংগ্ৰেছৰ উপসভাপতি আজিজুৰ ৰহমান বিল্লাই সহস্ৰাধিক সমৰ্থকক লগত লৈ কংগ্ৰেছ ত্যাগ কৰে। বিশিষ্ট চিকিৎসক ডাঃ ফৰিদুল হুছেইনে প্ৰদেশ কংগ্ৰেছৰ সংখ্যালঘু বিভাগৰ সাধাৰণ সম্পাদক পদত কাৰ্যনিৰ্বাহ কৰি আছিল। তেখেতে সংখ্যালঘু বিভাগৰ সাধাৰণ সম্পাদক পদৰ লগতে কংগ্ৰেছৰ সদস্য পদো ত্যাগ কৰি কংগ্ৰেছৰ উৰ্দ্ধতম কৰ্তৃপক্ষ লৈ পদত্যাগ পত্ৰ প্ৰেৰণ কৰে। কংগ্ৰেছৰ পৰা পদত্যাগ কৰি বিশিষ্ট চিকিৎসক ডাঃ ফৰিদুল হুছেইনে লাহৰীঘাট সমষ্টিটো পৰিয়াল কেন্দ্ৰিক ৰাজনীতিৰ পৰা উদ্ধাৰ কৰাৰ স্বাৰ্থত এআইইউডিএফৰ দলৰ প্ৰাৰ্থী ছিদ্দিক আহমেদক সমৰ্থন আগবঢ়াই। লগতে তেওঁৰ অনুৰাগীক সকলকো ৪৭ বছৰীয়া পৰিয়াল কেন্দ্ৰিক ৰাজনীতিৰ অৱসানৰ স্বাৰ্থত ছিদ্দিক আহমেদক সমৰ্থন দিবলৈ আহ্বান জনায়। লগতে অতি কম সময়ৰ ভিতৰতে তেখেতৰ হাজাৰ হাজাৰ অনুৰাগী তথা কংগ্ৰেছ কৰ্মীয়ে কংগ্ৰেছ ত্যাগ কৰি এআইইউডিএফত যোগদান কৰিব বুলি জানিবলৈ দিয়ে। নিৰ্বাচনৰ প্ৰাক মুহূৰ্ততে বৃহৎ সংখ্যক সমৰ্থকক লগত লৈ ফৰিদুল হুছেইনৰ পদত্যাগে কংগ্ৰেছৰ মহলত তীব্ৰ জোকাৰণি সৃষ্টি হৈছে। পূৰ্বৰে পৰা কংগ্ৰেছৰ দূৰ্গ বুলি খ্যাত লাহৰীঘাট বিধান সভা সমষ্টিটোত এইবাৰ কংগ্ৰেছে ধৰি ৰখাটো এক প্ৰকাৰৰ অসম্ভৱ হৈ পৰিছে! একাংশ তৃণমূল কংগ্ৰেছ কৰ্মীয়ে প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ আৰু সাংসদ ৰকিবুল হুছেইনৰ ভুল সিদ্ধান্তৰ বাবেই আজি লাহৰিঘাট সমষ্টিত কংগ্ৰেছত খহনীয়াৰ সৃষ্টি হৈছে বুলি প্ৰকাশ কৰে। লগতে বিশিষ্ট চিকিৎসক ডাঃ ফৰিদুল হুছেইন কংগ্ৰেছ ত্যাগ কৰাৰ পিছতে সমষ্টিটোত পূৰ্বৰে পৰা মজবুত ভেটি থকা এআইইউডিএফৰ প্ৰাৰ্থী ছিদ্দিক আহমেদৰ জয় নিশ্চিত বুলি সকলোৰে মুখে-মুখে চৰ্চা লাভ কৰিছে। বিগত নিৰ্বাচনত অতি কম ভোটৰ ব্যৱধান পৰাজয় হৈছিল এআইইউডিএফৰ প্ৰাৰ্থী ছিদ্দিক আহমেদ। সমষ্টিটোৰ গৰিষ্ঠ সংখ্যক ভোটৰে বিধায়ক আছিফ নাজাৰৰ বিৰুদ্ধে মুকলিকৈ ওলাই পিছতে সমষ্টিটোৰ কংগ্ৰেছৰ এই দল ত্যাগৰ জোৱাৰ কি দৰে গ্ৰহণ কৰে কংগ্ৰেছৰ উৰ্দ্ধতম কৰ্তৃপক্ষই সেয়া সময়তহে হ'ব লক্ষণীয়।

মাজুলী জিলা সাহিত্য সভাৰ উদ্যোগত গ্ৰন্থাগাৰ শুভাৰম্ভ ; মাজুলী ভিত্তিত চিত্ৰাংকন প্ৰতিযোগিতা সম্পন্ন

# মাজুলী জিলা সাহিত্য সভাৰ অষ্টম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদযাপন



**অসম বাৰ্তা, উজনী মাজুলী, ৩০ মাৰ্চ** ঃ মাজুলী জিলা সাহিত্য সভাৰ অষ্টম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আজি বিস্তৃত কাৰ্যসূচীৰে নামনি মাজুলীৰ বালিচাপৰিৰ মিলিত কৃষ্টি সংঘৰ প্ৰেক্ষাগৃহত উদযাপন কৰা হয়। নামনি মাজুলীৰ বিষ্ণুজ্যোতি সাহিত্য গোষ্ঠী, নামনি মাজুলী শাখা সাহিত্য সভা আৰু আঁহতগুৰি শাখা সাহিত্য সভাৰ সৌজন্যত অনুষ্ঠিত হোৱা উক্ত জিলা সাহিত্য সভাৰ উক্ত প্ৰতিষ্ঠা দিৱসত মাজুলীৰ শতাধিক গ্ৰন্থ লেখক লেখিকাক সম্বৰ্ধনা জনোৱাৰ লগতে ৰাজ্য চৰকাৰৰ যুৱ লেখকৰ পুৰস্কাৰ লাভ কৰা লেখকসকলক সম্বৰ্ধনা জনোৱা হয়। উক্ত, প্ৰতিষ্ঠা দিৱস উপলক্ষে নিৰ্মাণ কৰা যতীন বৰা সোঁৱৰণী আদৰণী তোৰণত ( দাতা, মৃণালী বৰা আৰু পৰিয়ালবৰ্গ) বন্তি প্ৰজ্বলন কৰি উদ্বোধন কৰে মাজুলী জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল কুমাৰ বৰুৱা আৰু বিষ্ণুজ্যোতি সাহিত্য গোষ্ঠীৰ সভাপতি গোপাল বৰাই। তাৰপিছত গছপুলি ৰোপণ কৰে বিশিষ্ট পৰিৱেশকৰ্মী তথা পৰিৱেশ বন্ধু অতুল হাজৰিকাই। পুৱা ন'বজাত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে মাজুলী জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল কুমাৰ বৰুৱাই। মূল পতাকাৰ লগতে অষ্টম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উপলক্ষে আঠখন পতাকা উত্তোলন কৰা হয়। তাৰ পিছত বন্তি প্ৰজ্বলন কৰে বিষ্ণুজ্যোতি সাহিত্য গোষ্ঠীৰ সভাপতি গোপাল বৰাই। অনুষ্ঠানত স্মৃতি তৰ্পণ কৰে মাজুলী জিলা সাহিত্য সভাৰ উপ-সভাপতি খগেন হাজৰিকাই। পুৱা দহ বজাৰ পৰা মাজুলী জিলা সাহিত্য সভাৰ কুঁহি উপ সমিতিৰ উদ্যোগত সুৰেন ৰাজখোৱা সোঁৱৰণী চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। অসম কুঁহি উপ-সমিতিৰ সদস্য তিলক ৰাজখোৱাৰ পৰিচালনাত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখন উদ্বোধন কৰে বিশিষ্ট সমাজকৰ্মী তথা মাজুলী জিলা সাহিত্য সভাৰ কুঁহি উপ সমিতিৰ কাৰ্যকৰী সভাপতি লোহিত বৰাই। দিনৰ বাৰ বজাৰ পৰা প্ৰফুল্ল কুমাৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনৰ আঁত ধৰে মাজুলী জিলা সাহিত্য সভাৰ সম্পাদক সঞ্জীৱ বৰাই। নামনি মাজুলীৰ শাখা সাহিত্য সভাৰ সদস্যাসকলে শিল্পী যদুমণি ভূএগাৰ পৰিচালনাৰে পৰিৱেশন কৰা "চিৰ চেনেহী মোৰ ভাষা জননী" গীত পৰিৱেশন কৰি সভাৰ শুভাৰম্ভ কৰা হয়। বিশিষ্ট সাহিত্যিক সুৰেন্দ্ৰ নাথ মূদৈয়ে উদ্বোধন কৰা উক্ত মুকলি সভাত আদৰণী ভাষণ প্ৰদান কৰে উদযাপন সমিতিৰ সভাপতি গোপাল বৰাই। মুকলি সভাত মাজুলী জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠা কালৰ স্মৃতি ৰোমন্থন কৰে প্ৰতিষ্ঠাপক সভাপতি প্ৰভাত বুঢ়াভকতে। অনুষ্ঠানত মাজুলীৰ বিভিন্ন প্ৰান্তৰ শতাধিক গ্ৰন্থ লেখক লেখিকাক সম্বৰ্ধনা জনোৱাৰ লগতে ৰাজ্য চৰকাৰৰ যুৱ লেখকৰ পুৰস্কাৰ লাভ কৰা ১৯ জনকো সম্বৰ্ধনা জনোৱা হয়। উক্ত, মুকলি সভাত বিশিষ্ট অতিথি হিচাপে যুগল হাজৰিকা, মনোজ্যোতি ৰেগন, সুভদ্ৰা শইকীয়া বৰা, ৰুবী শইকীয়া আৰু তিলক ৰাজখুৱাই ভাষণ প্ৰদান কৰে। অনুষ্ঠানত শিল্পী দীপালী ভূএগাৰ কণ্ঠৰ বৰগীত, অমিয় কুমাৰ চিৰাঙৰ কণ্ঠৰ ভূপেন্দ্ৰ সংগীত, ৰাজীৱ চিলাকলাৰ কণ্ঠৰ জুবিন গাৰ্গৰ গীত আৰু বালিচাপৰিৰ মণিকাঞ্চন গোষ্ঠীৰ শিল্পীসকলে দিহানাম পৰিৱেশন কৰি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। উক্ত, মুকলি সভাত চিত্ৰাংকন প্ৰতিযোগিতাৰ পুৰস্কাৰ সমূহ প্ৰদান কৰা হয়। উক্ত, মুকলি সভাতে মাজুলী জিলা সাহিত্য সভাৰ উদ্যোগত এটা ৰাজহুৱা গ্ৰন্থাগাৰ শুভাৰম্ভ কৰা হয়। সভাত জমা হোৱা শতাধিক গ্ৰন্থ দানেৰে উক্ত গ্ৰন্থাগাৰ আজিৰ প্ৰতিষ্ঠা দিৱসত শুভাৰম্ভ কৰা হয়। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে উদযাপন সমিতিৰ সম্পাদক গুণেশ্বৰ গায়ন আৰু জিলা সাহিত্য সভাৰ সম্পাদক সঞ্জীৱ বৰাই।

ভোটগ্ৰহণ কেন্দ্ৰসমূহ পৰিষ্কাৰ কৰি ৰখাৰ নিৰ্দেশ

# ভোটগ্ৰহণ কেন্দ্ৰৰ সা-সুবিধা নিশ্চিত কৰিবলৈ বিদ্যালয় প্ৰধান সকলৰ সৈতে জিলা আয়ুক্তৰ সভা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ৩০ মাৰ্চ** ঃ বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণলৈ মাজত মাত্ৰ কেইটামান দিন বাকী থকা অৱস্থাত মৰিগাঁও নিৰ্বাচন জিলাতো জিলা নিৰ্বাচন শাখাই প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। আজি মৰিগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত ভোটগ্ৰহণ কেন্দ্ৰসমূহত ন্যূনতম সা-সুবিধাসমূহ সুনিশ্চিত কৰিবলৈ মৰিগাঁও জিলা আয়ুক্ত অনামিকা তেৱাৰীয়ে ভোটগ্ৰহণ কেন্দ্ৰ থকা বিদ্যালয়সমূহৰ প্ৰধান শিক্ষকসকলৰ লগত এখন পৰ্যালোচনা সভা অনুষ্ঠিত কৰে। সভাত ভাষণ প্ৰসংগত জিলা আয়ুক্তগৰাকীয়ে কয় যে নিৰ্বাচনী প্ৰক্ৰিয়াটো সুচাৰুৰূপে সম্পন্ন কৰাৰ ক্ষেত্ৰত বিদ্যালয় প্ৰধানসকলৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। তেওঁ শিক্ষকসকলক শিক্ষানুষ্ঠানৰ চৌহদ আৰু সন্মুখভাগ পৰিষ্কাৰ কৰি ৰখাৰ সু-ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ বিদ্যালয়সমূহ পৰিষ্কাৰ কৰাৰ ক্ষেত্ৰত সহায় হোৱাকৈ বিদ্যালয়ৰ নিকটৱৰ্তী আত্মসহায়ক গোটসমূহৰ লগ হৈ স্বচ্ছতা অভিযান চলাবলৈ পৰামৰ্শ আগবঢ়ায়। ভোটগ্ৰহণৰ বাবে যোৱা বিষয়াসকলক বিদ্যালয়ত ন্যূনতম সা-সুবিধাসমূহ প্ৰদান কৰাটো সুনিশ্চিত কৰিবলৈ দুজনকৈ বিদ্যালয় পৰিচালনা সমিতিৰ ব্যক্তিক দায়িত্ব অৰ্পন কৰিবলৈ তেওঁ নিৰ্দেশ দিয়ে। বিদ্যালয়ৰ অনাময় ব্যৱস্থাসমূহ ত্ৰুটিহীন কৰিবলৈ তেওঁ প্ৰধান শিক্ষকসকলক নিৰ্দেশ দিয়ে। লগতে ভোটকেন্দ্ৰৰ আশে-পাশে থকা যিকোনো অসামাজিক উপাদানসমূহৰ বিষয়ে আগতীয়াকৈ জিলা প্ৰশাসনক অৱগত কৰাবলৈও তেওঁ আহ্বান জনায়। তেওঁ বিদ্যালয় প্ৰধানসকলক নতুন শিক্ষাবৰ্ষৰ প্ৰথম দিনটোৰ পৰাই ছাত্ৰ-ছাত্ৰীৰ নিয়মীয়া উপস্থিতি সুনিশ্চিত কৰা আৰু চৰকাৰী বিদ্যালয়ত নামভৰ্তিৰ হাৰ বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব দিবলৈ আহ্বান জনায়। সভাত মৰিগাঁও জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অনন্ত গগৈ, মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ডঃ অপূৰ্ব ঠাকুৰীয়া, মায়ং ৰাজহ চক্ৰ বিষয়া প্ৰিয়ংকা গগৈ, বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শক সমৰ বৰুৱা আৰু মৰিগাঁও জিলাৰ চাৰিওটা শিক্ষাখণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়াসকল উপস্থিত আছিল। উল্লেখ্য যে মৰিগাঁও জিলাত মুঠ ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা হ'ল ৯৬৮ টা। ইয়াৰে ৫২ নং জাগীৰোড (অঃ জাঃ)সমষ্টিত ৩৩৫ টা, ৫৩ নং লাহৰিঘাট সমষ্টিত ৩৫৫টা আৰু ৫৪ নং মৰিগাঁও সমষ্টিত ২৭৮টা ভোটগ্ৰহণ কেন্দ্ৰ আছে।

▢ লক্ষ্মীনাথ বেজবৰুৱা-মিত্ৰদেৱ মহন্তক স্মৰণ ▢

# ডিব্ৰুগড়ত মানকটা শতদল শাখা সাহিত্য সভাৰ উদ্যোগত সাহিত্য দিৱস উদযাপন



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৩০ মাৰ্চ** ঃ অসমীয়া ভাষা-সাহিত্যৰ জনক সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ পুণ্য তিথিত 'সাহিত্য দিৱস' ৰূপে আৰু অসম সাহিত্য সভাৰ উদ্বোধনী গীতৰ স্ৰষ্টা সাহিত্যাচাৰ্য মিত্ৰদেৱ মহন্তৰ স্মৃতি-দিৱসটি অসম সাহিত্য সভাৰ ভিন্নশাখা সমূহৰ লগতে ডিব্ৰুগড় জিলা সাহিত্য সভাৰ অন্তৰ্গত মানকটা শতদল শাখা সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত কৰা হয়। মানকটা শাখা সাহিত্য সভাৰ উপ-সভাপতি পূৰ্ণকান্ত হাজৰিকাৰ সভাপতিত্বত অনষ্ঠিত কৰা হয়। অসম সাহিত্য সভাৰ ডিগবৈ অধিৱেশনৰ সভাপতি, চিৰ চেনেহী মোৰ ভাষা জননীৰ স্ৰষ্টা মিত্ৰদেৱ মহন্তৰ মৃত্যু দিৱসটি ডিব্ৰুগড়ৰ কছাৰীবাৰী সোণোৱাল পথৰ শাখা সাহিত্য সভাৰ অস্থায়ী কাৰ্যালয়ত অনুষ্ঠিত কৰা হয়। সাহিত্য সভাৰ কেন্দ্ৰীয় নিৰ্দেশনা অনুসৰি সভাৰ আৰম্ভণিতে প্ৰাক্তন সভাপতি দুয়ো গৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত পুষ্পাৰ্ঘ্য অৰ্পণ কৰে -শাখাৰ উপ-সভাপতি পূৰ্ণকান্ত হাজৰিকা, প্ৰাক্তন সভাপতি, অনিমা কোঁচ গগৈ লগতে অন্যান্য বিষয়ববীয়া সকলে। মানকটা শতদল শাখা সাহিত্য সভাৰ সম্পাদক নৱনীতা শ্যাম উৰঙীয়াই আতঁ ধৰা অনুষ্ঠানত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ সদস্য নোমল গগৈয়ে সভাত উপস্থিত থাকি ভাষণ প্ৰদান কৰি মিত্ৰদেৱ মহন্তই সৃষ্টি কৰা কেইবাখনো গ্ৰন্থ, শিশু সাহিত্য পুথি আৰু নাট ৰচনা কৰি অসমীয়া ভাষা-সাহিত্যক চহকী কৰা লগতে অভিনয়ৰ বাবে সংগীত নাটক একাডেমী বঁটা লাভ কৰা এইগৰাকী সাহিত্যিকে দুবাৰকৈ অসম সাহিত্য সভাৰ উপ-সভাপতি আৰু চাৰি বছৰকাল অসম সাহিত্য সভাৰ সহকাৰী সম্পাদকৰ পদত অধিষ্ঠিত হৈ সভালৈ সেৱা আগবঢ়ায়। সভাত -মানকটা শাখা সাহিত্য সভাৰ সাংস্কৃতিক সম্পাদক কুশল কোঁৱৰ, প্ৰাক্তন সভাপতি পোনা সোণোৱাল, থানুৰাম সোণোৱালসহ বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাত আজীৱন সদস্য সকলৰ লগতে শাখা বিষয়ববীয়া সদস্য তথা সাহিত্য সংস্কৃতিপ্ৰেমীৰাইজ উপস্থিত থকা সভাৰ শেষত শলাগ জ্ঞাপন কৰে শাখা সহকাৰী সম্পাদক দীপৰেখা সোণোৱালে।

■ সৰ্বাধিক ভোটাৰ থকা চুতীয়া জনগোষ্ঠীয়ে দিলে বিশ্বজিৎ ফুকনক মুকলি সমৰ্থন ■

# সৰুপথাৰ সমষ্টিত বলিছে নিৰ্বাচনী গৰম বতাহ

**অসম বাৰ্তা, খুমটাই, ৩০ মাৰ্চ** ঃ নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ১০৭ নং সৰুপথাৰ বিধান সভা সমষ্টিটো বলিছে গৰম বতাহ। এইবাৰ এই বিধান সভা সমষ্টিত তিনি গৰাকী প্ৰাৰ্থীৰ মাজত প্ৰতিদ্বন্দ্বিতা হব। এনডিএ সমৰ্থিত বিজেপি দলৰ মনোনীত প্ৰাৰ্থী বিশ্বজিৎ ফুকন, বিৰোধী ঐক্য মঞ্চৰ সমৰ্থিত অসম জাতীয় পৰিষদৰ জীৱন চুতীয়া আৰু ঝাৰখণ্ড মুক্তি মৰ্চাৰ চাহিল মুণ্ডাই এইবাৰ সৰুপথাৰ সমষ্টিত প্ৰাৰ্থীত্ব আগবঢ়াইছে। যদিও মূল যুঁজখন বিজেপিৰ বিশ্বজিৎ ফুকন আৰু জাতীয় পৰিষদৰ জীৱন চুতীয়াৰ মাজতেই হব। প্ৰায় ১ লাখ ৮৭ হেজাৰ ভোটাৰ থকা সৰুপথাৰ সমষ্টিত বৰ্তমান দুয়ো গৰাকী প্ৰাৰ্থীয়ে জয়ী হোৱাৰ বাবে নিৰ্বাচনী কৌশল অৱলম্বন কৰিছে। বিজেপিৰ বিশ্বজিৎ ফুকনে প্ৰত্যক দিনাই চাৰি পাঁচখনকৈ নিৰ্বাচনী সভা অনুষ্ঠিত কৰাৰ লগতে নিশা সৰুপথাৰৰ বাসগৃহত অন্য দলৰ পৰা আহি বিজেপি দলত যোগদান কৰোৱাৰ লগতে বিভিন্ন ব্যক্তি বিশেষ আৰু দল সংগঠনৰ লগত বৈঠকত মিলিত হয়। কিন্তু জাতীয় পৰিষদৰ প্ৰাৰ্থী জীৱন চুতীয়াই বৰ্তমান ডাঙৰ সভা অনুষ্ঠিত কৰা দেখা পোৱা নাই। অৱশ্যে কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ সৈতে এটা দিনত তিনিখন সভা অনুষ্ঠিত কৰিছিল। তাৰ পাছত তেওঁ ডাঙৰ সভা অনুষ্ঠিত কৰিবলৈ সাহস কৰা নাই যদিও গাওঁয়ে গাওঁয়ে গৈ সৰু সৰু সভা কৰিছেগৈ। বিপৰীতে বিশ্বজিৎ ফুকনৰ প্ৰতিখন নিৰ্বাচনী সভাত কেইবা সহস্ৰাধিক লোকে অংশগ্ৰহণ কৰি তেওঁৰ প্ৰতি সমৰ্থন জনোৱা পৰিলক্ষিত হৈছে। নিৰ্বাচনী সভা সমূহত বিশ্বজিৎ ফুকনক পুষ্প বৃষ্টিৰে ঢোলে ডগৰে আদৰি অনা দেখিবলৈ পোৱা যায়। বিগত কাৰ্যালয়ত বিধায়ক হৈ সৰুপথাৰ সমষ্টিৰ চমকপ্ৰদ উন্নয়নৰ বাবে এতিয়া বিশ্বজিৎ ফুকনক ৰাইজে আঁকোৱালি লৈছে। তেওঁ প্ৰতিখন সভাতেই উল্লেখ কৰিছে যে সমষ্টিটো যদি উন্নয়ন হৈছে বুলি ভাবে তেতিয়া তেওঁক আশীৰ্বাদ দিব যাতে পুনৰ এটা কাৰ্যকালত তেওঁ এই সমষ্টিৰ উন্নয়ন কৰিব পাৰে। বিশ্বজিৎ ফুকন বিধায়ক হোৱাৰ পূৰ্বে কোনো এজন বিধায়কে সমষ্টিটোৰ বিশেষ উন্নয়ন কৰিব নোৱাৰা বাবে এটা পিছপৰি ৰোৱা সৰুপথাৰ সমষ্টিৰ বাঘজৰী বিশ্বজিৎ ফুকনে লোৱাৰ পৰাই সমষ্টিৰ উন্নয়ন অশ্বমেধ ঘোঁৰাৰ গতিৰে যাবলৈ ললে। যাৰ বাবে এতিয়া অন্য দলৰ কৰ্মী আৰু নেতা সকলে নিৰ্বাচন চমু চাপি অহাৰ লগে লগে বিশ্বজিৎ ফুকনৰ প্ৰতি আস্থা ৰাখি বিজেপি দলত যোগদান কৰিছে। অন্য দিনৰ দৰে যোৱানিশাও সৰুপথাৰ ব্লক কংগ্ৰেছৰ সাধাৰণ সম্পাদক থানেশ্বৰ শইকীয়াৰ লগতে পূব বৰপথাৰ মণ্ডল কংগ্ৰেছৰ সভাপতি অৱনী গোহাঁইয়ে দলৰ পৰা অব্যাহতি লৈ জিতেন গোহাঁইৰ দৰে জ্যেষ্ঠ সতীৰ্থসহ বিজেপি দলত যোগদান কৰে। কংগ্ৰেছৰ হাই কামাণ্ডে এইবাৰ সৰুপথাৰ সমষ্টিটো মিত্ৰ দল অসম জাতীয় পৰিষদক এৰি দিয়াৰ পাছৰে পৰা দলৰ নেতা আৰু কৰ্মী সকলৰ মনোবল ভাঙি যায় আৰু সেই মনোবল শক্তিশালী কৰিবৰ বাবে জাতীয় পৰিষদৰ মনোনীত প্ৰাৰ্থী জীৱন চুতীয়াই আগভাগ নললে বুলি অভিযোগ কৰি এতিয়া নিতৌ কংগ্ৰেছৰ কৰ্মীসকলে বিজেপি দলত যোগদান কৰিছে। অৱশ্যে এনডিএ অংশীদাৰ অসম গণ পৰিষদৰ দুজন মান নেতাই জাতীয় পৰিষদৰ প্ৰাৰ্থী গৰাকীৰ হৈ প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে যদিও তেওঁলোকে কাহানিও বিজেপিৰ দলৰ সৈতে সহযোগ কৰা নাই বুলি বিজেপি দলে অভিযোগ কৰে। আনকি সেই কেইজন নেতাই পঞ্চায়ত নিৰ্বাচনত বিজেপি দলৰ প্ৰাৰ্থীৰ বিপক্ষৰ প্ৰাৰ্থীক সহযোগ কৰা আৰু নিজা প্ৰাৰ্থী প্ৰক্ষেপ কৰাৰ দৰে গুৰুতৰ অভিযোগ আছে।

**চুতীয়া জনগোষ্ঠীৰ সমৰ্থন বিশ্বজিৎ ফুকনলৈ ঃ**

সৰুপথাৰ সমষ্টিৰ সৰ্বাধিক ভোটাৰ থকা চুতীয়া জনগোষ্ঠীৰ লোকে এই বাৰ বিধান সভা নিৰ্বাচনত বিজেপি দলৰ বিশ্বজিৎ ফুকনক সমৰ্থন দিব। যোৱানিশা চুতীয়া জনগোষ্ঠীৰ জাতি সন্মিলন, মহিলা সন্মিলন, যুৱ সন্মিলন আৰু ছাত্ৰ সন্থাৰ নেতৃবৃন্দই বিধায়ক বিশ্বজিৎ ফুকনৰ সৰুপথাৰ স্থিত বাসগৃহত উপস্থিত হৈ এক মত বিনিময় কাৰ্যসূচীত অংশগ্ৰহণ কৰি তেওঁৰ প্ৰতি এইবাৰ সমৰ্থন আগবঢ়োৱাৰ কথা আনুষ্ঠানিক ভাৱে ঘোষণা কৰে। সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি মহেন বৰা, সম্পাদক ৰাজু চুতীয়া, মুখ্য উপদেষ্টা ক্ষীৰোদ শইকীয়া, উপদেষ্টা মধু মাধৱ শইকীয়া, সদৌ অসম চুতীয়া জাতি সন্মিলনৰ ধনশিৰি জিলা সমিতিৰ সভাপতি অচ্যুৎ শইকীয়া আৰু ইয়াৰ আঞ্চলিক সমিতি সমূহৰ বিষয় ববীয়া, ধনশিৰি জিলা মহিলা সমিতিৰ সভানেত্ৰী পলি শইকীয়া আৰু সম্পাদিকা, চুতীয়া যুৱ সন্মিলনৰ ধনশিৰি জিলা সমিতিৰ সভাপতি বুবু কুমাৰ বৰা, গোলাঘাট জিলা চুতীয়া ছাত্ৰ সন্থাৰ সম্পাদক মানস জ্যোতি শইকীয়া, ধনশিৰি মহকুমা চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি অভিজিৎ শইকীয়া, সম্পাদক ৰক্তিম হাজৰিকাৰ লগতে আঞ্চলিক সমিতি সমূহৰ বিষয় ববিয়া তথা সদস্য সকল উপস্থিতিত চুতীয়া জনগোষ্ঠীৰ বাবে বিধায়ক হৈ বিশ্বজিৎ ফুকনে কৰা বহু কেইটা গুৰুত্বপূৰ্ণ কামৰ বাবে মুকলি সমৰ্থন আগবঢ়াই। লগতে তেওঁ লোকে অনুৰোধ জনায় যে পুনৰ জয়ী হলে জনগোষ্ঠীতোৰ উত্তৰণৰ বাবে এতিয়াও বাকী থকা কাম সমূহ কৰিবলৈ আগভাগ লব। চুতীয়া জনগোষ্ঠীৰ লোকসকলে এনেদৰে মুকলি সমৰ্থন আগবঢ়োৱা অতিকৈ আনন্দিত হৈ বিজেপি প্ৰাৰ্থী বিশ্বজিৎ ফুকনে চুতীয়া জনগোষ্ঠীৰ এই মৰম তথা আশীৰ্বাদ কেতিয়াও নাপাহৰে বুলি কৈ অনাগত দিনত জনগোষ্ঠীৰ অভাৱ অভিযোগ সমূহ গুৰুত্ব সহকাৰে লৈ সমাধান কৰাত কোনো কৃপনালি নকৰে বুলি চুতীয়া জনগোষ্ঠীৰ ৰাইজৰ আগত প্ৰতিশ্ৰুতি দিয়ে। উল্লেখযোগ্য যে বিশ্বজিৎ ফুকনৰ বিৰুদ্ধে জাতীয় পৰিষদৰ পৰা চুতীয়া জনগোষ্ঠীৰে জীৱন চুতীয়াই প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে যদিও চুতীয়া জনগোষ্ঠীৰ উত্তৰণত জীৱন চুতীয়াতকৈ সৰুপথাৰত বিশ্বজিৎ ফুকনৰ অৱদান অধিক হোৱাৰ বাবে চুতীয়া ৰাইজে তেওঁক মুকলি সমৰ্থন আগবঢ়াই। সেয়ে সৰ্বাধিক ভোট থকা চুতীয়া লোকে এইবাৰ যদি বিশ্বজিৎ ফুকনক ভোটদান কৰে তেতিয়া নিৰ্বাচনত জয়ী হোৱাৰ পথ মসৃণ হব বিশ্বজিৎ ফুকনৰ বাবে। অন্যহাতে বিশ্বজিৎ ফুকনৰ মাতৃও চুতীয়া জনগোষ্ঠীৰ লগতে তেখেতৰ পৰিয়ালে চুতীয়া জনগোষ্ঠীৰ ন্যায্য প্ৰাপ্তিৰ বাবে আগভাগ লৈ আহিছিল। গতিকে তেওঁৰ প্ৰতি স্বাভাৱিকতে জনগোষ্ঠীটোয়ে অন্যায় কৰিব নোৱাৰে বুলি উপস্থিত ৰাইজে মত পোষণ কৰে।



**তৃণমূল পৰ্যন্ত শক্তিশালী বিজেপি ঃ**

সৰুপথাৰ সমষ্টিত বিৰোধী দলৰ তুলনাত তৃণমূল পৰ্যন্ত শক্তিশালী হৈ আছে বিজেপি দল। এটা দলক শক্তিশালী কৰি ৰাখিবৰ বাবে সদায় তৃণমূল পৰ্যায়ত শক্তিশালী হবই লাগিব, নেতা বৃদ্ধি কৰি লাভ নাই। সেই কথা জানি সৰুপথাৰ সমষ্টিত বিগত পাঁচটা বছৰত তৃণমূল পৰ্যায়ত শক্তিশালী কৰাত গুৰুত্ব দিয়ে বিজেপি দলে। সৰুপথাৰ সমষ্টিটো এতিয়া বুথ সমিতিৰ লগতে পৃষ্ঠা প্ৰমুখ সকলে দিনে নিশাই কাম কৰি গৈছে দলৰ প্ৰাৰ্থী গৰাকীক জয়ী কৰাবৰ বাবে। দলৰ ভেটি মজবুত কৰা এই সকল অক্লান্ত সৈনিকৰ বাবেই বিশ্বজিৎ ফুকন বিপুল ভোটাত জয়লাভ কৰাৰ পথ প্ৰসস্ত বুলিব পাৰি। এই কথা জানি সৰুপথাৰ সমষ্টিত বিশ্বজিৎ ফুকনে তৃণমূল কৰ্মী সকলক অধিক গুৰুত্ব প্ৰদান কৰি অহাত তৃণমূল কৰ্মী সকলে অশেষ কষ্ট কৰি অহা দেখিবলৈ পোৱা গৈছে। অন্যহাতে বিৰোধী পক্ষৰ ভেটি তৃণমূল পৰ্যায়ত একেবাৰে দুৰ্বল। গাঁও পৰ্যায়ত নাই, পঞ্চায়ত পৰ্যায়ত নাই আনকি আঞ্চলিক পৰ্যায়টো নাই জাতীয় পৰিষদৰ আঞ্চলিক সমিতি। জাতীয় পৰিষদৰ প্ৰাৰ্থী গৰাকীয়ে কেৱল কংগ্ৰেছৰ ভোট পাই জয়ী সম বুলি এক অলিক কল্পনাত মগন হৈ আছে। অথচ কংগ্ৰেছ নেতা কৰ্মী সকলে এতিয়া প্ৰতি দিনে বিজেপি দলত যোগদান কৰি আহিছে। সেয়ে আজিৰ তাৰিখত বিজেপিৰ প্ৰাৰ্থী বিশ্বজিৎ ফুকন বিৰোধী দলৰ প্ৰাৰ্থী জীৱন চুতীয়াতকৈ নিৰ্বাচনী প্ৰচাৰত বহু আগত আছে।

## শদিয়াৰ জ্যোতিষ নগৰত ঘৰুৱা খনন কাৰ্য্যত সম্ভাব্য ঐতিহাসিক স্থাপত্য উদ্ধাৰ

**অসম বাৰ্তা, শদিয়া, ৩০ মাৰ্চ** ঃ তিনিচুকীয়া জিলাৰ শদিয়াৰ জ্যোতিষ নগৰ অঞ্চলত গাঁওপ্ৰধান ৰাজেন গগৈৰ বাসগৃহত নতুনকৈ ঘৰৰ খুঁটা পুতিবলৈ কৰা খনন কাৰ্য্যৰ সময়ত এক সম্ভাব্য ঐতিহাসিক স্থাপত্য উদ্ধাৰ হয়। ঘটনাক লৈ অঞ্চলটোত ব্যাপক চাঞ্চল্যৰ সৃষ্টি হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, ঘৰৰ বাবে গাঁত খন্দাৰ সময়ত শ্ৰমিকসকলে প্ৰায় আঠ ফুট গভীৰতাত এক কুঁৱাৰ সদৃশ গঠন দেখা পায়। এই গঠনটো জুইত পোৱা মাটিৰে বহু তৰপেৰে সুচিন্তিতভাৱে নিৰ্মাণ কৰা হৈছে বুলি জানিব পৰা গৈছে যিয়ে উক্ত সমলটোৰ ঐতিহাসিক গুৰুত্ব থকাৰ সম্ভাৱনা অধিক বঢ়াই তুলিছে। গাঁওপ্ৰধান ৰাজেন গগৈয়ে জনোৱা মতে, "খননৰ সময়তেই উক্ত সমলটো পোৱা গৈছে। অন্যহাতে ই কুঁৱা নে আন কিবা ঐতিহাসিক স্থাপত্য সেইটো নিশ্চিত হ'বলৈ নিশ্চিত গৱেষণাৰ প্ৰয়োজন আছে।" উল্লেখ্য যে, বৰ্তমানো খনন কাৰ্য্য অব্যাহত আছে আৰু ইয়াৰ পৰা আৰু অধিক গুৰুত্বপূৰ্ণ সামগ্ৰী উদ্ধাৰ হোৱাৰ সম্ভাৱনা থকাৰ কথা স্থানীয় লোকসকলে উল্লেখ কৰিছে। এই আৱিষ্কাৰে শদিয়াৰ ঐতিহাসিক আৰু সাংস্কৃতিক ঐতিহ্যৰ ওপৰত নতুন পোহৰ পেলাব পাৰে বুলি ধাৰণা কৰা হৈছে। উল্লেখযোগ্য যে, বিষয়টোৰ সন্দৰ্ভত সংশ্লিষ্ট বিভাগৰ দৃষ্টি আকৰ্ষণ কৰা হৈছে আৰু শীঘ্ৰে বিশেষজ্ঞ দল আহি পৰীক্ষা-নিৰীক্ষা চলোৱাৰ সম্ভাৱনা আছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
• সম্পাদক ঃ তনয় বৰা • মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন